# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

## NO. 6

The 16th March, 1992.

Price— 16.50

# CONTENTS

## BUDGET SESSION

## No. 6

Dated the 16th March, 1992


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1—52 |
| 2. | Discussion During Zero Hour | 53—63 |
| 3. | Adjournment Motion | 64—72 |
| 4. | Breach of Privilege Motion | 72—79 |
| 5. | Calling Attention Notice | 80—87 |
| 6. | Presentation of the Budget Estimates for the year 1992-93 | 87—120 |
| 7. | Statement By Minister | 120 |
| 8, | Introduction of Government Bill | 120 |
| 9. | Statement By Minister | 121 |
| 10. | Introduction of Government Bill | 121 |
| 11. | Adjournment | 122 |
| 12. | Annexure— I, II, III, IV & V | 123 to 130 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday, the 16th March, 1992.

The House met at nine of the Clock in the Assembly Chamber, Dispur with Shri Jiba Kanta Gogoi, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

( To which oral replies were given )

Mr. Speaker : Starred Question No. 81:

Re : **Murder of Student.**

Shri Derhagra Musha
Shri Parameswar Brahma } asked :

*81. Will the Chief Minister be pleased to state :

(a) The present position of the murder of Late Montu Boro a student of 1st year semister of the Engineering College at Jalukbari ?

(b) Whether any enquiry has been constituted to enquire into the case of murder ?

(c) Whether Government propose to give compensation to the next of kin of Shri Boro.

Shri Hiteswar Saikia (Chief Minister) replied :

(a) The case has been referred to C.B.I. for investigation.

(b) Yes.

(c) In view of (a) the question of giving compensation does not arise.

---

* Speech not corrected.

Shri Parameswar Brahma : Sir it is stated by the chief Minister that enquiry has been instituted. But we do not know right now about the final stage of the enquiry. My question is the criminals are moving freely before the nose of the police and the engineering college authority is going to conceal the fact. If so, why the culprits have not yet been arrested ?

* Shri Hiteswar Saikia (Chief Minister) : Sir, in this matter the report of the Investigating Officer and the Magisterial enquiry do not support the contention that he was murdered. So we have referred the matter to C.B.I. which is the competent authority to take action. As the matter has been under investigation by C. B. I. it has not been possible for the Government of Assam to take action on this.

Sri Parameswar Brahma : Sir, we shall have to wait for the enquiry report by C. B. I. But apprehension prevails upon the Bodo students that their lives are insecured in Gauhati. So I want to know from the Government of Assam what measures would be taken for security and safety of the Bodo students reading in different, institutions of Gauhati.

* Shri Hiteswar Saikia ( Chief Minister ) : Sir, If they have drawn about insecur ty feeling and if any complaint has been lodged we will definitely take action.

* শ্ৰীভৱত চন্দ্ৰ নৰহ : অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ঘটনাটো চি, ৰি, আই, ক তদন্ত কৰিবলৈ দিয়া হৈছে। কিন্তু ক্ষতিপুৰণ দিবৰ কাৰণে চি, ৰি, আইৰ নিশ্চয় অনুমতি নালাগে। গতিকে চি, বি, আইৰ

---

* Speech not corrected.

এনকুৱেৰী ৰিপোৰ্ট চাৰমিট কৰাৰ আগতে ক্ষতিপূৰণ দিয়াব ব্যৱস্থা কৰিব নেকি মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া : (মুখ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, সেই হোষ্টেলৰ ছাত্ৰ সকলৰ উক্তি, হোষ্টেল কৰ্তৃপক্ষৰ মতামত আৰু ৰিভাগীয় তদন্ত আদিত তেওঁৰ হত্যা প্ৰমাণিত হোৱা নাই। পোষ্ট মৰ্টেম ৰিপোৰ্তটো তেওঁ পানীত পৰি মৰা বুলিহে কোৱা হৈছে। সেই কাৰণে ঘটনাটো চি, বি, আইক তদন্ত কৰিবলৈ দিয়া হৈছে। গতিকে তদন্ত শেষ নোহোৱা পৰ্য্যন্ত কমপেনচেচন দিব নোৱাৰি।

Mr. Speaker : Now starred Question No. 82.

**বিষয় : ঢকুৱাখানাত আৱৰ্ত্তভৱন।**

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে :

* ৮২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ঢকুৱাখানা মহকুমাৰ ঢকুৱাখানাত আবৰ্ত্তভৱন নথকা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে, আবৰ্ত্তভৱন নিৰ্ম্মাণ কৰিবলৈ চৰকাৰে কাৰ্য্যকৰী ব্যৱস্থা হাতত লবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়, জানে।

(খ) উক্ত আৱৰ্ত্তভৱন নিৰ্মাণৰ কাম খৰতকীয়াকৈ হাতত লোৱা হ'ব।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া মাননীয় সদস্য গৰাকীৰ প্ৰশ্নটোৰ ক্ষেত্ৰত মই অলপ বহলাই কৰ খুজিছো— অহা বিত্তীয় বছৰত সাধাৰণ প্ৰশাসন ৰিভাগৰ অধীনত পাব্লিক ওৱৰ্কচ্ খণ্ডত জিলা আৰু মহকুমা সমূহত আৱৰ্ত্ত ভৱনৰ বাবে ২২৯ লাখ টকা ধাৰ্য্য কৰা হৈছে। ঢকুৱাখানা মহকুমাটো যিহেতু এটা নতুন মহকুমা, ইয়াত এটা আবৰ্ত্তভৱন নিৰ্মাণৰ বাবে অষ্টম পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা হৈছে। অহা ১৯৯২-৯৩ চনৰ বাৰ্ষিক পৰিকল্পনাত উক্ত আৱৰ্ত্ত ভৱনটো নিৰ্মাণৰ বাবে প্ৰাক্কলন বিচৰাৰ ব্যৱস্থা লোৱা হব।

* Speech not corrected.

* শ্ৰীবিনোদ গোৱালা : অধ্যক্ষ মহোদয়, ধনশিৰি মহকুমাটোও এটা নতুন মহকুমা। ইয়াত আৱৰ্ত্ত ভৱন নাই। অহা বিত্তীয় বছৰত ইয়াত এটা আৱৰ্ত্ত ভৱন নির্মানৰ কাৰণে ব্যৱস্থা হাতত লব নে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, মই ইতিমধ্যে কৈছোৱেই অহা বিত্তীয় বছৰত এই শিতানত ২২৯ লাখ টকা ধৰা হৈছে। গতিকে এই টকাৰেই পাৰ্য্যমানে ব্যৱস্থা লোৱা হব।

Mr. Speaker : Starred Question No. 83.

বিষয় : মৃত্যুৰ তদন্ত সম্পৰ্কে আবেদন।

ডা: কমলা কলিতায়ে সুধিছে :

*৮৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বকো থানাৰ অন্তৰ্গত ৰীৰপাৰা গাওঁৰ শ্ৰীসত্য দাসৰ মৃত্যু সম্পৰ্কে তেওঁৰ মাতৃ শ্ৰীমতী ভাৰতী দাসে দিয়া আবেদনৰ ওপৰত ছয়গাওঁ সমষ্টিৰ বিধায়কে ২৫-১১-৯১ ইং তাৰিখে দিয়া চিঠি নং MLA/CH/CM/ 16-ৰ ওপৰত চৰকাৰে কি ব্যৱস্থা লৈছে ?

(খ) এই সম্পৰ্কে দিশপুৰ পুলিচ থানাত গোচৰ দিয়াৰ পিচতো পুলিচ বিভাগৰ পৰা উপযুক্ত ব্যৱস্থা নোলোৱাটো সচাঁনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) প্ৰশ্নত উল্লেখিত চিঠি পোৱা নাই।

(খ) সঁচা নহয়।

ডা: কমলা কলিতা : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে মোৰ চিঠিখন হেনো পোৱা নাই। এই কথাটোত আচৰিত হৈছো এই কাৰণেই চিঠিখন মই নিজে তেখেতৰ প্ৰাইভেট চেক্ৰেটেৰীৰ হাতত দি আহিছো। তেখেতে যদি পোৱা নাই তেনেহলে কেনেকৈ দিলে পাৰ সেইটো তেখেতে জনাব নেকি ? এই বিষয়টো ৰৰ গুৰুত্বপুৰ্ণ। এগৰাকী মহিলাৰ একমাত্ৰ পুত্ৰ জনক হত্যা কৰা হৈছে। অসমৰ প্ৰায় সকলোবোৰ বাতৰি কাকততে এই ঘটনাটো প্ৰকাশ পাইছে আৰু গোটেই তথ্য সহকাৰে আবেদন জনোৱা হৈছিল। সেই মাতৃ গৰাকী এতিয়া পাগলী হৈ ৰাস্তাত ঘুৰি ফুৰিছে। এই ঘটনাটো সংক্ৰান্তত

* Speech not corrected.

দিশপুৰ আৰক্ষী থানাত ৪।৯১, ৩০২ আই, পি, চিত এটা গোচৰ তৰা হৈছিল যাতে উক্ত ষড়যন্ত্ৰত লিপ্ত ব্যক্তিক বিচাৰি উলিয়াব পাৰে। এইটো এটা ফৌজদাৰী কেচ হোৱাৰ পিচতো বিষয়টো তদন্তৰ কোনো ব্যৱস্থা নোলোৱাৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ক এই চিঠিখন দিয়া হৈছিল। কিন্তু তেখেতে সেইখন পোৱা নাই বুলি কৈছে। গতিকে ঘটনাটো তদন্ত কৰাৰ ব্যৱস্থা কৰিব লাগে।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ঘটনাটো তদন্ত কৰা নাই বুলি যিটো অভিযোগ উত্থাপন কৰিছে প্ৰকৃততে সেইটো নহয়। ঘটনাটো হৈছে বকো আৰক্ষী চকীৰ অন্তৰ্গত বীৰপাৰা গাঁওৰ শ্ৰীমতী আৰতী দাসৰ পুত্ৰক ২৫।৬।৯১ তাৰিখে দিশপুৰ আৰক্ষী চকীৰ অন্তৰ্গত জাপৰী-গোগত কোনোবাই হত্যা কৰি গাড়ীৰ ভিতৰত ভৰাই থোৱা বুলি অভিযোগ পোৱা যায়। এই অভিযোগ মৰ্মে আই, পি, চি, ৩০২ৰ অধীনত দিশপুৰ আৰক্ষী চকীত এটা গোচৰ ৰুজু কৰা হয়। ঘটনাত নিহত শ্ৰীসত্য দাস চিটি বাছৰ হেণ্ডিমেন আছিল আৰু গাড়ীৰ ভিতৰতে ৰাতি শুইছিল। ঘটনাৰ দিনাও তেওঁ গাড়ীৰ ভিতৰতে শুই আছিল। এই ঘটনাটো সংক্ৰান্তত জোৰ তদন্ত চলি আছে। গতিকে তদন্ত শেষ হলে মাননীয় সদস্য গৰাকীক এই বিষয়ত পিচত জনাব পাৰিম।

* ডাঃ কমলা কলিতা : অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰত মহিলা গৰাকীৰ নাম আৰতি দাস বুলি কৈছে। কিন্তু তেখেতৰ নাম ভাৰতী দাসহে। এই বিষয়টোত সোনকালে ব্যৱস্থা ললে ভাল হয়।

Mr. Speaker : Now starred Question No. 84.

**বিষয়ঃ ৰাইনো অপাৰেচনৰ সময়ত সেনা বাহিনীৰ নামত খৰছ।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা।
শ্ৰীভৃগু কুমাৰ ফুকন, যতীন মালি।
শ্ৰীহিতেশ্বৰ ডেকা, প্ৰমোদ গগৈ। } য়ে সুধিছে :

* ৮৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰাইনো অপাৰেচনৰ আৰম্ভণিৰ পৰা বৰ্ত্তমানলৈ সেনা বাহিনীৰ নামত কিমান লাখ টকা খৰছ হ'ল ?

* Speech not corrected.

(খ) এই সময়ছোৱাত সেনা বাহিনীৰ হাতত নিহত, আহত আৰু ধৰ্ষণ কিমান হ'ল।

(গ) নিহত, আহত আৰু ধৰ্ষনৰ পৰিয়াল বৰ্গ লৈ চৰকাৰে আৰ্থিক সাহায্য আগবঢ়াইছে নে ?

(ঘ) এনে কিমান পৰিয়ালক আৰ্থিক সাহায্য আগবঢ়াইছে আৰু কিমান টকা খৰচ হ'ল ?

(আৰ্থিক সাহায্য আগবঢ়োৱা পৰিয়ালৰ তালিকা এখন সদনৰ মেজত দাখিল কৰিব।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ৰাইনো অপাৰেচনৰ আৰম্ভনীৰ পৰা এতিয়ালৈ অৰ্থাৎ ২৯।২।৯২ ইং তাৰিখলৈ সেনা বাহিনীৰ নামত অসম চৰকাৰৰ অনুমানিক এক কোটি পয়সত্তৰ লাখ টকা খৰছ হৈছে।

(খ) অপাৰেচন ৰাইনো'ৰ সময়ছোৱাত সেনা বাহিনীৰ হাতত নিহত হোৱা লোকৰ সংখ্যা ২৯ জন, আহতৰ সংখ্যা ১০ জন আৰু ধৰ্ষণৰ অভিযোগ- ১১টা

(গ) আৰু (ঘ) সেনা বাহিনীৰ হাতত নিহত, আহত লোক সকল যিহেতু বিভিন্ন গোচৰত অভিযুক্ত, সাহায্য দিয়াৰ প্ৰশ্ন নুঠে। ধৰ্ষণৰ ক্ষেত্ৰত তলত দিয়া অভিযোগ প্ৰমানিত হোৱাত এই ধৰণে সাহায্য দিয়া হৈছে।

১। শ্ৰীমতী বাজু বৰুৱা— ১ লাখ।

২। শ্ৰীমতী দিপালী ৰায়— ৫০০০'০০ (পাচ হাজাৰ)

৩। শ্ৰীমতী জ্যোতি কোঁৱৰ— ১৫০০'০০ (এক হাজাৰ পাচশ) টকা।

শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা : মাননীয় অধ্যক্ষ মহোদয়, ৰাইনো অপৰেশ্বনৰ নামত এক কোটি পয়সত্তৰ লাখ টকা খৰচ হোৱা বুলি কৈছে। এই টকা কেন্দ্ৰীয় চৰকাৰে বহন কৰিব নে ৰাজ্য চৰকাৰে বহন কৰিব ? ৰাজ্য চৰকাৰৰ পুঁজিৰ পৰা যদি এই টকা খৰছ হয়, তেনেহলে এই টকা কোন শিতানৰ পৰা দিয়া হব ? আকৌ ধৰ্ষনৰ অভিযোগ পোৱা নাই বুলি কৈছে কিন্তু ৰাজু বৰুৱা ধৰ্ষণ হোৱা বুলি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাতৰি কাকত যোগে ইতিমধ্যে স্বীকাৰ কৰিছে। গতিকে কি ভিত্তিত ধৰ্ষণৰ অভিযোগ পোৱা নাই বুলি কৈছে, এই কথাটোৰ এটা সদুত্তৰ মই বিচাৰিছো। যিহেতু সৈন্য বাহিনী মাননীয় মুখ্যমন্ত্ৰী

মহোদয়ৰ আমন্ত্ৰণ ক্ৰমে আহিছিল, সৈন্য বাহিনী অনাৰ সম্পূৰ্ণ দায়িত্ব মুখ্যমন্ত্ৰী মহোদয়ৰ আৰু মুখ্যমন্ত্ৰী মহোদয়ে সেনা বাহিনীৰ সম্পূৰ্ণ দায়িত্ব লম বুলিও ঘোষণা কৰিছিল। ইতিমধ্যে সৈন্য বাহিনীৰ কবলত নিহত, আহত আৰু যি সকল ধৰ্ষিতা হৈছে, এই সকলোবোৰ ঘটনাৰ দায়িত্ব মুখ্যমন্ত্ৰী মহোদয়ে মুৰ পাতি লৈ পদত্যাগ কৰিব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, ধৰ্ষণৰ অভিযোগ ১১টা পাইছো। ইয়াৰে ৭টাৰ ৰিপোৰ্ট আহিছে, তাৰ ভিতৰত দুটাৰ প্ৰমাণ পাইছো আৰু বাকী পাচটা প্ৰমাণিত হোৱা নাই। অসত্য বুলি প্ৰমাণ হৈছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা ১১ কোটি টকা পোৱা হৈছে, তাৰ পৰা এড্‌যাষ্ট কৰা হব।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা : মাননীয় অধ্যক্ষ মহোদয়, যিহেতু মুখ্যমন্ত্ৰী মহোদয়ে মূৰ পাতি লম বুলি কৈছিল, এতিয়া তেখেতে পদত্যাগ কৰিব নে নাই সেইটো জনাব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, মই দায়িত্ব লৈছিলো। এইটো পদত্যাগৰ কাৰণ হব নোৱাৰে।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ধৰ্ষনৰ কেচ ১১টা পোৱা বুলি কৈছে। এই ক্ষেত্ৰত যি সকল বলি হ'ল, তেওঁলোকক পুনৰ সংস্থাপনৰ ব্যৱস্থা লব নে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, ১১টাৰ ভিতৰত ৭টাৰ ৰিপোৰ্ট আহিছে। ইয়াৰ ভিতৰত ৫টা অসত্য বুলি কৈছে আৰু ২টা প্ৰমাণিত হৈছে। ৰিপোৰ্ট আহিলে আমি ব্যৱস্থা কৰিম।

শ্ৰীনজমূল হক : মাননীয় অধ্যক্ষ মহোদয়, নাৰী ধৰ্ষনৰ ক্ষেত্ৰত যি ৫ হাজাৰ টকা দিয়া হৈছে, সেই টকাৰে নাৰীৰ সতীত্ব নিৰূপন কৰিব নোৱাৰি। এই ক্ষেত্ৰত চৰকাৰে আন কিবা ব্যৱস্থা লবনে মুখ্যমন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, নাৰীৰ সতীত্ব টকাৰে নিৰুপন কৰিব নোৱাৰি, যি কেইটা গোচৰ অভিযুক্ত বুলি প্ৰমাণিত হৈছে, তেওঁলোকক সংস্থাপনৰ বাবেহে টকা দিয়া হয়।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ধৰ্ষণৰ দুটা কেচ প্ৰমাণিত হোৱা বুলি কৈছে। তেওঁলোকক কি ধৰণে সাহায্য দিয়া হৈছে আৰু এই ক্ষেত্ৰত চৰকাৰৰ কিবা আইন আছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, এই ক্ষেত্ৰত ৰাজ্যুৰকুৱাক এক লাখ টকা দিয়া হয়। এনেকুৱা ধৰণৰ কোনো আইন নাই যদিও এই ক্ষেত্ৰত ব্যৱস্থা লোৱা হৈছে।

শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, ৰাইনো অপাৰেচনৰ নামত মোতামতি কিমান নিহত, আহত আৰু ধৰ্ষিতা হৈছে মই জানিব পাৰোনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া, এই হিচাৰ দিয়া হৈছে।

* শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এক কোটি পয়সত্তৰ লাখ টকা খৰচ হোৱা বুলি কৈছে। অসমৰ ৰাইজে ৰাইনো অপাৰেশ্বন বিচৰা নাছিল, সেয়ে চৰকাৰে এই টকা ৰহন কৰিব নিবিচাৰে। গতিকে এই টকা কংগ্ৰেছ দল বা সমৰ্থকে বহন কৰিব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া যি টকা খৰচ হৈছে তাক কেন্দ্ৰীয় চৰকাৰে দিছে।

Mr. Speaker : Now starred Question No. 85.

### Re : **Back log in Secretariat.**

Shri Kamal Brahma asked :

* 85. Will the Chief Minister be pleased to State :

(a) What is the back-log of ST/SC in the Civil Secretariat of the State till date ?

(b) How this back-log will be fulfilled ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) The back-log of ST/SC in the Civil Secretariat of the State till date is as follows :

| | | |
|---|---|---|
| ST | = | 273 |
| SC | = | 109 |

( including all grades ).

* Speech not corrected.

(b) The back-log will be filled up by special recruitment in respect of posts recruited directly through advertisement and by promotion in respect of promotion post subject to availability of suitable person within the Zone of consideration.

* শ্ৰীকমল ব্ৰহ্ম : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে জনাব নেকি যে অসম সচিবালয়ত বৰ্ত্তমান কিমান এচ, টি কৰ্ম্মচাৰীয়ে কাম কৰি আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া কাম কৰাৰ বিষয়ে ইয়াত সোধা নাই। ইয়াত কাম নকৰাৰ হিচাবটোহে আছে।

* শ্ৰীকমল ব্ৰহ্ম : মাননীয় অধ্যক্ষ মহোদয় মোক সেই হিচাবটো দিব লাগে।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, সেই হিচাবটো পিচত দিম।

* শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয় মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাবনেকি, কিয় এতিয়াও বেক লগ পুৰণ কৰা নাই আৰু হিলচ ট্ৰাইবৰ কিমান পুৰণ কৰিবলৈ বাকী আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইটো হিচাবো মই পিচত দিম।

* শ্ৰীহলিৰাম টেৰাং : মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে কৈছে ৫০ হেজাৰক চাকৰী দিয়া হব। তেওঁলোকে কৈছে ৫ বছৰত ২ লাখ চাকৰী দিয়া হব। এই নতুন চাকৰীৰ ব্যৱস্থা কৰিলে তেতিয়া বেক লগ পুৰণ কৰা হবনে নহয়। আৰু এইটো কেতিয়াৰ ভিতৰত কৰা হব।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া আটাই বিলাক এচ, চি, এচ, টিৰ বেক লগ এই বছৰৰ ভিতৰতে পুৰণ কৰা হব।

* শ্ৰীনজমূল হক : মাননীয় অধ্যক্ষ মহোদয়, এচ, টিৰ বেক লগ থকাৰ দৰে অন্যান্য সংখ্যা লঘু লোক সকলৰ বাবেও বেক লগ পুৰণ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

---

* Speech not corrected.

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া এচ টি, এচ চি আৰু ও বি চি এই বিলাকৰ ক্ষেত্ৰত হে কৰা হৈছে সংখ্যালঘুৰ ক্ষেত্ৰত নকৰে।

শ্ৰীভৰত নৰহ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বেক লগ পুৰণ কৰা হব বুলি কৈছে। কিন্তু এই বেক লগ বিলাক পুৰণ কৰিবৰ কাৰণে চৰকাৰে কিবা স্পেচিয়েল ৰিকুইটমেণ্টৰ ব্যৱস্থা কৰিব নেকি ? মাননীয় মন্ত্ৰী মহোদয়ে অসম সচিবালয়ত যি খিনি পদ খালী আছে তাক পুৰণ কৰাৰ ওপৰিও অন্যান্য বিভাগত তেনেকৈ স্পেচিয়েল পৰীক্ষা পাতি পুৰণ কৰা হব নেকি ? আৰু এই স্পেচিয়েল ৰিকুইটমেণ্টৰ ব্যৱস্থা কেতিয়া কৰা হব, এই বছৰতে মে জুন জুলাই কেতিয়া কোন মাহত কৰিব জনাব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, শ্ৰীভৰত নৰহ ডাঙৰীয়াই যিটো কৈছে সেইটো আগৰ মুখ্যমন্ত্ৰীয়ে কৰিছে নে কৰা নাই কব নোৱাৰো। মোৰ ফাগুৰ পৰা এই বছৰতে ঘোষণা কৰা হব।

* শ্ৰীনিজামুদ্দিন খান ; মাননীয় অধ্যক্ষ মহোদয়, এচ টি, অ বি চিৰ কাৰণে যথেষ্ট কৰা হব বুলি কৈছিল। আমি যি গম পাওঁ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে জনাবনেকি ১৯ নৱেম্বৰৰ ভিতৰত ৫৩ হেজাৰ চাকৰী দিম বুলি ঘোষণা কৰিছিল এই সম্পৰ্কে কি কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইটো পপোলেচন পেটাৰ্নত জিলা ভিত্তিত দিয়া হব। শতকৰা ২৪ ভাগ সেই মতে ধৰা হৈছে।

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, বেক লগৰ ক্ষেত্ৰত মই কবলৈ বিচাৰিছো যে ভাৰত চৰকাৰৰ পৰা ৰাজ্য চৰকাৰলৈ ইন্সট্ৰাকচন আহিছে যে কোনো প'ষ্ট ডি-ৰিজাৰভেচন কৰা নহয়। ভাৰত চৰকাৰৰ পৰা অহা চাৰ্কোলাৰৰ কথাটো সত্য নেকি ? এতিয়া ডি-ৰিজাৰভেচনৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ চাৰ্কোলাৰৰ মতে কাম কৰিব নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া তেনেকুৱা চাৰ্কোলাৰ আমি পোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ আদেশ আহিলে মানি লম।

---

* Speech not corrected.

Mr. Speaker: Starred Question No. 86.

(Starred Question No. 86 was not taken up as the Honourable questioner was absent. However the same deemed to have been disposed of.)

Re: **Activities of anti social elements.**

Shri Parimal Suklabaidya asked:

*86. Will the Chief Minister be pleased to state:

a) Whether Government is aware that leaders of religions minorities from Assam as well as from outside Assam are undertaking intensive tours in the minority areas for fomenting secessionist movement?

(b) Whether Government is aware that already 50 youths have been sent to Bangladesh for receiving armed training as well as training in guerilla warfare?

(c) What action the Government has taken in the context of the two news items published in this connection in the Sentinel, dated 31st January, 1992 and the Indian Express, dated 2nd February, 1992?

(d) Whether the Government is aware that the Head Quarter's of this organisation is located within the Dalgaon L.A. Constitutency and that already three persons including one Abdur Rahman of Village Barigaon have been arrested by the police in this connection and some incriminating documents have been recovered from them?

Shri Hiteswar Saikia (Chief Minister) replied:

(a) We have no information on this.

(b) State Government is not aware of any such matters.

(c) Does not arise.

(d) Nothing come to the notice of Government so far, But on suspicion police arrested two persons Viz (i) Abdur Rahman of Barigaon. (ii) Tozamil Haque of Gulandi in connection with Dalgaon P.s. case No. 26/92 U/S 153 (A) (B) IPC and they were released after interrogation.

Mr. Speaker : Now starred Question No 87.

**Re : Mineral survey.**

Shri Dipendra Rongpi, asked :

*87. Will the Minister-in Charge of Mines and Minerals be pleased to state :

(a) Whether any mineral survey has so far been done in Karbi Anglong and N. C. Hills district ?

(b) If so, the items identified and the quantity and quality thereof ?

(c) What is the Government's policy to exploit these resources ?

Shri Hiteswar Saikia (Chief Minister replied :

(a) Yes, Sir.

(b) List showing items identified, with relavant details of quality and quantity, is attached herewith.

(See the Annexure— I)

(c) It is the policy of the State Government. to exploit it's mineral resources in a scientific and environment fri-

endly manner for use in mineral based industries' both in the public and private Sectors, Towards this end, after exploration by the Directorate of Geology and Mining has established presence of minerals, prospecting and/or mining lease are granted to State Level Public Enterprises as well as private parties, as per provisions of Mines & Mineral (Regulation & Development) Act, 1957 and Mineral Concession Rules 1960.

As per above policy, Government have so far granted mining leases to eight private parties in Umrangshu, in N. C. Hills for mining of limestone with the objective of producing paper grade lime and Cement grade lime stone for use in Paper and Cement industry. A mining lease has also been granted to Assam Mineral Development Corporation in the same area for the same purpose. Further, some are is earmarked for grant of mining lease to Assam Industrial Development Corporation. Who propose to set up a 1 million tonne capacity Cement Plant in the Joint Sector.

Shri Holiram Terang : Sir, it is the policy of the Government to exploit its mineral resources in a scientific and environment friendly manner. But I am doubtful if Government is aware of the fact that the Bokajan cement plant is polluting the whole atmosphere there. Similarly, mining of limestone in Umrangshu is affecting the environment there. Does it not go beyond the policy to protect the environment ?

* Shri Hiteswar Saikia (Chief Minister) : There is no

---

* Speech not corrected.

report that it is affecting the environment of the area. around Umrangshu.

Shri Holiram Terang: CCI plant at Bokajan has been affecting the environment, but as I do no thave details of it, I shall not press for it. I would request the Government to look into the condition of the people before this kind of industries are set up. .

* Shri Hiteswar Saikia (Chief Minister): Sir, regarding the Bokajan Plant it is true that very fine dust from the plant is visible around it and there has been a report of pollution in that area. Regarding other matters I shall look into it..

Shri Holiram Terang: In Umrangshu a lot of people have been affected, who have not been given proper rehabilitation. Will the Government in future take this point into account as and when applications for such plants are received ?

* Shri Hiteswar Saikia (Chief Minister): Yes Sir.

* Shri Chandra Mohon Patowary: Is the Chief Minister aware that in the name of leasing stone quaries we are doing a gross misuse of granite stone in Assam? If so, what steps Government propose to take ?

* Shri Hiteswar Saikia (Chief Minister): I have no report like that. If that is true, steps will be taken.

(Starred Question No. 88 was deferred.)

মাননীয় অধ্যক্ষ: এতিয়া প্ৰশ্ন নং ৮৯।

বিষয়: চাকৰীয়ালৰ বাবে প্ৰশিক্ষণ।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে:

---

* Speech not corrected.

*৮৯ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) চৰকাৰী বিষয়াই প্ৰশিক্ষণৰ বাবে যাব লগা হলে তেওঁলোকৰ শতকৰা ত্ৰিশ ভাগ প্ৰশিক্ষা বানচ দিয়া কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ বিষয়ে চৰকাৰ অবগত নে ?

(খ) যি সকল বিষয়াই সম্পূৰ্ণ সময় প্ৰশিক্ষণত কটায় (whole time in training) তেওঁলোককহে উক্ত বানচ দিয়াতো চৰকাৰী নীতি হয় নেকি ?

(গ) যদি হয় তেন্তে অসম চৰকাৰৰ এনে কোনো বিষয়া আছে নেকি যি সম্পূৰ্ণভাবে অইন এটা চাকৰীত থাকি প্ৰশিক্ষণবো বানচ লৈ আছে ?

(ঘ) যদি আছে তেওঁলোকৰ নাম কি কি আৰু কেতিয়াৰ পৰা উক্ত দুয়োটা সুবিধা লাভ কৰি আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসম চৰকাৰৰ কোনো বিষয়াই প্ৰশিক্ষণৰ বাবে যাব লগা হলে তেখেতক সেই বাবে কোনো প্ৰশিক্ষণ বানচ দিয়াৰ ব্যৱস্থা ৰাজ্য চৰকাৰৰ নাই।

(খ) উপৰোক্ত (ক) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত (খ) (গ)
(গ)
(ঘ) আৰু (ঘ) ৰ প্ৰশ্ন নুঠে।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন (ক) ৰ সম্পৰ্কত কব বিচাৰিছো যে আমি কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ বিষয়েহে প্ৰশ্ন কৰিছিলো, ৰাজ্য চৰকাৰৰ নীতিৰ কথা ইয়াত নাছিল। কিন্তু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে প্ৰশ্নটোৰ পৰা ফালৰি কাটিহে উত্তৰটো দিছে।

কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আমি শুনিছো, দুজন অসমৰ চৰকাৰী বিষয়াই একেটা সময়তে দুটা পদত নিযুক্ত হৈ অতিৰিক্ত দৰমহা লৈ আছে, এই কথাটো সঁচানে আৰু তাৰে এজন অসমৰ মুখ্য সচিব। তেখেতে আজি দুবছৰ ধৰি ২৪০০ টকা অতিৰিক্ত দৰমহা লৈ আছে, এই কথাটো মুখ্যমন্ত্ৰী ডাঙৰীয়াই জানেনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, হয় জানো।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই কথাটো জনা স্বত্বেও ৰাজ্যৰ অৰ্থনৈতিক পৰিস্থিতিত বেয়াকৈ ব্যঘাট হোৱা স্বত্বেও কিয়

* Speech not corrected.

এই নীতি বহিভু্র্ত কাৰ্য্যটোৰ বিষয়ে চকু দিয়া নাই ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়টোত মাত দিবলৈ অসুবিধা হ'ব। কাৰণ আগৰ চৰকাৰৰ কেবিনেট সিদ্ধান্ত অনুসৰিহে এই কায্য কৰা হৈছিল।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, আগৰ কেবিনেটৰ সিদ্ধান্তটো ৰেক্টিফাই কৰি নতুন সিদ্ধান্ত লব নে ? আৰু নতুন সিদ্ধান্তৰ ৰিপৰ্ট হাউচক জনাবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আগৰ কেবিনেট খনৰ সিদ্ধান্ত যদি ৰেক্টিফাই কৰিব পাৰে আৰু সিদ্ধান্ত অনুসৰিহে নতুন কেবিনেটত—কথাটো প্লেচ কৰিব পৰা হ'ব। মই জনাত আগৰ চৰকাৰৰ দিনত এইটো এটা ভাল কাম হৈছে।

Mr. Speaker : Now starred Question No 90.

বিষয় : বজালী মহকুমাৰ সদৰ ঠাই।

শ্ৰীজয়নাথ শৰ্মাই সুধিছে।

* ৯০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মদন বৰ্মন আৰু ৰাউতা কোচ স্বাধীনতা যুজৰ দুজন প্ৰখ্যাত শ্বহীদ আছিল বুলি চৰকাৰে জানেনে ?

(খ) উক্ত স্বাধীনতা সংগ্ৰামী শ্বহীদ বীৰ দুজনৰ প্ৰতি শ্ৰদ্ধা জনাই ১৯৮৯ চনত গঠিত বজালী মহকুমাৰ সদৰ ঠাইৰ নাম "মদন ৰাউতা নগৰ' ৰখা হৈছিল নে ?

(গ) যি ঠাইত "মদন-ৰাউতা নগৰ" নামাকৰণ কৰি বজালী মহকুমাৰ সদৰ কাৰ্য্যালয় নিৰ্মান কৰাৰ সিদ্ধান্ত চূড়ান্ত ভাৱে লোৱা হৈছিল, সেই ঠাই-খিনি বিভাগীয় ভাবে চমজি লোৱা হৈছে নে ?

(ঘ) উক্ত ঠাইত ১৯৮৯ চনৰ পৰা গণৰাজ্য দিৱস আৰু স্বাধীনতা দিৱসত পতাকা উত্তোলন কৰা হৈছিলনে আৰু যোৱা গণৰাজ্য দিৱসত পতাকা উত্তোলনত চৰকাৰী ভাৱে বাধা দিয়া হয় নে ?

(ঙ) মদন-ৰাউতা নামৰ এই স্বাধীনতা সংগ্ৰামী দুজনৰ নামত বজালী মহকুমাৰ

* Speech not corrected.

সদৰ ঠাইৰ নাম ৰাখিবলৈ আৰু মহকুমাৰ সদৰ কাৰ্য্যালয়ৰ নিৰ্মাণৰ কাম সোনকালে আৰম্ভ কৰিবলৈ ব্যৱস্থা লবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয় জানে।

(খ) হয়, হৈছিল।

(গ) এতিয়াও হোৱা নাই।

(ঘ) ১৯৯০ চনৰ গণৰাজ্য দিৱস আৰু ১৯৯১ চনৰ স্বাধীনতা দিৱসত ৰাজহুৱা ভাৱে পতাকা উত্তোলন কৰা হৈছিল।

যোৱা গণৰাজ্য দিৱসত পতাকা উত্তোলনত চৰকাৰী ভাৱে বাধা দিয়া হোৱা নাছিল। যেহেতু বৰ্ত্তমান বজালী মহকুমাধিপতিৰ কাৰ্য্যালয় অস্থায়ী ভাৱে পাঠশালা চহৰত অৱস্থিত জল সিঞ্চন বিভাগৰ জিৰণী ঘৰত চলি আছে সেয়েহে ১৯৯২ চনৰ গণৰাজ্য দিৱস সমীপৱৰ্ত্তী বজালী উচ্চতৰ মাধ্যামিক বিদ্যালয়ৰ খেল পথাৰত উত্তোলন কৰা হৈছিল।

(ঙ) পৰীক্ষা কৰি থকা হৈছে।

শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, যি ঠাইত "মদন ৰাউতা নগৰ" নামাকৰণ কৰি বজালি মহকুমাৰ সদৰ কাৰ্য্যালয় নিৰ্ম্মাণৰ সিদ্ধান্ত চূড়ান্তভাৱে লোৱা স্বত্বেও আজিলৈকে সেই ঠাইখিনি বিভাগীয়ভাৱে চমজি লোৱা হোৱা নাই।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, ঠাই ডোখৰৰ পৰিৱেশটো টেনচনত আছিল। গতিকে আমি এই বিষয়ে পিচত সিদ্ধান্ত লোৱাৰ কথা ভাবিছো আৰু ইয়াৰ কাৰ্য্যকৰী ব্যৱস্থা লোৱাবো বিবেচনা কৰি আছো।

* শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মদন ৰাউতা নামৰ এই স্বাধীনতা সংগ্ৰামী তুজনৰ নামত বজালী মহকুমাৰ সদৰ ঠাইৰ নাম ৰাখিবলৈ লোৱা কথাটোত আগৰ কেবিনেটৰ সিদ্ধান্ত অনুসৰিয়ে থাকিবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যদিহে কোনেও আপত্তি নকৰে আগৰ সিদ্ধান্ত অনুসৰিয়ে হ'ব। আমি এই বিষয়ে এতিয়াও

---

* Speech not corrected.

একো ভৰা নাই। কিন্তু আপত্তি আহি আছে যদিও কোনো সিদ্ধান্ত কৰা হোৱা নাই।

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, যদিহে সিদ্ধান্ত নতুন কমিটিয়ে নামানে তেতিয়া কি ব্যৱস্থা লব ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈ কোনো সিদ্ধান্তৰ কথা ভবা নাই।

* শ্ৰীসুৰেন স্বৰ্গীয়াৰী : মাননীয় অধ্যক্ষ মহোদয়, মদন ৰাউতা নামৰ দুজন শ্বহীদ বীৰৰ নামৰ অনুসৰি নগৰৰ নামাকৰণৰ সিদ্ধান্ত লোৱাৰ বিপক্ষে এটা অভিযোগ আছে। গতিকে চৰকাৰৰ সিদ্ধান্ত অনুসৰি সেই ঠাইৰ পৰা অন্য ঠাইলৈ সদৰ কাৰ্য্যালয় যাব নেকি ? আৰু সেই ঠাইটো শ্বহীদ দুজনৰ নামেৰে নগৰখন নামাকৰণ হব নেকি ? মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তাৰ এটা স্পষ্টীকৰণ দিবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আগতেই কোৱা হৈছে যে এই সম্পৰ্কে আপত্তি আহি আছে যদিও আমি এতিয়ালৈকে কোনো কমিটি আদি পাতি সিদ্ধান্ত গ্ৰহণ কৰা নাই আৰু যদি কৰা হয় সেই ব্যৱস্থাৰ বিষয়ে পাচত জনোৱা হব।

* ডাঃ কৃষ্ণ কান্ত লহকৰ : মাননীয় অধ্যক্ষ মহোদয়, লেন এডভাইচাৰি কমিটিৰ ৰিপোৰ্ট মতে এই সদৰ কাৰ্য্যালয়ৰ কাৰণে এক লাখ দহ হাজাৰ টকা দিছিল। আজিলৈকে তাত কাম নহল কিয় ? এইটো সঁচানে ? এটা ডিভিজনত তিনিকোটি টকা নহলে কাৰ্য্য সম্পন্ন নহয়। যদি সচা হয় সেই তিনি কোটি টকা কিয় দিয়া হোৱা নাই ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, হয়, তিনি কোটি টকাৰ আৱশ্যক কিন্তু সিদ্ধান্ত নিশ্চিত নোহোৱা পৰ্য্যন্ত এই টকা দিয়াত বাধা আছে।

মাননীয় অধ্যক্ষ : এতিয়া প্ৰশ্ন নং ৯১।

বিষয় : বড়োলেণ্ডৰ ব্যৱস্থা গ্ৰহণ

শ্ৰীজীউৰাম বড়োয়ে সুধিছে :

---

* Speech not corrected.

*৯১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বড়োলেণ্ড গঠন সম্বন্ধে অসম চৰকাৰে নিজা ৰবীয়াকৈ কি কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) সেনাবাহিনীৰ দ্বাৰা নিৰ্য্যাতিত বড়োলোক সকলৰ এতিয়ালৈকে কিমান পৰিয়ালক কিমান পৰিমানকৈ পুনৰ সংস্থাপন দিয়া হৈছে আৰু কিমান জনক চৰকাৰী চাকৰীত নিয়োগ কৰা হ'ল ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ভাৰত চৰকাৰেহে বিহীত ব্যৱস্থা লব পাৰে।

(খ) এতিয়ালৈকে কোনো বড়োলোক সেনাবাহিনীৰ দ্বাৰা নিৰ্য্যাতিত হোৱাৰ খবৰ চৰকাৰৰ হাতত নাই।

* শ্ৰীজীউৰাম বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে সেনাৰাহিনীৰ দ্বাৰা কেইগৰাকীমান বড়ো গাভৰু নিৰ্য্যাতিত হৈছিল আৰু সেই গাভৰু কেইগৰাকীক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিলেনে ? আৰু যদি কৰিলে তেওঁলোকক কি কি সুবিধা দিয়া হ'ল ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয় হয় সেই কথা জানো, তিনি গৰাকী বড়ো গাভৰুক সেনাবাহিনীয়ে নিৰ্য্যাতন দিছিল আৰু তাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

* শ্ৰীভৰত নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয় ৩১ মাৰ্চটো পৰামৰ্শৰ বাবে প্ৰতিবেদন দাখিল কৰিছিল। বাতৰি কাকতত জানিবলৈ পাইছো কেন্দ্ৰীয় চৰকাৰে বিচাৰিলেও অসম চৰকাৰে ইয়াৰ প্ৰকৃত তথ্য দাখিল কৰিব নোৱাৰিলে। বড়োলেণ্ডৰ ৰিপৰ্ট দাখিল কৰিব নোৱাৰা কথাটো সঁচা নেকি ? আৰু অসম চৰকাৰে এই ক্ষেত্ৰত সহযোগ নাই দিয়া বুলি ওলোৱা বাতৰিটো সঁচা নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয় মই বাতৰি কাকতত দেখিছো আৰু ৩১ মাৰ্চটোৰেই মিমাংসাৰ বাবে লোৱা হৈছে।

* শ্ৰীভৃগু কুমাৰ ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ? বড়োলেণ্ডৰ ৰিপোৰ্ট কম সময়ৰ ভিতৰতে দাখিল

---

* Speech not corrected.

কৰাৰ সম্পৰ্কত বড়োলোক সকলৰ মাজত মনোমালিন্যৰ সৃষ্টি হৈছে বুলি বাতৰি কাগজত ওলোৱা কথাটোৰ সম্পৰ্কে মুখ্যমন্ত্ৰী মহোদয়ে জানেনে ? আৰু এই ৰিপোৰ্ট বিশেষজ্ঞ কমিটিৰ দ্বাৰা সম্পূৰ্ণ দাখিল কৰা হবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় বাতৰি আমি দেখিছো আৰু কথাটো জানিব পাৰিছো। গতিকে সেই কাৰণেই সময়সীমা বঢ়াই দি নিৰ্দিষ্ট সময়ত দাখিল কৰা হব আৰু কেন্দ্ৰীয় চৰকাৰক জনোৱা হব।

* শ্ৰীকৰেন্দ্ৰ বসুমতাৰী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে যে বড়ো সকলে এখন সুকীয়া ৰাজ্যৰ প্ৰস্তাব লৈছে আৰু এই সম্পৰ্কত মুখ্যমন্ত্ৰীয়ে কি সিদ্ধান্ত গ্ৰহণ কৰিছে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) . মাননীয় অধ্যক্ষ মহোদয়, এডভাইজাৰি কমিটি এখন চৰকাৰে গঠন কৰি দিছে। তাৰ বাহিৰে মই ইয়াৰ সম্পৰ্কে কোৱা নাই।

Mr. Speaker : Starred Question. No. 92.

বিষয় : অসামৰিক সেৱাৰ প্ৰাৰ্থী।

শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছে :

* ৯২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম অসামৰিক সেৱাৰ বাবে "অসম লোক সেৱা আয়োগে" বিগত বছৰত কিমান প্ৰাৰ্থী নিৰ্ব্বাচিত কৰিছে আৰু নিৰ্ব্বাচিত কৰা প্ৰাৰ্থী সকলৰ নিযুক্তি আজি পৰ্য্যন্ত কিয় হোৱা নাই ?

(খ) এই প্ৰাৰ্থী সকলৰ নিযুক্তি চৰকাৰে বন্ধ কৰি ৰখাটো সঁচা নেকি ?

(গ) যদি সঁচা, ইয়াৰ কাৰণ কি ?

(ঘ) এই প্ৰাৰ্থী সকলৰ নিযুক্তি কেতিয়া হব ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে।

(ক) অসম অসামৰিক সেৱাৰ বাবে অসম লোক সেৱা আয়োগে বিগত বছৰত মুঠ ১৮৯ জন প্ৰাৰ্থীৰ নাম অনুমোদন কৰিছে। প্ৰাৰ্থী সকলৰ নিযুক্তি চৰকাৰৰ বিবেচনাধীন হৈ আছে।

* Speech not corrected.

(খ) সঁচা নহয়।

(গ) প্ৰশ্ন নুঠে।

(ঘ) বিষয়টো চৰকাৰৰ ৰিবেচনাধীন হৈ আছে।

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, এ, পি, এচ, চি পৰীক্ষা পাছ কৰা চৰকাৰী বিষয়া সকলৰ প্ৰশিক্ষণ লবলৈ কোনো কোনো ঠাইত ব্যৱস্থা কৰিব পৰা নাই। সেই কাৰণে মই আশা কৰো যে অসমৰ লোক সেৱা আয়োগৰ ক্ষেত্ৰত যেন ৰাজনৈতিক হস্তক্ষেপ বন্ধ কৰে। ১৯৯১ চনৰ ৬ জুলাইত প্ৰকাশ কৰা তালিকা খনৰ মতে অনতিপলমে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, সকলো ৰিষয়াকে সুবিধা দিব পৰা নাযাব। আমি নিয়ম সংশোধন কৰিব লাগিব। লোক সেৱা আয়োগত যিসকল প্ৰাৰ্থীৰ বাচনি হৈছিল তেওঁলোকক সুবিধা দিয়াৰ কাৰণে বিবেচনা কৰি চোৱা হব।

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয়, অধ্যক্ষ মহোদয়, বৰ্ত্তমান তালিকাত প্ৰকাশ কৰা নাম বিলাক জন সংখ্যা গাঠনিত প্ৰকাশ কৰা হৈছে নে নাই ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, এইবিলাক তেনেকৈ হোৱা নাই। আমি আগৰবিলাককে দি আছো। ভৱিষ্যতে কৰাৰ কাৰণে মন দিয়া হব।

* শ্ৰীআল্লাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, অসম লোক সেৱা আয়োগত হাইস্কুলৰ কাৰণে বাচনিত নাম থকা কিছুমান শিক্ষকে বাম কৰি থকা সত্বেও তেওঁলোকক শিক্ষকৰ পদৰ পৰা আতৰাই তদৰ্থভিত্তিত নিযুক্তি দি আছে। চিলেকচনত উত্তীৰ্ণ হোৱাৰ পিচত নিযুক্তিৰ সময় উকলি গৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আশ্বাস দিব পাৰিব নেকি যে এই সকলৰ সময় সীমা কিমান দিনলৈ থাকিব ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ সেইটো উদ্দেশ্য নহয়। হাইস্কুলৰ কাৰণে ৭৫০০ কেনডিডেট আছিল। এখন কমিটিয়ে ৭ হেজাৰক হাইস্কুলৰ কাৰণে কেনেকৈ প্ৰাৰ্থীত্বৰ লিষ্ট কৰিলে কৰ নোৱাৰো। এই সকলৰ কাৰণে চাব লাগিব।

* Speech not corrected.

* শ্ৰীভৰত নৰহ : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে শিক্ষক নিৰ্ব্বাচন কৰা হৈছে। পি এ, পি, এচ, চি,ৰ পৰা এতিয়াও সঠিকভাৱে জানিব পৰা নাই।

Mr. Speaker : Starred Question No. 93.

বিষয় : বিজ্ঞাপনৰ নামত খৰচ।

শ্ৰীফনীভূষণ চৌধুৰীয়ে সুধিছে :

* ৯৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :
অসম চৰকাৰে ১৯৯১ চনৰ জুলাই মাহৰ পৰা বৰ্ত্তমানলৈকে বিজ্ঞাপনৰ নামত কিমান টকা খৰচ কৰা হৈছে? (বাতৰি কাকত আৰু অন্যান্য Advertising Agency সমূহৰ নামত তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) যে উত্তৰ দিছে :

জনসংযোগ বিভাগৰ হিচাবমতে ১০,২১,৮১৬ টকাৰ বিজ্ঞাপনৰ বিল আদায় দিয়া হৈছে।

(চৰকাৰৰ দ্বাৰা অনুমোদিত কাকতৰ তালিকা সদনৰ মেজত দাখিল কৰা হল)

(See the Annexure— II)

* শ্ৰীফণীভূষন চৌধুৰী : মাননীয় অধ্যক্ষ মহোদয়, জনসংযোগ বিভাগৰ হিচাবমতে ১০,২১,৮১৬ টকাৰ বিজ্ঞাপনৰ বিল আদায় দিয়া হৈছে বুলি কৈছে। কিন্তু কিমান টকা দিবলৈ বাকী আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অনুগ্ৰহ কৰি জনাবনে? বিজ্ঞাপনৰ নামত এজেণ্ট সবলক কিমান টকা দিবলৈ বাকী জনাবনে?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অসম চৰকাৰৰ কোনো নিৰ্দিষ্ট এজেণ্ট নাই। এতিয়ালৈকে প্ৰায় ১ কোটিমান টকা দিবলৈ বাকী আছে।

* শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয় অলপতে আমাৰ এটা পাৰ্টিক ১০ লাখ টকা দিছিল।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয় ১০ লাখ টকা দিয়া নাই।

---

* Speech not corrected.

* শ্ৰীফণীভূষণ চৌধুৰী : অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ১ কোটি টকা আদায় দিবলৈ বাকী আছে। কিন্তু স্পষ্ট ভাবে কব পৰা নাই।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : সদনৰ মেজত দাখিল কৰা হব।

* শ্ৰীদিলীপ শইকীয়া সোনোৱাল : এই বিজ্ঞাপনবিলাক দিয়াৰ কিবা নীতি নিয়ম আছে নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : নিয়ম আছে।

* শ্ৰীআলাউদ্দিন চৰকাৰ : অধ্যক্ষ মহোদয়, কেবল আসাম ট্ৰিবিউনকে দিব বিচাৰিছে অইনক দিব লগীয়া নাই নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : ৫ লাখ টকা দিয়া হৈছে।

(Starred Question No. 94 was not taken up as the Honourable Questioner's was not present. However the same deemed to have been disposed of.)

**Re : Verification of recruities.**

Shri Pramod Gogoi asked :

*94. Will the Chief Minister be pleased to state :

(a) Whether the Government have conducted verifications against the persons recruited in the Police Department during the A. G. P. Government ?

(b) If so, who conducted the verifications and criteria adopted in this respect ?

(c) What is the result of such verification ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Yes, During the Government under A. G. P. many persons were recruited in the Police Department without any verification.

---

* Speech not corrected.

(b) As per procedure character and antecedents are verified by the local Superintendent of Police and the Special Branch of Police Department to determine whether the candidates character and antecedents are satisfactory and to find out whether he is involved in antinational and criminal activities.

(c) In respect of 232 U.B.S.I. appointed by A.G.P. Government without verification of character and antecedents are being verified. Except in 27 cases whose verification is not complete all others are found satisfactory.

The A.G.P Government also recruited 254 constables in the 4th A.P.Bn. without verification. On verification character & antecedents of 18 persons were found not satisfactory.

Mr. Speaker : Now Starred Question No. 95.

বিষয়: আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া।

শ্ৰীনজমুল হকে সুধিছে :

*৯৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা জিলাৰ খৰমুজা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াজনে সেই অঞ্চলৰ তুখীয়া মানুহৰ ওপৰত কৰি থকা নিৰ্মম অত্যাচাৰৰ কথা চৰকাৰে জানেনে ?

(খ) যদি নেজানে বিভাগীয় বিষয়াৰ দ্বাৰা এই বিষয়ে তদন্ত কৰোৱাৰ ব্যৱস্থা কৰা হবনে ?

(গ) উক্ত পুলিচ বিষয়াজনক উক্ত আৰক্ষী থানাৰ পৰা ইতিমধ্যে কিমানবাৰ বদলি কৰা হৈছিল আৰু কিমানবাৰ উক্ত বদলিৰ আদেশ স্থগিত কৰা হৈছে ?

* Speech not corrected.

(ঘ) জন স্বাৰ্থৰ খাতিৰত উক্ত আৰক্ষী বিষয়াজনক অইন জিলালৈকে বদলি কৰাৰ নিৰ্দ্দেশ দিয়া হ'বনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) এনে তথ্য চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাই।

(খ) সদ্যহতে বিভাগীয় তদন্ত কৰাৰ কথা ভবা হোৱা নাই।

(গ) আৰু (ঘ) জনসেৱাৰ স্বাৰ্থত বিষয়াৰ বদলি কৰা হয় আৰু প্ৰয়োজন অনুসাৰে বদলিৰ আদেশ স্থগিত কৰা হয়।

* শ্ৰীনজমুল হক : মাননীয় অধ্যক্ষ মহোদয়, এজন বিষয়াৰ বিৰুদ্ধে ৫০০ জন লোকৰ চহী লৈ এখন দৰ্খাস্ত দাখিল কৰা হৈছিল যে সেই বিষয়া জনৰ দ্বাৰা ৰাইজৰ যথেষ্ট অপকাৰ হৈছে, সেই বিষয়ে মুখ্যমন্ত্ৰী মহোদয়ে কিবা তদন্ত কৰিছে নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : অধ্যক্ষ ডাঙৰীয়া যি জন লোকৰ বিৰুদ্ধে অভিযোগ অনা হৈছে সেইটো প্ৰমাণিত হোৱা নাই। প্ৰমাণ পালে ব্যৱস্থা লোৱা হব।

* শ্ৰীনজমুল হক : তেখেত সকলৰ এটা কাৰ্য্য কাল আছে কিন্তু যদি কিবা অভিযোগ পোৱা যায় আৰু সেইটো প্ৰমাণিত হলে বেলেগ ঠাইলৈ বদলি কৰা হয় নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : সাধাৰণতে ২।৩ বছৰৰ ভিতৰতে নিয়মানুসৰি বদলি কৰা হয়। মাননীয় বিধায়ক গৰাকীয়ে অভিযোগ কৰা মতে বিষয়টো বিবেচনা কৰা হৈছে। জন সেৱাৰ স্বাৰ্থত বিষয়াৰ বদলি কৰা হয় আৰু প্ৰয়োজন অনুসাৰে বদলিৰ আদেশ স্থগিত কৰা হয়।

* শ্ৰীআল্লাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, কিছুমান বিষয়াৰ বিৰুদ্ধে অনা অভিযোগ জনা স্বত্বেও প্ৰতিশ্ৰুতি দিয়ে যদিও কাৰ্য্যকৰী নকৰে। এই বিষয়ে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা লব নে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ ডাঙৰীয়া, অভিযোগ পালে নিশ্চয় ব্যৱস্থা লোৱা হব।

---

* Speech not corrected.

Mr. Speaker: Starred Question No. 96.

**Re: Police firing at kalapani grant.**

Shri Hali Ram Terrang asked:

*96. Will the Chief Minister be pleased to state:

(a) The number of persons killed and injured in the police firing at kalapani grant P. S. Bihali, Sonitpur on 26th January. 1992.

(b) The Policeman responsible for the firing and what is the cause of firing.

(c) The people present at the time of the incident apart from the policeman and the victims.

(d) What is the Government's plan to rehabilitate the victims and their relief.

(e) Is the Kalapani grant a disputed plot of land?

(f) If so, the relevant official records and date of history of the dispute may please be placed on the table of the house?

Shri Hiteswar Saikia (Chief Minister) replied:

(a) Seven persons injured and three persons killed in the firing.

(b) Police opened fire when a mob attacked a patrol party trying to stop illegal felling of trees.

(c) About 250 persons were present at the time of incidents.

(d) Deputy Commissioner has sanctioned Rs. 3000/- to the next of kin of the deceased person. As the persons killed and injured are not landless. Question of reha bilitation does not arise.

(e) and (f) Government have asked an Enquiry by the Commissioner, North Assam Division into the matter. Enquiry is proceeding.

Shri Haliram Terrang : The Chief Min ster has replied that the police opened firing when a mob attacked police patrol trying to stop illegal felling of trees. Was there any specific complaint from the Forest Department that some people felling trees illegally ?

* শ্রীহিতেশ্বৰ শইকীয়া (মূখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত নানা ধৰণৰ কথা ওলাই আছে সেই সম্পৰ্কে মই বহলাই কৰ বিচাৰিছো। উক্ত মাটিখিনি ৩৫৪ বিঘা ২ কঠা ১৭ লেচা সাধাৰণ চৰকাৰী মাটি। দাগ নং- ৬৩, গ্ৰাণ্ট নং- ৩৮.৬, কালাপানী ডিভিজন, মাজিকাজান টি-ষ্টেট। ১২।১২।৭৯ চনৰ আগতে উক্ত মাটিখিনিৰ পট্টা মাজুলী টি কোম্পানীৰ নামত এফ, এফ, এচ গ্ৰাণ্ট হিচাবে চলি আছে। পিচত লাহুৱাৰ ৰাজহ চক্ৰৰ সহকাৰী বন্দোৱস্তী বিষয়াই দিয়া অৰডাৰ মতে গোটেই মাটিখিনি 'খাচ' ঘোষণা কৰা হয় আৰু সেই মতে ৰেকৰ্ড সংশোধন কৰা হয়। কিন্তু আচলতে এই অৰ্ডাৰৰ পিচতো মাটি খিনি উক্ত চাহ কোম্পানীৰ দখলতহে আছিল আৰু এতিয়ালৈকে কেউকাষে ৰোৰ্ডাৰ এৰিয়া ফেন্সিং দিয়া আছে। কিছুদিন পিচত লাহুৱা সহকাৰী বন্দোৱস্তী বিষয়াই এটা এনক্ৰোচমেণ্ট কেচ উপায়ুক্তৰ অফিচলৈ পঠায় আৰু সেই মৰ্ম্মে উপায়ুক্তৰ ফালৰ পৰাও কেচ নং- ৭০-৮৭ ৰ নটিচ বাগিছাৰ মালিকলৈ পঠোৱা হয়। ইতিমধ্যে বাগিছাই উপায়ুক্তলৈ আপীল কৰে যে সমান কালিৰ অন্য এচোৱা মাটিৰ সালশলনিৰ চৰ্ত্তত তেওঁলোকক উক্ত জমিখিনি ৰাখিব দিব লাগে। সালশলনিৰ এটা প্ৰস্তাৱও উপায়ুক্তলৈ পঠোৱা হৈছিল। বি, আৰ, এফ ।৫৫৩ তাৰিখ ২১-২-৯০'। উপায়ুক্তই বিশ্বনাথ চাৰি আলিৰ মহকুমাধিপতিক জনালে এই বিষয়ত চৰকাৰেহে সিদ্ধান্ত লব পাৰিব। ইতিমধ্যে বাগান কৰ্ত্তৃপক্ষই বিবাদী মাটিৰ ক্ষেত্ৰত চাণ্ডু মুণ্ডা আৰু অন্যান্য সকলৰ বিৰুদ্ধে চি, আৰ, পি চিৰ ১৪৫ ধাৰা মতে নং ৩৪।৮৯ গোচৰ তৰে। বিশ্বনাথ চাৰি আলিৰ মহকুমাৰ এক্সিকিউটিভ মেজিষ্ট্ৰেট শ্ৰীএইচ দাসে ২০-১২-৯১ তাৰিখে এই সম্পৰ্কত চুড়ান্ত আদেশ দিয়ে আৰু ইয়াৰ ফলত মাটি খিনিৰ দখল বাগিছা কৰ্ত্তৃপক্ষই

* Speech not corrected.

পাব বুলি কোৱা হয়। কিন্তু চাগুমুণ্ডা আৰু অন্যান্য সকলে শোনিতপুৰ জিলাৰ চেচন জাৰ্জৰ আদালতত 'ৰেমিশ্যন পিটিশ্যন দাখিল কৰে। আদালতে আগৰ আদেশৰ কাৰ্য্যকৰীকৰণ স্থগিত কৰি স্থিতাৱস্থা বাহাল ৰাখিবলৈ দুয়োপক্ষকে নিৰ্দ্দেশ দিয়ে। ইতিমধ্যে বাগিছা কৰ্তৃপক্ষই যোৱা ১১ চেপ্তেম্বৰ তাৰিখে তেওঁ-লোকৰ এল, জে, প্ৰোপোজেল বিবেচনা কৰিবলৈ বাইজৰ ৰাজহ মন্ত্ৰীৰ ওচৰত আবেদন দাখিল কৰে। বিষয়টো এতিয়া অনুসন্ধান কৰি থকা হৈছে। শোনিতপুৰ চেচোন কোৰ্টৰ স্থিতাৱস্থা ৰখাৰ নিৰ্দ্দেশ দিছিল যদিও ২য় পক্ষই অন্যান্য বেদখলকাৰী আৰু দুবৃত্ত সহ বিবাদ মাটি খিনিত পুৰ্ব্বপৰিকল্পিত ভাবে আকৌ বেদখল আৰম্ভ কৰে আৰু তাত থকা মূল্যবান গছ-গছনিয়ো কাটি পেলায়। মন কৰিবলগীয়া যে বিবাদী মাটি খিনিত কেইবিধমান বিৰল জাতৰ গছৰ উপ-ৰিও বহুতো ডাঙৰ ডাঙৰ গছ আছে। বাগিছা কৰ্তৃপক্ষই এই বিৰল জাতৰ গছ বিলাকৰ যাবেই তাৰ হাবি অংশৰ আবদাল কৰিছিল। বাগিছা কৰ্তৃপক্ষই সেনাবাহিনী নিয়োগ কৰি আদালতৰ আদেশটো কাৰ্য্যকৰী কৰিবলৈ উপাযুক্ত আৰু এচ, পিক লগ ধৰে। এচ, পিয়ে এটা সশস্ত্ৰ গৃহৰক্ষী দল মিজিকাজান বাগিছাৰ কালাপানী ডিভিজনত নিয়োগ কৰে।

Shri Haliram Terrang : Sir, previous answer to the last two questions, Chief Minister said that enquiry is going on and he has admitted that the land is a disputed land. Now point is that when land is a disputed one, so this question of firing for illegally felling of trees does not arise. So if there is any complaint the complaint should come from the Forest Department and that is why I am asking that if there is any complaint from the Forest Department ?

* Shri Hiteswar Saikia (Chief Minister) : Both the parties have been asked not to enter into the land, but the people had encreased upon the land.

Shri Haliram Terrang : Sir, land is disputed, even

then Government has given the land to a Tea Company i. e. Mcneil & Magor.

* Shri Hiteswar Saikia (Chief Minister): Actually the tea garden has planted tea thereon. They want some other place. The matter is still uhder consideration.

* শ্ৰীহলিৰাম টেৰাং: অধ্যক্ষ মহোদয়, মেগনল এণ্ড মেগৰ কোম্পানীৰ পৰা চৰকাৰলৈ আপীল আহিছিল আৰু সেই মৰ্ম্মে তেতিয়াহলে কিয় পুলিচ ফোৰ্চ পঠোৱা হৈছিল ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয়, আপীলৰ কথা নহয় তাত গছ কাটি থকা সকলোয়ে দেখিছে পুলিছে দেখিলে আৰু সেইকাৰণেই তালৈ পুলিচ গৈছিল।

* শ্ৰীজয়নাথ শৰ্ম্মা: যদি সেই অঞ্চলটো বিবাদমান অঞ্চল হয় তেতিয়া-হলে বাগান কৰ্তৃপক্ষ্যৰ লগত কিয় আলোচনা কৰা হৈছে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): কথাটো সেইটো নহয়, প্ৰকৃততে সেই মাটিখিনি ৰাগানৰ দখলত আছিল তেখেত সকলে সেইমাটি খিনিৰ ঠাইত একে মাটি কালিৰ মাটি অইন ঠাইত বিচাৰিছে।

* শ্ৰীজয়নাথ শৰ্মা: চৰকাৰে জানে তাত কোনো ডিচপিউট হব নোৱাৰে, গতিকে মাটিখিনি তাৰ স্থানীয় মানুহ খিনিক দিব লাগে। কোম্পানীৰ পৰা দাবী আহিছে কাৰণেই পুলিচ পঠোৱা হৈছে নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): কথাটো সেইটো নহয়, মাটিখিনি ৰাগান কৰ্তৃপক্ষৰ দখলত আছে তেখেত সকলে সমপৰিমানৰ মাটি বেলেগ ঠাইত ৰিচাৰিছে।

* শ্ৰীজয়নাথ শৰ্মা: অধ্যক্ষ মহোদয়, তাত ১৪৪ ধাৰা নিৰ্দ্দেশ জাৰি কৰি কোনো মানুহ সোমাব নোৱাৰা ব্যৱস্থা কিয় কৰা হোৱা নাই ?

* শ্ৰীহিতেশ্বৰ শইকীয়া: অধ্যক্ষ মহোদয়, সেই ব্যৱস্থা তাত ৰাহাল আছে।

* শ্ৰীহলিৰাম টেৰাং: যদি তাত ১৪৪ ধাৰা চলি আছে তেনে স্থলত সেই মানুহ কেইজন তাত কেনেকৈ সোমাব পাৰিলে ?

* Speech not corrected.

মাননীয় অধ্যক্ষ : কুৱেশ্যন আওৱাৰ ইজ অভাৰ।

(Starred Question No 97, 99 and 100 could not be taken up as the question Hour was over. However the replied deemed to have been laid as follows :)

Municipalities Election.

Shri Rameswar Dhanowar asked.

*97. Will the Minister of Municipal Administration be pleased to State :

(a) Whether the Government has issued notification to the Municipalities and Town Committees to arrange for holding election in April as announced earlier ?

(b) Whether the Government is considering to upgrade the existing T. Cs and Municipalities on the basis of 1991 census ?

Shri Devananda Konwar (Minister) replied :

(a) Deputy Commissioners and Sub-Divisional officers have been advised to draw up programmes for holding elections to Municipal Boards and Town Committees in their jurisdiction so that the elections can be held on 14th or 15th May, 1992.

(b) No policy decision for upgrading Town Committees, etc. into Municipal Boards on the basis of 1991 Census has been taken. However, proposals for upgradation of Town Committees into Municipal Boards are considered by Government on the basis of recommendations from the concerned Deputy Commissioners and tsking into account various factors, including standard of services required, financial viability, prospect of growth, increase of population, etc.

Re : **Police firing at kabuganj.**

Shri Samarendra Sen asked :

* 98. Will the Chief Minister be pleased to state :

(a) What is the reason for police firing at Kabugānj in Cachar District on 12/2/92.

(b) Is it a fact that Mizoram Chamber of Commerce served quit notices on all non-Mizo businessman prior to the said incident ?

(c) Is it a fact that it is a perennial issue, since a long time ?

(d) If so, what step/measure Government is taking to solve the problemes ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) A convoy carrying essential Commodities to Mizoram under police escort was obstructed at Kabuganj on 12/2/92. people pelted stones, damaged vehicles and wanted to set fire when police opened fire.

(b) Does not arise as the matter relates to Mizoram Government.

(c) Yes.

(d) State Government is taking initiative to discuss and sort out problems with Mizoram Government.

Re : **Functions of Printing and Stationery Department.**

Shri Giasuddin Ahmed asked :

* 99. Will the Minister of Printing and Stationery be pleased to state.

(a) The Functions of the Department of Printing and Stationery ?

(b) Whether the department is responsible for the job of Printing and Supply of Stationery for all the Departments of Government ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) The functions of printing and Stationery Department are as follows :

(1) Printing and supply of schedule and Non-schedule Forms to all Government Departments Offices in the State.

(2) Procurement and distribution of all stationery Articles to all Government Departments Offices in the State.

(3) Registration of Private Presses.

(4) Approval of brand and rates of various office equipments.

(5) Supply of Assam Gazette and Publication of Notification of all Government Departments in the Assam Gazette.

(6) Payment of Advertisement bills relating to Printing and Stationery Department.

(7) Purchase of Machinery for Government Press.

(8) Supply of Diary/Calender/Engagement pads to all Government Departments/Offices.

(b) Yes.

বিষয়ঃ ১৯৮৫ চনৰ ছাত্ৰ সন্থাৰ ওপৰত থকা গোচৰ ।

শ্ৰীচন্দন কুমাৰ চৰকাৰে সুধিছে ঃ

* ১০০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৮৫ চনত অসম গণ পৰিষদ চৰকাৰ গঠন হৈ ছাত্ৰ সন্থাৰ ছাত্ৰ সকলৰ ওপৰত থকা সৰ্ব্বমুঠ কিমানটা গোচৰ আদালতৰ পৰা উঠাই লোৱা হৈছে ?

(খ) ১৯৮৩ চনৰ নিৰ্ব্বাচনৰ সময়ত হোৱা গন্দগোলৰ পুলিচ কেছ সমূহ আদালতৰ পৰা ৰেহাই দিয়াৰ কিবা প্ৰস্তাৱ চৰকাৰৰ ওচৰত আছে নেকি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) সৰ্ব্বমুঠ ৩৮৫৬ টা গোচৰ ।

(খ) নাই ।

Honourable Speaker : Now the Question Hour is over. I call upon Honourable Member Shri Kamal Brahma to ask the Short Notice Question No. 1.

Short Notice Questions and Answers.

Re : **Gossaigaon Civil Hospital.**

Shri Kamal Brahma asked :

1. Will the Minister, Health be pleased to state :

(a) Whether it is a fact that the Gossaigaon Civil Hospital is on the brink of closure due to non-availability of doctors and others staff ?

(d) If so, what measures have been taken to remove this state of affairs ?

শ্ৰীগৌতম বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এইটো সত্য নহয় ।

(খ) প্ৰশ্ন নুঠে ।

Shri Parameswar Brahma : Honourable Speaker Sir, I know that there are provisions for 24 doctors and other staffs nurses in Gossaigaon Civil Hospital. But at present only 3 Doctors and 3 nurses are working in this hospital which has accommodation for 100 beds and is situated in a thickly populated tribal area. Now with these meagre 3 doctors and 3 nurses it is impossible to run this Civil Hospital. Now the question is that with full knowledge of the affairs of the hospital, which has already been

discussed in several plateforms including the Commissioner and Secretary Health and Health Minister, have the Government have taken any initiative for the suffering people ? Even the X-Ray and other facilities to render immediate health service are not available in this hospital. Now our concern is that in Kokrajhar District only 2 hospitals are there, one is Kokrajhar Civil Hospital and other is Gossaigaon Civil Hospital. There are lot of deliberations on the side of the Government. I draw your attention that for the 100 of suffering people will the Government take immediate measures to extend effective health services to the people ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী)) : মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান গোসাইগাওঁ চিভিল হাস্পাতালত চৰকাৰী মঞ্জুৰীপ্ৰাপ্ত ১০৩টা পদৰ বিপৰীতে মুঠ ৭৪জন বিষয়া আৰু কৰ্ম্মচাৰীয়ে কাম কৰি আছে। বিষয়া আৰু কৰ্মচাৰী সকলৰ তালিকা মই দিছো— ডাক্তৰ ৬ জন, ষ্টাফ নাৰ্চ ৬ জন এ এন এম ৬ গৰাকী, লেবৰেটৰী টেকনী চিয়ান ২ গৰাকী, ফাৰ্মাচিষ্ট ৩ গৰাকী গ্ৰেড-৩ত, ৰেডিওগ্ৰাফাৰ ১, চৌকীদাৰ ২, ৱাৰ্ড বয় ১২, ৱাৰ্ড গাৰ্ল ১২, ডাৰ্ক ৰুম এটেনডেণ্ট ১, অটি এটেনডেণ্ট ২, অপিদি এটেনডেণ্ট ৫, কুক ২, হেল্পাৰ ১, মালি ১, চুইপাৰ ৭ গৰাকী।

Shri Parameswar Brahma : No it is wrong. I have just returned visiting Gossaigaon Civil Hospital. There are only three doctors and 3 nurses working in this hospital. (Minister's report) It may be a report of last 3/4 months old. Doctors go there and come back just after joining. So to make this hospital working Government must stop this practice. With the help of Health Department officials doctors manage their transfer out of Kokrajhar District without extending any service to the suffering people.

---

* Speech not corrected.

* শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী): মই যি তথ্য পাইছো তাৰ ওপৰত ভিত্তি কৰি কৈছো। যদি নাই তেন্তে অনুসন্ধান কৰি ব্যৱস্থা লম।

* শ্ৰীজয়নাথ শৰ্ম্মা: এনেকুৱা অকল গোসাইগাৱঁতে নহয়। অসমৰ বিভিন্ন ঠাইৰ চিভিল হাস্পাতাল বিলাকত কাগজত পোষ্টিং কৰিছে ফিল্ডত নাই। কুৰুৱাৰাহীত ঠিক তেনেকৈ ডাক্টৰ দিছে, আচলতে ডাক্টৰ নাই। ৰেকৰ্ডত আছে। এতিয়া যিবিলাক ডাক্তৰে অৰ্ডাৰ নামানে তেওঁলোকৰ ওপৰত কঠোৰ ব্যৱস্থা লব নেকি ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী): নিশ্চয় অনুসন্ধান কৰি ব্যৱস্থা লম।

Mr. Speaker: Now short Notice Question No. 2.

বিষয়: ডাঃ বি বৰুৱা কেন্সাৰ প্ৰতিষ্ঠান।

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) HLB. 561/84/39 dated 29.3.85 নম্বৰৰ জাননীযোগে চৰকাৰে ডাঃ বি, বৰুৱা কেন্সাৰ প্ৰতিষ্ঠানখন চৰকাৰীকৰণ কৰা সঁচানে ?

(খ) যদি সঁচা তেন্তে তাত চিকিৎসা লোৱা ৰোগীসকলক আৰু তাৰ কৰ্ম্মচাৰী-সকলক কি কি সুবিধা দিয়া হৈছে ?

(গ) উক্ত প্ৰতিষ্ঠানত কিমানজন বিষয়া বা কৰ্মচাৰী Deputation ত সদ্যহতে কাম কৰি আছে ?

(ঘ) উক্ত প্ৰতিষ্ঠানত ২৯।৩।৮৫ তাৰিখে কাম কৰি থকা সকলো কৰ্মচাৰী, বিষয়াৰ চাকৰি চৰকাৰে চৰকাৰীকৰণ কৰিছেনে ?

শ্ৰীগৌতক বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) যদিও HLB. 561/84/39 dated 29-3-85 নম্বৰৰ জাননীযোগে চৰকাৰে ডাঃ বি বৰুৱা কেন্সাৰ প্ৰতিষ্ঠানখন হাতত লৈছিল কিন্তু পাছত পৰিবৰ্তন কৰি HLB. 561/84/89 date 8-9-86 নম্বৰৰ জাননীযোগে প্ৰতিষ্ঠানখন ৭-৮-৮৬ তাৰিখৰ পৰা চৰকাৰে অধীনলৈ আনে আৰু স্বায়ত্ব শাসিত কৰি ৰাখে।

---

* Speech not corrected.

(খ) দৰিদ্ৰ ৰোগীৰ কাৰণে বিনামুলীয়া চিকিৎসাৰ ব্যৱস্থা আছে আৰু আন ৰোগীসকলে নিৰ্দ্ধাৰিত অতি সামান্য হাৰে চিকিৎসা লব পাৰে। কৰ্মচাৰী-সকলে অসম চৰকাৰৰ আইন অনুযায়ী দৰমহা আদি পাই আছে।

(গ) ৮ জন বিষয়া এতিয়া deputation অত আছে।

(ঘ) প্ৰতিষ্ঠানখন স্বায়ত্ব শাসিত হৈ থকাৰ বাবে সকলো কৰ্মচাৰী বিষয়াৰ চাকৰি চৰকাৰীকৰণৰ প্ৰশ্নটো প্ৰযোজ্য নহয়।

* শ্ৰীজয়নাথ শৰ্ম্মা: এই গোটেই বস্তুটো গুৰুত্বপূৰ্ণ। কাৰণ চৰকাৰে এখন নটিফিকেচন দিছে যে মেনেজমেণ্ট এখন গৱৰ্ণিং বডিক দিছে। যদি স্বায়ত্ব শাসন হয় তেন্তে স্বায়ত্ব শাসন হোৱাৰ কাৰণে এক্ট whether there is an act to Govern the institution.

* শ্ৰীগৌতম ৰয় (ৰাজ্যিক মন্ত্ৰী): অধ্যক্ষ মহোদয়, ডাঃ বি বৰুৱা কেন্সাৰ প্ৰতিষ্ঠানখন ১৯৭৪ চনত চচাইটি ৰেজিষ্ট্ৰেচন এক্ট (২১ নং ১৬৬০) মতে স্থাপন কৰা হয়। উক্ত অনুষ্ঠানটি এখন পৰিচালনা সমিতিৰ তত্বাৱধানত পৰিচালিত হৈছিল। ১৯৮০ চনত এই অনুষ্ঠানটি আঞ্চলিক কৰ্কট ৰোগৰ চিকিৎসাৰ প্ৰতিষ্ঠান হিচাপে স্বীকৃতি লাভ কৰে। কৰ্কট ৰোগৰ ভয়াৱহতা সম্পৰ্কে সজাগ আৰু প্ৰতিষ্ঠানটোৰ উপযুক্ত উন্নয়ণৰ বাবে চৰকাৰ সচেতন। এই প্ৰতিষ্ঠানটোৱে বিভিন্ন প্ৰতিষ্ঠানৰ যেনে অসম ৰাজ্যিক লটাৰী, উত্তৰ পূব পৰিষদ আৰু বিভিন্ন উদ্যোগ সমূহৰ লগতে বাইজৰ তৎকালীন সাহায্য লাভ কৰি আছিল। কিন্তু বিভিন্ন অনুষ্ঠানৰ পৰা পোৱা অনুদান সমূহ পৰ্য্যাপ্ত নোহোৱাত ৭-৮-৮৬ চনত ন্যাসে চৈধ্যটা চৰ্ত্তসাপেক্ষে অসম চৰকাৰৰ তত্বাবধানতালৈ অনাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ ভিতৰত প্ৰধান চৰ্ত আছিল যে উক্ত অনুষ্ঠানটি এটি পৰিচালনা সমিতিৰ দ্বাৰা পৰিচালিত হব লাগিব যত এক তৃতীয়াংশ ন্যাসৰ সদস্য থাকিব। এই চৰ্তটো অনুষ্ঠানটিৰ উন্নয়ণৰ মূল পন্থা। উক্ত বিষয়সমূহ পুংখানুপুংখ ৰূপে বিবেচনা কৰি ৭-৮-৮৬ তাৰিখে উক্ত প্ৰতিষ্ঠানটো স্বায়ত্ব শাসিত অনুষ্ঠান হিচাপে অসম চৰকাৰে গঠন কৰে, আৰু এখন পৰিচালনা সমিতিক অৰ্পণ কৰে আৰু এনেদৰেই অনুষ্ঠানটি স্বায়ত্ব শাসিত অনুষ্ঠান ৰূপে স্বীকৃতি দিয়ে। উক্ত অনুষ্ঠানটি অসম চৰকাৰৰ অধীনত অনাৰ পিচত প্ৰয়োজনীয় পুজি যোগান ধৰিব পৰা নাই। আৰু সৰ্বাংগীন উন্নতিৰ বাবে ভাৰত চৰকাৰৰ আন্তৰিক শক্তি

* Speech not corrected.

ৰিভাগ আৰু উত্তৰ পূব পৰিষদৰ দ্বাৰা ৰিত্তীয় সাহাৰ্য্য ৰিচাৰে। ১৯৮৮ চনত অসম চৰকাৰৰ, ভাৰত চৰকাৰৰ আনৱিক শক্তি বিভাগ আৰু উত্তৰ পূৱ পৰিষদক লৈ এখন কাৰ্য্যকৰী গোট গঠন কৰে। কাৰ্য্যকৰী গোটৰ প্ৰতিৰেদন ৰিৰেচনা কৰি অসম চৰকাৰে উত্তৰ পূব পৰিষদ আৰু ভাৰত চৰকাৰৰ আনৱিক শক্তি ৰিভাগৰ লগত ১৭-১১-৮৯ তাৰিখে এখন চুক্তি পত্ৰ স্বাক্ষৰিত হয়।

মাননীয় অধ্যক্ষ মহোদয়, উক্ত চুক্তিমৰ্মে অসম পৰিচালনা পৰিষদ গঠন কৰা হয়। উক্ত প্ৰতিষ্ঠানটোৰ খৰচ এনে ধৰণৰ: আনৱিক শক্তি বিভাগ-শতকৰা ৫০ ভাগ, উত্তৰ পূৱ পৰিষদ— শতকৰা ৫০ ভাগ। ৰেকাৰিং হৈছে আনৱিক শক্তি ৩৩.৩ ভাগ, উত্তৰ পূৰ পৰিষদ ৩৩.৩ ভাগ আৰু অসম চৰকাৰৰ হৈছে ৩৩.৩ ভাগ। মুঠ ৮৬২ লাখ টকাত এই অনুষ্ঠানটিৰ উন্নতিৰ ৰাবে উল্লেখিত তিনিট। প্ৰতিষ্ঠানৰ অনুমোদন সাপেক্ষে ধাৰ্য্য কৰা হয়। ১৯৯৪ চনৰ ভিতৰত উক্ত প্ৰজেক্টটো সম্পূৰ্ণ কৰিবলৈ সিদ্ধান্ত লোৱা হয়। ইয়াৰ লগতে অসম চৰকাৰৰ ৩ লাখ আৰু ভাৰত চৰকাৰৰ ১৫ লাখ টকা সহ সৰ্ব্বমুঠ ৮৬২ লাখ টকা দিয়া হয়।

এতিয়া কথা হৈছে ভাৰত চৰকাৰৰ এটমিক এনাৰ্জি বিভাগৰ পৰা, টাটা মেমোৰিয়েল চেণ্টাৰৰ যোগেদি এই অনুষ্ঠানটোৰ বাবে প্ৰয়োজনীয় কেইটামান যন্ত্ৰপাটি যেনে: চি, টি, স্কেনাৰ, মাম' গ্ৰাফি আৰু চাফিয়া গ্ৰামা কেমেৰা আদি অনা হৈছে। এইখিনি যন্ত্ৰপাটি কাৰ্য্যক্ষম কৰিবলৈ ব্যৱস্থা লোৱা হৈছে।

* শ্ৰীজয়নাথ শৰ্মা: মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে সেইটো মোৰ প্ৰশ্ন মতে হোৱা নাই। মই কৈছো এই প্ৰতিষ্ঠানটো যে চৰকাৰে স্বায়ত্ব শাসিত কৰিছে— ইয়াৰ কাৰণে চৰকাৰে চেপাৰেট এক্ট পাছ কৰিব লাগিবনে নাই? এইখিনি কৰিছেনে নাই? প্ৰয়োজনীয় নোটিফিকেচনৰ যোগেদি এচেটচ্ এণ্ড লায়েৰিলিটি লৈছেনে নাই। লোৱা হৈছে যদি স্বায়ত্ব শাসনৰ কথা কেনেকৈ আনিছে? Notification No. HLB. 561/84/89, dated 8.9.86. In supersession of this Department Notification No. HLB. 561/85/89, dated 29.3.85 the Governor of Assam is pleased to order taking over of Dr. B. Barooah Cancar Institute, Guwahati with all its assets and liabilities with effect from 7.8.86 .... .... .... ....

* Speech not corrected.

* শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এইখিনি অনুসন্ধান কৰি চোৱা হব ।

* শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অৰ্ধ্যক্ষ মহোদয়, এইটো অনুসন্ধানৰ কথা নহয় । এইটো এটা চিৰিয়াচ কথা । এই প্ৰতিষ্ঠানটো চৰকাৰী কৰণ কৰিছে Government policy should be clear. যদি সকলো লায়েবিলিটি লোৱা হৈছে তেন্তে স্বায়ত্ব শাসনৰ কথা কেনেকৈ আহে ? অধ্যক্ষ মহোদয়, কালি তাত লাঠি চাৰ্জ হৈছে কেন্দ্ৰীয় মন্ত্ৰীক মেমোৰেণ্ডাম এখন দিবৰ কাৰণে প্ৰতিষ্ঠানটোৰ কৰ্মচাৰীক যাবলৈ দিয়া হোৱা নাই । শ্ৰীবৰা ডাঙৰীয়াক দিবলৈ বিচৰাটো তেখেতে লোৱা নাই লাঠী চাৰ্জৰ কথা কৈ । অধ্যক্ষ মহোদয়, মোৰ হাতত এইয়া ফটো আছে— ইয়াত তিৰোতা মানুহ আছে, ছোৱালী আছে, মাৰপিট কৰিছে ।

মাননীয় অধ্যক্ষ : আপোনাৰ বক্তব্য চমু কৰক ।

* শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই দীঘলীয়া উত্তৰ দিছে যেতিয়া মোৰ প্ৰশ্নও দীঘলীয়া হব । মোৰ প্ৰশ্ন হৈছে চৰকাৰে যেতিয়া প্ৰতিষ্ঠানটোৰ লায়েবিলিটি সকলো গ্ৰহণ কৰিছে তেনে ক্ষেত্ৰত ২৯-৩-৮৫ তাৰিখৰ পৰা এই প্ৰতিষ্ঠানটো সকলো চাকৰিয়ালৰ চাকৰি চৰকাৰীকৰণ কৰা হৈছেনে নাই ।

* শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, যিখিনি 'এক্ট' আছে সেইখিনি আণ্ডাৰ কনচিদাৰেচন আছে, গতিকে—

* শ্ৰীজয় নাথ শৰ্মা : বিল আনিবনে নাই ?

* শ্ৰীগৌতম বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, আণ্ডাৰ কনচিদাৰেচন ।

* শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, এই প্ৰতিষ্ঠানটোত কেনচাৰ ৰোগীক বিনামুলীয়া চিকিৎসা দিব লাগিছিল কিন্তু দেখা গৈছে যে এই মূমূৰ্ষ কেনচাৰ ৰোগী সকলৰ পৰাও এই প্ৰতিষ্ঠানটোৱে যথেষ্ট টকা সংগ্ৰহ কৰিছে ।

* শ্ৰীগৌতম বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, কিছুমান ৰোগীৰ পৰা কম পৰিমাণত কিছু ফিজ লোৱা হয় ।

---

* Speech not corrected.

* শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, ১৯৯০-৯১ চনত এই প্ৰতিষ্ঠানে কেনচাৰ ৰোগীৰ পৰা ১০ লাখ ১৩ হাজাৰৰো অধিক টকা সংগ্ৰহ কৰা দেখা যায়। এই ৰোগী সকলক মেডিকেল কলেজৰ দৰে বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়াৰ পৰা নেযায় নেকি ? এই প্ৰতিষ্ঠানটোৰ চাকৰিয়াল সকলৰ এতিয়াও চাৰ্ভিচ ৰুল কৰা নাই। চৰকাৰে এই কৰ্মচাৰী সকলৰ অভাৱ অভিযোগৰ কথা তথা তেওঁলোকৰ চাকৰিৰ নিয়মিয়াকৰণ, চৰকাৰী কৰণ ইত্যাদি কথাবোৰ চিন্তা কৰিব লাগে।

* শ্ৰীগৌতম বৰা (ৰাজ্যিক মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে অনুসন্ধান কৰি ব্যৱস্থা লোৱা হব।

* শ্ৰীহিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, এই কথাটো হাঁহি মাৰি শেষ কৰিব নোৱাৰি। আজি যদি অধ্যক্ষ মহোদয়, আপুনি ভেলোৰলৈ যায় তেন্তে তাত শতকৰা ৪০ জন ৰোগী অসমৰ পৰা যোৱা ৰোগী পাব। অথচ এই গুৱাহাটীৰ মাজ মজিয়াত এটা কেনচাৰ প্ৰতিষ্ঠান আছে। আজি দৈনিক অসমত প্ৰকাশ পাইছে যে বি, বৰুৱা কেনচাৰ ইনষ্টিটিউটক কেনচাৰ ৰোগে পাইছে। আজি লাখ লাখ টকাৰ মেচিন এই প্ৰতিষ্ঠানত পৰি আছে, যন্ত্ৰপাতি আছে কিন্তু তাক সঠিক ভাৱে কামত লগাব পৰা নাই। এই প্ৰতিষ্ঠানটোৱে চৰকাৰক ১ বিঘা মাটি বিচাৰিছে— এই প্ৰতিষ্ঠানটো সম্প্ৰসাৰণ তথা অত্যাধুনিক যন্ত্ৰপাতিৰ সুচল ব্যৱহাৰৰ কাৰণে কিন্তু চৰকাৰে মাটি এবিঘা দিয়া নাই। এই প্ৰতিষ্ঠানটোৱে চৰকাৰৰ পৰা মাটি এবিঘা বিচৰা কথাটো সঁচানে, যদি সঁচা হয় চৰকাৰে আবণ্টনৰ কিবা ব্যৱস্থা লৈছেনে ?

* শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, যিবোৰ আধুনিক যন্ত্ৰপাতি অনা হৈছে, তাক কাৰ্য্যক্ষম কৰিবৰ কাৰণে এবিধ ৰাসায়নিক পদাৰ্থৰ প্ৰয়োজন। এইটো ভাৰতত নাই, বাহিৰৰ পৰা আনিব লাগে। এই পদাৰ্থ জাপানৰ পৰা অনাৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই প্ৰতিষ্ঠানটো বা প্ৰজেক্টটো ১৯৯৪ চনত সম্পূৰ্ণ কৰি তোলা হব বুলি আশা কৰা হৈছে। অধিক মাটি লৈ প্ৰতিষ্ঠানটো কেনেকৈ ডাঙৰ কৰিব পাৰি সেই বিষয়েও চিন্তা কৰা হৈছে।

---

* Speech not corrected.

* শ্ৰীহিতেশ্বৰ ডেকা : অধ্যক্ষ মহোদয়, ব্যৱস্থা লোৱা হৈছে বুলি.... ....

মাননীয় অধ্যক্ষ : এই বিষয়টোৰ ওপৰত আপোনালোকে যথেষ্ট প্ৰশ্ন সুধিছে, যথেষ্ট আলোচনা কৰা হৈছে।

* শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, মই মাত্ৰ এটা প্ৰশ্ন কৰিম, অকণমান সময় লাগে এই গোটেই বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয়, আপুনি অকণমান সময় দিয়ক। যোৱাকালি এই প্ৰতিষ্ঠানৰ কৰ্মচাৰী সকলে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী শ্ৰীফোটেদাৰক এখন মেমোৰেণ্ডাম দিয়াৰ কথা আছিল যেতিয়া কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে এই প্ৰতিষ্ঠানটো পৰিদৰ্শন কৰিবলৈ যাব। শ্ৰীবৰা ডাঙৰীয়া আগতীয়াকৈ এই প্ৰতিষ্ঠানটোলৈ যায় আৰু কেন্দ্ৰীয় মন্ত্ৰী গৰাকী এই প্ৰতিষ্ঠান পৰিদৰ্শন কৰিবলৈ যোৱাটোত বন্ধ কৰে। কৰ্মচাৰী সকলে মেমোৰেণ্ডাম খন দিবলৈ নেপালে।

* শ্ৰীগৌতম বৰা (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন উত্থাপন কৰিছে তাৰ সম্পৰ্কত মই কব বিচাৰো যে যোৱাকালি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী গৰাকী উক্ত প্ৰতিষ্ঠানটোলৈ পৰিদৰ্শন কৰিবলৈ যোৱাৰ কথা আছিল আৰু সেয়ে মই আগতীয়া ভাবে তালৈ গৈছিলো আৰু ডাইৰেক্টৰৰ কোঠাতে বহি আছিলো। তেতিয়া মই ৰাজভৱনৰ পৰা টেলিফোন যোগে খবৰ পাইছিলো যে কেন্দ্ৰীয় মন্ত্ৰী গৰাকীৰ চাৰ্কিট হাউচত থকা বিষয়া সকলৰ বৈঠক আৰু ঝৰ্কত প্ৰতিষ্ঠান পৰিদৰ্শন কাৰ্য্যসূচী 'কেনচেল' কৰা হৈছে।

* শ্ৰীজয়নাথ শৰ্মা : মানমীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এতিয়া মেমোৰেণ্ডাম খন কেন্দ্ৰীয় মন্ত্ৰীলৈ পঠাবনে ?

* শ্ৰীগৌতম বৰা (মন্ত্ৰী): মেমোৰেণ্ডামখন বৰ্তমান মোৰ হাতত পৰা নাই।

* শ্ৰীজয়নাথ শৰ্মা : মই দিম আপুনি পঠাবনে ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয় মই এই ক্ষেত্ৰত হস্তক্ষেপ কৰি দুআষাৰ কব বিচাৰিছো। মন্ত্ৰী গৰাকী সেইদিনা তালৈ যোৱা কথা আছিল, কিন্তু তাত ধৰ্ণা বা প্ৰতিৰক্ষা তেনেধৰণৰ কিবা এটা থকা কাৰণে অস্বস্তিকৰ অৱস্থা এটাৰ সৃষ্টি হব বুলিয়েই তেওঁক তালৈ যাবলৈ দিয়া নহ'ল। এতিয়া মেমোৰেণ্ডাম খন দিলে পঠাই দিব পৰা হব।

---

* Speech not corrected.

## Unstarred Questions and Answers

বিষয়: নলবাৰী জিলাত মহকুমা।

শ্ৰীপানীৰাম ৰাভায়ে সুধিছে :

১১৬। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নলবাৰী জিলাত দ্বিতীয় মহকুমা হোৱা নাই বুলি চৰকাৰ অবগতনে ?

(খ) যদি অবগত, ৰৰমা সমষ্টিৰ মধ্যস্থানত উক্ত মহকুমাৰ সদৰ ঠাই স্থাপনৰ ব্যৱস্থা লবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) হয়।

(খ) বিষয়টো চৰকাবৰ পৰীক্ষাধীন হৈ আছে।

বিষয় : বন্দুকমাৰায় মৃত উদ্ধাৰ।

শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদাৰে সুধিছে :

১১৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবেন কি :

(ক) গত ১৮।১১।৯০ ইং তারিখে হাইলাকান্দি জেলার সামারী কোনার নিকটে বন্দুকমারায় (কান্দিনালায়) মাটির নিচ হইতে মৃত অৱস্থায় উদ্ধারকৃত মনকুমার সাহুর স্ত্রী কতক এজাহার (Case No. Lala p.s. case No. 358/90 HKD PS- 3/91) আজ পর্য্যন্ত কোন সঠিক ব্যৱস্থা নেওয়া হয় নাই কেন ?

(খ) উক্ত নারকীয় হত্যার উপযুক্ত শাস্তি মুলক ব্যৱস্থা হবে কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ব্যৱস্থা লোৱা হৈছে। এই সংক্ৰান্তত (১) শ্ৰীঅকীল আলি (২) চালেম মিঞা (৩) ফাৰুক (৪) নাচিৰ আলি (৫) আব্দুল মুনাফ (৬) আব্দুল মতলিব আৰু (৭) চুকুৰ আলিক গ্ৰেপ্তাৰ কৰি আদালতলৈ প্ৰেৰণ কৰা হৈছে।

(খ) আইনমতে শাস্তিমুলক ব্যৱস্থা লোৱাৰ বাবে গ্ৰেপ্তাৰ কৰা ব্যক্তিসকলৰ বিৰুদ্ধে আদালতত চাৰ্জচিট দিয়া হৈছে।

**Re : Regarding Tangla Town.**

Shri Karendra Basumatary asked :

118. Will the Minister of Municipal Administration be pleased to State :

Whether the Government will be pleased to up grade the present Tangla Town Committee to a Municipal Corporation within 1992 ?

Shri Debananda Konwar (Minister) replied :

At present there is no proposal to upgrade Tangla Town Committee to a Municipal Board.

**Re : Electric Crematoria.**

Shri Dewan Joynal Abedin asked :

119. Will the Minister of Municipal Administration be pleased to state :

(a) Whether the Government will consider the installation of a few electric crematoria in Guwahati to meet the requirements of modern social life ?

(b) If so, what are the sites ?

Shri Devananda Konwar (Minister) replied :

(a) The Government have no such proposal at present.

(b) Does not arise.

বিষয় : অগ্নি নিৰ্বাপক অফিচ ।

শ্ৰীলিয়াকত আলী খানে সুধিছে :

১২০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) চলিত বছৰত নতুনকৈ অগ্নি নিৰ্ব্বাপক বাহিনীৰ কাৰ্য্যালয় স্থাপন কৰা হব নেকি ?

(খ) যদি হয় তেন্তে প্ৰতিবছৰে অগ্নি কাণ্ডত হাজাৰ হাজাৰ মানুহ ক্ষতিগ্ৰস্ত

হোৱা বৰপেটা জিলাৰ বৃহত্তম বজাৰ বহৰি বজাৰত এখন নিৰ্ব্বাপক বাহিনীৰ কাৰ্য্যালয় স্থাপন কৰিব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) নহয় ।

(খ) প্ৰশ্ন নুঠে ।

বিষয়ঃ পুলিচ বিভাগত নিযুক্তি ।

শ্ৰীকুশল চাহুয়ে সুধিছে :

১২১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমান চৰকাৰৰ দিনত পুলিচ বিভাগত কিমান কনিষ্টবল, এচ, আই, আৰু এ, এচ, আই নিযুক্তি দিয়া হ'ল ।

(সমষ্টি ভিত্তিত নিয়োগৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

উত্তৰ

মাননীয় শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ।

(ক) বৰ্ত্তমান চৰকাৰৰ দিনত আৰক্ষী বিভাগত ৩৫৩ জন কনিষ্টবল নিযুক্তি দিয়া হৈছে । এচ, আই, আৰু এ, এচ আই পদত কোনো নিযুক্তি দিয়া হোৱা নাই ।

(সমষ্টি ভিত্তিত নিয়োগৰ কোনো ব্যৱস্থা নথকা হেতু জিলা ভিত্তিত নিয়োগৰ তালিকা এখন সদনৰ মেজত দাখিল কৰা হ'ল)

(See the Annexure III)

(Unstarred Question No. 122 was defirred)

বিষয় : সামৰিক বাহিনীৰ গুলী চালনা ।

শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছে :

১২৩। মাননীয় মুখ্যমন্ত্ৰীয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বিগত বছৰৰ ২৪ ডিচেম্বৰত কামৰূপ জিলাৰ গাছবাৰী চ'কত সামৰিক বাহিনীয়ে অপ্ৰৰোচিত ভাৱে গুলীচালনা কৰাৰ ফলত কোনো ব্যক্তি নিহত হোৱাটো সঁচা নেকি ?

(খ) যদি সঁচা, এই ঘটনাৰ বাবে তদন্তৰ নির্দ্দেশ দিয়া হৈছে নে ?

(গ) যদি দিয়া হৈছে, তদন্তৰ প্ৰতিবেদন কেতিয়া প্ৰকাশ কৰা হব ?

(ঘ) নিহত ব্যক্তিৰ পৰিয়ালবৰ্গলৈ চৰকাৰী সাহায্য আগবঢ়োৱা হৈছে নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ।

(ক) সঁচা ।

(খ) অতিৰিক্ত জিলা দণ্ডাধীশৰ দ্বাৰা তদন্তৰ নির্দ্দেশ দিয়া হৈছে ।

(গ) তদন্তৰ প্ৰতিবেদন সম্পূৰ্ণ হৈ উঠা নাই । তদন্তৰ প্ৰতিবেদন সোনকালে দিবলৈ অনুৰোধ কৰা হৈছে ।

(ঘ) নিহত ব্যক্তিৰ পৰিয়ালবৰ্গলৈ বৰ্ত্তমানলৈকে কোনো ধৰণৰ চৰকাৰী সাহায্য দিয়াৰ বাবে প্ৰস্তাৱ পোৱা নাই ।

বিষয় : শ্ৰীমন্ত শংকৰদেৱ বটা

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে :

১২৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম চৰকাৰে প্ৰবৰ্ত্তন কৰা শ্ৰীমন্ত শংকৰদেৱ বটা ১৯৯১ চনৰ বাবে কেতিয়া প্ৰদান কৰিব ?

(খ) উক্ত বটা প্ৰদানৰ বাবে কমিটিৰ সভা অনুষ্ঠিত হৈছেনে ?

(গ) যদি হোৱা নাই কিয় হোৱা নাই ?

(ঘ) কেতিয়া উক্ত সভা অনুষ্ঠিত হব ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) শংকৰদেৱ বটা প্ৰদানৰ বাবে ব্যৱস্থা লোৱা হৈ আছে ।

(খ) হৈছে ।

(গ) প্ৰশ্ন নুঠে ।

(ঘ) প্ৰশ্ন নুঠে ।

বিষয় : অগ্নিনিৰ্ব্বাপক বাহিনীৰ কাৰ্য্যালয় ।

শ্ৰীপানীৰাম ৰাভায়ে সুধিছে :

১২৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰমা সমষ্টি আৰু চাপাগুৰি সমষ্টিৰ ভিতৰত অগ্নি নিৰ্ব্বাপক বাহিনীৰ কাৰ্য্যালয় নথকাটো চৰকাৰ অৱগত নে ?

(খ) যদি অৱগত হয়, তেতিয়া হলে এই বছৰৰ বাজেটত বৰমা সমষ্টিৰ বৰমাত এটি অগ্নি নিৰ্ব্বাপক বাহিনীৰ কাৰ্য্যালয় স্থাপন কৰিবলৈ ব্যৱস্থা লব নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে :

(ক) হয় ।

(খ) বৰ্ত্তমান আমাৰ বিত্তীয় অৱস্থা ভাল নহয় বাবে বৰমাত অগ্নি নিৰ্ব্বাপক কেন্দ্ৰ খোলাৰ কাৰ্য্যকৰী ব্যৱস্থা লব পৰা নহয় ।

## Re: ABSU IN JAILS.

Shri Karendra Basumatary asked :

126. Will the Chief Minister be pleased to state :

(a) How many ABSU-BPAC workers are in various jails of the State at present ? (furnish the number of detenus of the Mangaldoi Jail in Darrang)

(b) Why TADA detenus of ABSU-BPAC workers are not being released so far by the State Government ?

Shri Hiteswar Saikia (Chief Minister) replied :

(a) Number of ABSU-BPAC detenus in various jails as on 8.3.92 are as follows :

| | TADA | NSA | TOTAL |
|---|---|---|---|
| (1) District Jail, Mangoldoi | 15 | 2 | 17 |
| (2) District Jail, Nalbari | 7 | — | 7 |
| (3) District Jail, Barpeta | 14 | — | 14 |
| (4) District Jail, Kokrajhar | 35 | — | 35 |
| Total— | 71 | 2 | 73 |

(b) As they are arrested under specific charges only the designated court can grant them bail.

বিষয়: আৰক্ষী চকী আৰক্ষী থানালৈ উন্নীত।

শ্রীভৰত চন্দ্র নৰহে সুধিছে:

১২৭। মাননীয় মুখ্যমন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে:

(ক) লক্ষীমপুৰ আৰু ধেমাজী জিলাৰ অন্তর্গত লালুক, বগী নদী, চাউলখোৱা ঘাট আৰু গোগামুখ আৰক্ষী চকী সমুহ আৰক্ষী থানালৈ উন্নীত কৰিবলৈ চৰকাৰে সিদ্ধান্ত লোৱা কথাটো সঁচানে?

(খ) যদি সঁচা, উক্ত সিদ্ধান্ত কেতিয়াৰ পৰা কার্যকৰী কৰা হব?

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে:

(ক) হয়, সঁচা।

(খ) লালুক, বগী নদী, চাউলখোৱা ঘাট (চাউলধোৱা) আৰু গোগামুখক থানালৈ উন্নীত কৰাৰ ক্ষেত্রত খচৰা জাননী ৰাজপত্রত প্রকাশ কৰাৰ প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰা হৈছে। উক্ত কাম সম্পূর্ণ হলেই থানালৈ উন্নীতকৰণৰ ব্যৱস্থা লোৱা হব।

বিষয়: গুৱাহাটী পৌৰ নিগমৰ নির্ব্বাচন।

শ্রীৰমেন্দ্র নাৰায়ন কলিতায়ে সুধিছে:

১২৮। মাননীয় পৌৰ প্রশাসন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে:

(ক) গুৱাহাটী পৌৰনিগমৰ নির্বাচন পতাৰ সিদ্ধান্ত চৰকাৰে লৈছে নেকি?

(খ) যদি লৈছে, তেনেহলে কেতিয়া?

শ্রীদেবানন্দ কোঁৱৰ (মন্ত্রী)য়ে উত্তৰ দিছে:

(ক) লোৱা হৈছে।

(খ) অহা এপ্রিল মে' মাহ মানত হব লগা পৌৰসভা বিলাকৰ নির্ব্বাচনৰ পিছত।

বিষয়: গুৱাহাটী পৌৰ নিগমৰ নিযুক্তি।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতায়ে সুধিছে:

১২৯। মাননীয় পৌৰ প্রশাসন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) গুৱাহাটী পৌৰ নিগমত চৰকাৰ গঠন হোৱাৰ পিচৰ পৰা বৰ্ত্তমানলৈকে কিমান জনক বিভিন্ন চাকৰিত নিযুক্তি দিয়া হৈছে?

(খ) কি ভিত্তিত এই সকলৰ নিযুক্তি দিয়া হৈছে?

শ্ৰীদেৱানন্দ কোঁৱৰ (মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১৯৯১ চনৰ জুলাই মাহৰ ১ তাৰিখৰ পৰা ১৯৯২ চনৰ মাৰ্চ মাহৰ ১ তাৰিখ লৈকে গুৱাহাটী পৌৰ নিগমত সৰ্বমুঠ ৯৬ জনক বিভিন্ন চাকৰিত নিযুক্তি দিয়া হৈছে।

১। সহঃ অভিযন্তা— ১০ জন।

২। মাষ্টাৰৰোল— ৭৯ জন।
মজদৰ
(দৈনিক হাজিৰা)

৩। কেজৱেল মজদৰ— ৭ জন।
(দৈনিক হাজিৰা)

---

সৰ্বমুঠ— ৯৬ জন।

(খ) সহঃ অভিযন্তা কেইজনক ৰেগুলেচন ৩ (এফ)ত এবছৰৰ বাবে নিম্নউল্লেখিত আঁচনিৰ বাবে নিযুক্তি দিয়া হৈছে।

১। HUDCO assisted Scheme ৰ
ৰাষ্টাৰ কামৰ বাবে— ৪ জন।
পানী যোগান আচনিৰ বাবে— ২ জন।
আৰু
উত্তৰ পূৱ পৰিষদৰ আচনিৰ বাবে— ৪ জন।

যিহেতু ১০ জন অভিযন্তা উক্ত কামৰ বাবে অতিকৈ প্ৰয়োজন হ'ল সেয়েহে তেওঁলোকক ৰেগুলেচন ৩(এফ)ত নিযুক্তি দিয়া হ'ল।

বাকী সকল অনুকম্পাৰ (Compassionate Ground) ভিত্তিত ১৮ জন, ২৪ জন হৰিজন পৰিয়ালৰ লোকক আৰু ৪৪ জন নিবনুৱা শিক্ষিত যুৱক—যুৱতীক নিযুক্তি দিয়া হৈছে। এই অস্থায়ী নিযুক্তি তিনিমাহৰ বাবে দিয়া হৈছে।

বিষয় : শোণিতপুৰ জিলাৰ কলাপানী গ্ৰাণ্টত নিৰাপত্তা ৰক্ষীৰ গুলীচালনা।

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছে ঃ

১৩০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) যোৱা ২৬-১-৯২ তাৰিখে শোণিতপুৰ জিলাৰ কলাপানী গ্ৰাণ্টত তিনিজন সৰ্বহাৰা কৃষকক নিৰাপত্তাৰক্ষীয়ে গুলীয়াই হত্যা কৰা আৰু আন সাতজন

কৃষক এই গুলীচালনাত গুৰুতৰভাৱে আহত হোৱা বিষয়ে চৰকাৰ জ্ঞাতনে ?

(খ) উক্ত গুলীচালনাৰ কাৰণ কি ?

(গ) উক্ত গুলীচালনাত নিহত আৰু আহত সকলক কিবা চৰকাৰী সাহায্য দিয়া হৈছেনে ?

(ঘ) যদি হৈছে কেনে সাহায্য দিয়া হৈছে আৰু যদি সাহায্য দিয়া হোৱা নাই, কিয় দিয়া হোৱা নাই ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ২৬-১-৯২ তাৰিখে পুলিচৰ গুলীচালনাত কলাপানীত ৩ জনৰ মৃত্যু আৰু ৭ জন আহত হোৱা কথাটো চৰকাৰে জানে।

(খ) কিছু উগ্ৰপন্থী কাৰ্য্যকলাপ ৰোধ কৰিবৰ বাবে আৰক্ষী আৰু গৃহৰক্ষী বাহিনীৰ লোকে যেতিয়া কলাপানী অঞ্চলত চাহবাগিচাৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব পালন কৰিছিল তেতিয়া আৰক্ষীৰ লোকে এই অঞ্চলত কিছুলোকে অবৈধভাৱে গছ কটা আৰু হাবি-বন পৰিষ্কাৰ কৰা দেখা পায়। এই অঞ্চলটি দুস্প্ৰাপ্য জন্তু ব্লেককেপড লেংগুড়ৰ বাসস্থান। পুলিচৰ লোকে তেওঁলোকক এই কামত বাধা দিয়ে। কিন্তু প্ৰায় ২৫০ জন মান সশস্ত্ৰ-লোক হঠাতে হাবিৰ পৰা ওলাই আহি পুলিচবাহিনীক ঘেৰি ধৰি আক্ৰমণ কৰে। তেতিয়া পুলিচৰ লোকে নিৰুপায় হৈ গুলী চালাবলৈ বাধ্য হয়।

(গ) হয়।

(ঘ) নিহতসকলৰ নিকটতম আত্মীয়ৰ প্ৰতিজনকে ৩০০০'০০ টকাকৈ দিয়া হৈছে। আহত সকলক আৰ্থিক সাহায্য দিয়া হোৱা নাই যদিও চিকিৎসাৰ বাবে যাৱতীয় সু-ব্যৱস্থা কৰা হৈছে।

বিষয় ঃ **চিপাঝাৰ বিধান সভা সমষ্টিৰ সংখ্যালঘু সকলৰ উন্নয়নমূলক আঁচনি।**

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

১৩১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে ?

দৰং জিলাৰ অন্তৰ্গত ছিপাঝাৰ সমষ্টিত ১৯৯০-৯১ চনত সংখ্যালঘু সকলৰ ক্ষেত্ৰত এতিয়ালৈকে কি কি উন্নয়ন মূলক আঁচনি হাতত লোৱা হৈছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ
ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত ১৮ খন সংখ্যালঘু গাওঁত বিকেন্দ্ৰীকৃত পৰিকল্পনা আঁচনিৰ অধীনত নলীনাদ আৰু পকী কুঁৱাৰে খোৱা পানীৰ ব্যৱস্থা কৰা হৈছে।

অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডে এই সমষ্টিত ৪ জনক ছিলাই কল, ২ জনক খেলা আৰু ৮ জনক মটৰ ড্ৰাইভিং আৰু মেকানিক ট্ৰেইনিং দিয়ে। ইয়াৰ উপৰিও ৪৭ জন মাদ্ৰাছা স্কুলৰ ছাত্ৰক মাহিলী ১৫ টকা হিছাবে জলপানী দিয়া হৈছে।

বিষয়: পেণ্ডেৰী আৰক্ষী চকী।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ
১৩২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ
(ক) পেণ্ডেৰী আৰক্ষী চকী (Out Posts) টো পূৰ্ব্বৰ চৰকাৰৰ দিনত থানালৈ ৰূপান্তৰিত কৰাটো সঁচানে ?
(খ) যদি সঁচা হয় কি কাৰণত এতিয়াও কাৰ্য্যকৰী হোৱা নাই ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ
(ক) হয়।
(খ) থানা হিচাপে ৰাজপত্ৰত ঘোষণাৰ বাবে যাবতীয় তথ্য-পাতি সংগ্ৰহৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। উক্ত কাৰ্য্য সম্পূৰ্ণ হলেই কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা লোৱা হব।

বিষয়ঃ ট্ৰেনিং চেণ্টাৰ।

শ্ৰীকুশল চাহুয়ে সুধিছে ঃ
১৩৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?
(ক) অসমত বৰ্ত্তমান কিমানটা পুলিচ ট্ৰেইনিং চেণ্টাৰ আছে ?
(খ) উক্ত ট্ৰেইনিং চেণ্টাৰ সমূহত স্থানীয় ভাৱে লোক বাচনি কৰি ট্ৰেইনিংৰ বাবে অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা আছে নেকি ?
(গ) চতিয়া বিধান সভা সমষ্টিৰ চতিয়াত এনে ধৰণৰ ট্ৰেনিং চেণ্টাৰ থকা কথটো চৰকাৰে জানেনে, আৰু যদি জানে, উক্ত ট্ৰেইনিং চেণ্টাৰত বৰ্ত্তমানৰ চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত কিমান লোকক বাছনি কৰি ট্ৰেইনিং দিয়াৰ

ব্যৱস্থা কৰিছে আৰু তাৰ ভিতৰত বাছনি প্ৰাপ্ত চতিয়া সমষ্টিৰ লোক কিমান ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত ৪টা পুলিচ ট্ৰেইনিং চেণ্টাৰ আছে।

(খ) উক্ত ট্ৰেইনিং চেণ্টাৰ সমূহত স্থানীয় ভাবে লোক বাছনি কৰি ট্ৰেনিংৰ বাবে অগ্ৰাধিকাৰ দিয়াৰ কোনো ব্যৱস্থা নাই।

(গ) চতিয়া বিধান সভা সমষ্টিত অসম পুলিচৰ কোনো ট্ৰেনিং চেণ্টাৰ নাই।

Mr. Speaker .... .... Now Zero Hour. I have received as good as 13 Zero Hour Notices out of which I have selected 3. First Zero Hour notice I have received from Shri Anjan Dutta on a news item published in "Ajir Batari" dated 9.3.92 under the caption "ডা' ধনীৰাম বৰুৱাৰ বিৰুদ্ধে জালিয়াতিৰ অভিযোগ" Now I would call upon Shri Anjan Dutta to speak on the matter.

শ্ৰীঅঞ্জন দত্ত : মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৯ মাৰ্চৰ 'আজিৰ বাতৰি' দৈনিক বাতৰি কাকত খনত ডাঃ ধনীৰাম বৰুৱাৰ বিৰুদ্ধে এটা বাতৰি প্ৰকাশ পাইছিল। এই বাতৰিটো যোৱা ১৮ তাৰিখৰ 'সান্ধ্য বাতৰি' কাকত খনতো প্ৰকাশ পাইছে। যোৱাকালিৰ দেওবাৰৰ 'অগ্ৰদূত' কাকতত 'ডাঃ ধনীৰাম বৰুৱাৰ ধন সংগ্ৰহ কৌশল' শীৰ্ষক বাতৰিটো প্ৰকাশ পাইছে। এই বাতৰিটো গুৰুত্বপূৰ্ণ কাৰণ ইয়াত অসমৰ স্বাৰ্থ জড়িত আছে। এইজন নামজ্বলা চিকিৎসকক অসমত পাই বাইজে অতি আনন্দিত হৈছিল। কিন্তু এইজন ধনীৰাম বৰুৱাই আচলতে ধন সংগ্ৰহ কৰাৰ কৌশলহে অবলম্বন কৰিছে। বাতৰিটোত কোৱা হৈছে যে শিৱসাগৰৰ ৬০ বছৰীয়া বৃদ্ধা মহিলা এগবাকী হৃদ ৰোগত আক্ৰান্ত হোৱাত ডাঃ ধনীৰাম বৰুৱাৰ ওচৰ চাপিছিল। ডাঃ বৰুৱাই তেওঁক এই বুলি পৰামৰ্শ দিছিল যে ২০ হজাৰ টকা তেওঁক দিলে তেওঁ অপাৰেচন এটা কৰি পেচ মেকাৰ এটা লগাই মানুহজনী নিৰোগী কৰিব। সেইমতে মহিলা গৰাকীৰ জ্যেষ্ঠ পুত্ৰই ডাঃ বৰুৱাক ২০ হাজাৰ টকা বহু কষ্টৰ মাজেৰে যোগাৰ কৰি দিয়ে। ডাঃ বৰুৱাই তেওঁক জনায় যে অক্টোবৰ, মাহত এন এফ ৰেলৱে হস্পিতালত অপাৰেছন কৰা হব। কিন্তু ইতিমধ্যে মানুহ গৰাকীৰ অসুখ বেছি

হোৱাত গুৱাহাটী চিকিৎসালয়তে ভৰ্ত্তি কৰাই অপাৰেচনটো কৰোৱা হয়। তাৰ পিছত যেতিয়া তেখেতৰ ওচৰলৈ টকা বিচাৰি যোৱা হয় তেখেতে নানা ধৰণৰ অজুহাত লগত ভাবুকিও দিয়ে। ৬০ বছৰীয়া বৃদ্ধা গৰাকীৰ নাম শ্ৰীমতী অঞ্জলী দত্ত। তেখেত এগৰাকী বিধায়কৰ মাতৃ। মাননীয় অধ্যক্ষ মহোদয় আপুনি কথাটো বিচাৰ কৰক এগৰাকী বিধায়কৰ মাতৃকেই যদি এনেকুৱা চালনা কৰে তেন্তে বাকী অসমৰ হোজা ৰাইজক কি নকৰিব। মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জ্ঞাতাৰ্থে মই জনাব বিচাৰো যে সেই বিধায়ক গৰাকী আন কোনো নহয় মই নিজেই। ইয়াৰ ওপৰিও আৰু বহুতো অভিযোগ আমি বাতৰি কাকতত পঢ়িবলৈ পাইছো। এইখিনিতে মই আকৌ কবলৈ বিচাৰিছো যে অঞ্জলী দত্তৰ পৰিয়ালৰ পৰা বোম্বাইৰ 'বৰুৱা মেডিকেল ৰিচাৰ্চ লেবৰ-টৰী (ইণ্ডিয়া) প্ৰাইভেট লিমিটেডৰ' লগত পাচখন চিঠিৰে যোগাযোগ কৰিও কোনো ধৰণৰ উত্তৰ নাপালে অৱশেষত ডাঃ বৰুৱাৰ শেহতীয়া অসম আগমনৰ সময়ত শ্ৰীমতী দত্তৰ পৰিয়ালৰ লোকে অকস্মাতে তেওঁক লগ পায়। ডাঃ বৰুৱাই সেই দিনাই গুৱাহাটী আৱৰ্ত্ত ভৱনত ২০ হাজাৰ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল যদিও শ্ৰীমতী দত্তৰ পৰিয়ালৰ লোকে আৱৰ্ত্ত ভৱনত শ্ৰীবৰুৱাৰ কোনো গুংসূত্ৰ নাপাই লগে লগে বিষয়টো আৰক্ষী সঞ্চালকৰ দৃষ্টিগোচৰ কৰাত ডাঃ বৰুৱাই নিশা শ্ৰীমতী অঞ্জলী দত্তক সাক্ষাৎ কৰে। ইয়াৰ পিছত চিকিৎসকজনে অঞ্জলী দত্তৰ ডাঙৰ পুত্ৰক ২০ হাজাৰ টকাৰ চেক এখন প্ৰদান কৰে। বোম্বেৰ আন্ধেৰীত অৱস্থিত সৰস্বতী সমবায় বেংকৰ একাউণ্টৰ চেকখন কাটে। চেকখনত ডাঃ বৰুৱাই চহী কৰে ১ জানুৱাৰীত। কিন্তু আমাৰ গুৱাহাটীৰ বেংকৰ জৰিয়তে চেকখন পঠোৱাত চেকখন ঘুৰি আহে। বেংকৰ মতে ডাঃ বৰুৱাৰ সমবায় বেংকৰ একাউণ্টত কোনো ধৰণৰ টকা নাই। ইয়াৰ উপৰিও আন এটা বাতৰি মতে গুৱাহাটীৰ এখন হোটেলত এখন ভুৱা চেক দি থৈ যায়। হোটেলত থকা খোৱা বাবদ যদিও ৩৩ হেজাৰ টকা হৈছিল তথাপি তেওঁ ৩৫ হাজাৰ টকাৰ চেক দি থৈ গৈছিল। জানিব পৰা মতে উক্ত চেকখনো ঘুৰি আহিছে। অৱশেষত অঞ্জলী দত্তৰ পৰিয়ালৰ লোকে ডাঃ বৰুৱাৰ বিৰুদ্ধে আদালতত গোচৰ ৰুজু কৰে। মাননীয় অধ্যক্ষ মহোদয়, এই কাৰণে মই সদনৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে তেখেতে ইতিমধ্যে অসমত এটা ডাঃ বৰুৱা হাৰ্ট ইনষ্টিটিউট এণ্ড ৰিচাৰ্চ চেণ্টাৰ নামৰ এটা অনুষ্ঠান খোলাৰ বাবে

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত যোগাযোগ কৰিছে আৰু আৰ্থিক সাহায্যও বিচৰা বুলি আমি জানিব পাৰিছো। সেয়েহে আপোনাৰ ওচৰত অনুৰোধ জনাও যে এনে এজন মানুহক সাহায্য দিয়াৰ আগতে বিষয়টো যেন তদন্ত কৰি চায়। শ্ৰীবৰুৱাই ইতিমধ্যে এখন কমিটি গঠন কৰিছে। সেই কমিটিত তেওঁ নিজে সভাপতি হৈ তেওঁৰ পূৰ্ব্বৰ চিনাকী ডি, জি, পি বি দি খাৰখোৱালক সচিব হিচাৰে লয়।

অধ্যক্ষ মহোদয়, এই যিখন কমিটি কৰিছে, যিখন ট্ৰাষ্ট বনোৱা হৈছে তাত ডাঃ ধনীৰাম বৰুৱা নিজে চেয়াৰমেন হিচাৰে আছে। শ্ৰীবি, দি খাৰ-খোৱাল চেক্ৰেটৰি হিচাবে আছে, ডাঃ হৰিপ্ৰসাদ বৰুৱা, প্ৰিন্সিপাল অসম মেডিকেল কলেজ ভাইচ চেয়াৰমেন হিচাবে আছে আৰু শ্ৰীহৰিপ্ৰসাদ চলিহা ভাইচ চেয়াৰমেন হিচাবে আছে।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া : অধ্যক্ষ মহোদয়, শ্ৰীবি, দি খাৰখোৱাল এতিয়া ডি, জি, পি হিচাবে নাই।

* শ্ৰীঅঞ্জন দত্ত : অধ্যক্ষ মহোদয়, বম্বেৰ এগৰাকী মহিলা মিচ চাৰিকা এচিচটেণ্ট চেক্ৰেটাৰী হিচাবে আছে। তাৰোপৰি এই ট্ৰাষ্ট কৰা কাৰণে অসমত টকা পইচাৰ সংগ্ৰহৰ ব্যৱস্থা কৰিছে আৰু ট্ৰাষ্ট কৰা বাবে যিসকলৰ লগত যোগাযোগ কৰিছে সেই সকলে তেখেতৰ কুকৰ্মৰ বিষয়ে নাজানে। তেওঁলোকে এটা সমাজ সেৱা সংঘ কৰিবলৈ ওলাইছে। এই ট্ৰাষ্টৰ সভাপতি শ্ৰীজয়ন্ত বৰ্মণ। ট্ৰাষ্ট কৰাৰ অভিপ্ৰায় জানিব পাৰি সন্তুষ্ট হৈ শ্ৰীজয়ন্ত বৰ্মণে ২ লাখ টকাৰ সাহায্য দিয়াৰ প্ৰতিশ্ৰুতিও দিছিল আৰু ইতিমধ্যে ৫ হেজাৰ টকাৰ এখন চেক দিছে। এই সংক্ৰান্তত 'নতুন দৈনিক' বাতৰি কাকতত্তো প্ৰকাশ পাইছে যে ইতিমধ্যে পেছ মেকাৰৰ পৰা অন্যান্য অভাৱনীয় কৃত্ৰিম যন্ত্ৰ স্থাপন কৰি ভাৰতলৈ আন্তৰ্জাতিক খ্যাতি কঢ়িয়াই অনা ডাঃ বৰুৱাই মহানগৰীৰ হৃদৰোগীসকলৰ বাবে সেৱা কৰিব বিচাৰিছে। যি সকলে ডাঃ বৰুৱাক সাক্ষাৎ কৰিব বিচাৰে তেওঁলোকে ৩০ অক্টোবৰৰ ভিতৰত চিকিৎসক-জনক লগ ধৰিব পাৰে। গুৱাহাটীত ডাঃ বৰুৱাক সাক্ষাৎ কৰিব বিচৰা সকলক ডাঃ বিষ্ণুৰাম বৈশ্য, গনেশগুৰি, গুৱাহাটী ঠিকনাত যোগাযোগ কৰিবলৈ কোৱা হৈছিল। এনে এটা অনুষ্ঠান গঢ়ি উঠাত আমি আপত্তি কৰিবলগীয়া

* Speech not corrected.

একো নাই। কিন্তু ডাঃ ৰুৱাই অসমক প্ৰবঞ্চনা কৰিছে। অসম চৰকাৰৰ পৰা সুযোগ সুবিধা আৰু ২৫০ বিঘা মাটি লৰ বিচাৰিছে আৰু 'হাৰ্ট ইনষ্টিটিউট এণ্ড ৰিচাৰ্চ চেণ্টাৰ' গুৱাহাটীত কৰিব বিচাৰিছে। এইটো বৰ আনন্দৰ কথা যে ২০/২৫ হেজাৰ টকাৰ ভিতৰতে অসমৰ ৰাইজক পেছ মেকাৰ যোগান ধৰিব। কিন্তু ডাঃ বৰুৱাৰ বিৰুদ্ধে আৰু বহুতো অভিযোগ আছে। তেখেতৰ আৰু এটা ডাঙৰ অভিযোগ যে, তেখেত ভাৰতৰ নাগৰিক নহয়। তেওঁ ইউ, কে, তো নাগৰিকত্ব লৈছে। আৰু যিকোনো মুহূৰ্ত্ততে তেওঁ গুচি যাবও পাৰে। আৰু যদি এইখিনি সত্য হয় তেনেহলে চৰকাৰে তেওঁক মাটি কেনেকৈ দিব? তেওঁৰ চাম্ভাক্ৰজত এটা ইলেকট্ৰনিক প্ৰচেচিং জ'ন, যিটো অতি ৰেষ্টিকটেদ এৰিয়া তাত এটা ইন্সটিটিউট আছে। তাৰ পৰা ইন্দিয়াৰ পৰা প্ৰদাক্ট হোৱা বস্তু এক্সপৰ্ট হয়। তাৰোপৰি জানিব পৰা গৈছে যে কমনৱেলথ্ চেক্ৰেটৰিয়েটৰ তেওঁ এজন বিজিনেচ এজেণ্ট। মাল্টিনেচনেল কো-অপাৰেচনৰ লগতো ডাঃ ৰুৱাৰ সম্পৰ্ক আছে। যোৱা ৩০ অক্টোবৰ তাৰিখে ডাঃ বৰুৱাই এটা ফ্ৰি মেদিকেল কেম্প অৰ্গেনাইজ কৰিছিল। পিচত তেখেতৰ অভিযোগ সমূহ জানিব পাৰি ডাঃ বিষ্ণু বৈশ্যইও এখন বাতৰি কাকতৰ সম্পাদকীয়ত চিঠি এখন লিখিছিল যে, ডাঃ বৰুৱাৰ বিৰুদ্ধে অনুসন্ধান অব্যাহত থাকিব লাগে। গতিকে মই বিষয়টো সদনৰ দৃষ্টিগোচৰ কৰিলো আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, ডাঃ বৰুৱাই যি পৰিমাণৰ সাহায্য চৰকাৰৰ তৰফৰ পৰা বিচাৰি আঁচনি লৈছে আৰু চৰকাৰেও যি মাটি দিয়াৰ ব্যৱস্থা লৈছে মোৰ অনুৰোধ যে. একো অনুসন্ধান নোহোৱালৈকে এই সবলো বিলাক বন্ধ ৰাখিব লাগে। যদি প্ৰকৃততে এনে ধৰণৰ অনুষ্ঠান গঢ়ি উঠে তাত আমাৰ আপত্তি কৰিবলগীয়া একো নাই। ৰাইজৰ পৰা চৰকাৰৰ পৰা তেওঁ বহুতো পুঁজি সংগ্ৰহ কৰিবলৈ বিচাৰিছে গতিকে ইয়াৰ এটা অনুসন্ধান অনতিপলমে কৰিব লাগে। এই সম্পৰ্কত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আজি কেইমাহ মানৰ আগতে ডাঃ বৰুৱাক সন্মান দিয়াৰ অৰ্থে এখন সভা পতা হৈছিল আৰু তালৈ মোকো মাতিছিল। সেই সভাত গুৱাহাটী মেডিকেল

* Speech not corrected.

কলেজৰ প্ৰিন্সিপাল, চিনিয়ৰ ডাক্তৰ, প্ৰফেচাৰ আদি সকলো উপস্থিত আছিল। তেতিয়াহে মই জানিছো যে, নগাওঁত যদিও তেখেতৰ ঘৰ তেখেত লণ্ডনৰ পৰাহে আহিছে। আৰু বোম্বেলৈ আহি পেছ মেকাৰ তৈয়াৰ কৰিছে আৰু খ্যাতি অৰ্জন কৰা বুলি জানিব পাৰিলো। তেখেতে এটা হাৰ্টৰ ৰেমাৰীৰ বাবে নাৰ্ছিং হোম কৰিব বিচাৰিছে। হাৰ্ট ইন্‌ষ্টিটিউট এণ্ড ৰিচাৰ্চ চেণ্টাৰ কৰিব বিচাৰিছে। তেওঁক কোৱা হৈছিল যে, তেনেধৰণৰে এটা যদি আঁচনি কৰে চৰকাৰে মাটি দিয়াৰ ব্যৱস্থা কৰিব। সেইদিনা কথা ইমানতে শেষ হৈছিল। তাৰ পিচত এজন বিষয়াক লগ ধৰাত কৈছিল যে আপোনাৰ প্ৰজেক্টটো তৈয়াৰ কৰি ৰাজহ মন্ত্ৰীৰ ওচৰত দাখিল কৰিব। এতিয়া তেখেতৰ বিৰুদ্ধে নানা অভিযোগ আহিছে গতিকে এই বিষয়ৰ ওপৰত তদন্ত কৰা হব আৰু মাটি দিয়াতো হলেও অনুসন্ধান কৰাৰ পিচতহে চাই-চিতি দিয়া হব।

Honourable Speaker: I have received another Zero Hour notice from the Honourable Member Sarbashri Zoii Nath Sarma, Prafulla Kumar Mahanta, Chandra Mohan Patwary, and Sasha Kamal Handique on a news item published in 'Ajir Batori' dated 12-3-92 under the caption "বুদ্ধিজীৱি গ্ৰেপ্তাৰক তীব্ৰ গৰিহণা, আলোচনাৰ প্ৰক্ৰিয়াক ৰাজ্য চৰকাৰে বাধা দিছে ঃ"

Now I call upon Honourable Member, Shri Zoii Nath Sarma to speak on the matter.

* শ্ৰীজয়নাথ শৰ্ম্মা: অধ্যক্ষ মহোদয়, মই এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো। নিউজ আইটেমত "বুদ্ধিজীৱি গ্ৰেপ্তাৰৰ তীব্ৰ প্ৰতিক্ৰিয়া" বুলি ওলাইছে। নিউজ আইটেমত আৰু এটা কথা আছে যে, আলোচনাত ৰাজ্য চৰকাৰে বাধা দিছে। এই অভিযোগ আনিছে স্বয়ং আলফাই। ৰাজনৈতিক ভাৱে, শান্তিপূৰ্ণভাৱে আলফাৰ সমস্যা সমাধান কৰিবলৈ হলে ভালধৰণে আলোচনা কৰাৰ বাবে আমি বাৰংবাৰ কৈ আহিছো। আলফাৰ সমস্যা আলোচনাৰ বাহিৰে আন ধৰণে সমাধান হব নোৱাৰে। আলোচনা হবই লাগিব। কিন্তু বাতৰি কাকত বিলাকত যিবিলাক বাতৰি প্ৰকাশ হৈছে

* Speech not corrected.

তাৰ দ্বাৰা সমস্যা সমাধান নহব। নেচনেল চিকিউৰিটি এক্টত বুদ্ধিজীৱি গ্ৰেপ্তাৰ চৰকাৰে আলফাৰ লগত আলোচনা কৰা সম্পৰ্কীয় বক্তৃতা আৰু চৰকাৰৰ বৰ্ত্তমানৰ কাৰ্য্য কলাপ আদি বিষয় বিলাকৰ মাজত কোনো সামঞ্জস্য নোহোৱা হৈছে।

অধ্যক্ষ মহোদয়, বিশেষকৈ কেন্দ্ৰীয় চৰকাৰ অসমৰ চৰকাৰ আৰু আলফাৰ মাজত কি আলোচনা হৈ আছে তাক অসমৰ সৰ্বসাধাৰণ ৰাইজক বাদ দিলেও আমাৰ বিধায়ক সকলেও একো জানিব পৰা নাই। কিবা কোনোবাই সুধিলেও আমি বিধায়ক সকলে ৰাইজৰ প্ৰতিনিধি হিচাবে এই বিষয়টোত কি হৈ আছে আমি একো জানিবলৈ পৰা নাই। সম্পূৰ্ণ অন্ধকাৰত আছে। কেৱল যে বিৰোধী পক্ষৰ প্ৰতিনিধি বিধায়ক সকলেই অন্ধকাৰত আছো এনে নহয় শাসক দলৰ বিধায়ক কিছুমানো এই দিশত অন্ধকাৰত আছে। কেৱল বাতৰি কাকতত পোৱা মতে আলফাৰ তলৰ কেডাৰৰ কৰ্ম্মী সকলো এনে আলোচনাৰ বিষয়ত অন্ধকাৰত আছে। আলোচনাৰ বাবে সুন্দৰ শান্তিপুৰ্ণ আৰু মুক্ত পৰিৱেশ হব লাগিব। যদি বাধ্যতামুলক ভাবে আলোচনাত ৰহিবলৈ আলফাক বাধ্য কৰোৱা হয় তেনেহলে ৰাজ্যখনলৈ শান্তি আহিব বুলি যি ভাব কৰা হৈছে তাত বাধাৰহে সৃষ্টি হব। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীয়ে কলিকতাত সাংবাদিকৰ সভাত কোৱা বুলি প্ৰচাৰ কৰা হৈছে যে যদি আলফাই আলোচনাত নবহে তেনেহলে পুনৰ আৰ্মি নমাব। ইয়াৰ দ্বাৰা কিন্তু স্থায়ীভাবে শান্তি নাহিব। মই জয়নাথ শৰ্মা হিচাবে ব্যক্তিগত ভাৱে কোৱাই নহয় এ-জি-পি দলৰ আলফা সম্পৰ্কত স্পষ্ট নীতি হ'ল আলফাৰ লগত আলোচনা কৰি ৰাজনৈতিক সমস্যাৰ ৰাজনৈতিক ভাবে সমাঠান কৰা প্ৰয়োজন। আমাক ৰাজনৈতিক দলৰ নীতি সম্পৰ্কে সুধিলেও আমি সেইটোৱেই কম। কিন্তু এ-জি-পিক দোষাৰোপ কৰি যি বিলাক কৈছে তাৰ পৰা আমি ভাবিবলৈ বাধ্য হৈছো যে আমাক এ-জি-পিৰ নীতি সম্পৰ্কে তেখেত অবগত নহয় বা তেখেতে কোৱা কথাকে বিকৃত ভাবে কিবা কাৰণত প্ৰচাৰ কৰা হৈছে। অধ্যক্ষ মহোদয়, যদি বাধ্যতামূলক ভাবে আলোচনাত ৰহিবলৈ জোৰ কৰা হয় তেনেহলে পিচত আলফাই আকৌ হাতত অস্ত্ৰ তুলি লব। আকৌ আলফাৰ তৰফৰ পৰা চৰকাৰে আলোচনাত বাধাৰ সৃষ্টি কৰা বুলি বিবৃতি দিয়া হৈছে। শান্তিপূৰ্ণ আলোচনা কৰিম বুলিও চৰকাৰৰ ফালৰ পৰা আৰ্মি জপাই দিয়া হৈছে আৰু বুদ্ধিজীৱিক গ্ৰেপ্তাৰ কৰা

হৈছে। এইটো মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো যে যোৱা ২৮ ফেব্ৰুৱাৰী তাৰিখে ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত সুৰেন শৰ্ম্মাৰ ঘৰত ৰাতি তিনিজন আৰ্মি সোমাই যায়। পিচত ঘৰৰ মানুহে চিঞৰ-বাখৰ কৰাত পলাই যায়। তেখেতৰ ঘৰৰ ভুজনক বেয়া ব্যৱহাৰ কৰা বুলিও অভিযোগ কৰিছে। মই নিজে এচ-পিক মাতি এই বিষয়ত তদন্ত কৰিবলৈ কৈছিলো কিন্তু তদন্তৰ কি হ'ল এতিয়ালৈ জনা নাই। মাত্ৰ চাৰিদিনৰ আগতে ব্যাসপাৰা হাইস্কুলৰ নবম দশম মান শ্ৰেণীৰ ছাত্ৰীক বেম্পলৈ আৰ্মিয়ে লৈ গৈ নানান কথা সুধিছে। তেওঁলোকে হিন্দীত কথা সোধে ছোৱালী বিলাকে বুজি নাপায়। স্কুলৰ হেড মাষ্টৰে বিষয়টোত কিবা সুধিছিল কাৰণে তেখেতকো ধমকি আৰু ভাবুকি দিছে। বিভিন্ন ঠাইত এনেকৈয়ে আৰ্মিয়ে অত্যাচাৰ কৰি আছে। বিশেষকৈ যোৱা ২৮ তাৰিখৰ পৰা গোটেই অসমতে বিশেষকৈ দৰং জিলাত আৰ্মিয়ে সৰ্বসাধাৰণ মানুহৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰিছে। ইয়াৰ পৰিণতি কি হব পাৰে। যিসকল আলফাৰ নেতাই আলোচনাৰ পৃষ্ঠপোষকতা কৰিছিল সেই সকল এতিয়া বিপদত পৰিছে। আজিৰ অসম কাকতখনত যোৱা ১৯ তাৰিখত এটা বিবৃতি দিছে আলফাৰ পৰা যে অতৰ্কিতে সেনা বাহিনীৰ অভিযান চলোৱা হৈছে। আলোচনা কৰিবলৈ ওলোৱা আলফাৰ নেতা সকলক একমাত্ৰ চৰকাৰেহে অৰ্থাৎ শইকীয়াইহে ৰক্ষা কৰিব পাৰিব। গতিকে বুজা যায় তেওঁলোক কিমান বিপদত পৰিছে। অধ্যক্ষ মহোদয়, ইয়াতে এটা কথা লক্ষ্য কৰিবলগীয়া যে মুখ্যমন্ত্ৰী মহোদয়ে বিবৃতি দিছে যে আলফাৰ লগত পোনপটীয়া সম্পৰ্ক থকা কেনো লোকক গ্ৰেপ্তাৰ কৰা নাই। আৰু আলফাৰ লগত তেনে পোনপটীয়া সম্পৰ্ক থকা বুলি জনা হলে গ্ৰেপ্তাৰ নকৰিলেহেতেন। কিন্তু কথা হ'ল আলফাৰ লগত যদি কোনো বুদ্ধিজীৱি আছে তেওঁলোকৰ লগতো আলোচনা কৰিব লাগিব। কাৰণ আমাৰ মূল উদ্দেশ্য হৈছে ৰাজ্যখনলৈ শান্তিৰ পৰিবেশ ঘুৰাই আনা। আলোচনাৰ কাৰণেই আলোচনা নকৰি শান্তি স্থাপন কৰাৰ কাৰণেহে আলোচনা কৰিব লাগিব। অলগতে লক্ষীমপুৰত কিছুমান আলফাৰ নেতাই আত্ম সমৰ্পণ কৰা বুলি শুনিব পাৰিছো। নগাওঁতো কিছুমান আলফাৰ নেতাই আত্ম সমৰ্পণ কৰা বুলি টি-ভিত দেখিবলৈ পাইছো। এতিয়া কথা হ'ল যদি আলফাৰ কিছুমান নেতাই আত্মসমৰ্পণ কৰিছে সেই সকলক পুনৰ সংস্থাপন কৰিবলৈ চৰকাৰৰ ফালৰ পৰা সকলো ধৰণৰ সুব্যৱস্থা কৰিব

লাগিব। কিন্তু এই ক্ষেত্রত চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা লৈছে এতিয়ালৈ জানিব পৰা নাই। প্ৰকাৰন্তৰে এই ক্ষেত্ৰত চৰকাৰী নীতি স্পষ্ট হৈ উঠা নাই। যি সকলক আত্মসমৰ্পণ কৰা বুলি প্ৰচাৰ যোগে জনোৱা হৈছে সেই সকলৰ কাৰণে চৰকাৰী ভাবে পুনৰসংস্থাপনৰ কি কি ব্যৱস্থা লৈছে আমি কোনেও জানিব পৰা নাই। সেয়েহে আত্মসমৰ্পণ কৰাটো সঁচা হয়নে নহয় সেইটোও সন্দেহতে আছে। যদি সঁচাকৈয়ে আত্ম সমৰ্পণ কৰিছে সেই সকলৰ কাৰণে পুনৰ সংস্থাপনৰ দিহা বা নীতি নেদেখিলে সেই সকলৰ অৱস্থা দুখ লগা হব আৰু তেওঁবিলাকৰ দুখ লগা অৱস্থা দেখিলে বাকী আলফাৰ কৰ্মী বা ৰাইজৰ মাজত ক্ষোভৰ সৃষ্টি হব আৰু নতুনকৈ কোনো আলফাৰ কৰ্মী বা নেতাই আত্মসমৰ্পণ কৰিবলৈ সাহস নকৰিব। শান্তি স্থাপনৰ প্ৰবণতা আলফাৰ তৰফৰ পৰা দেখুওৱা হৈছে আৰু চৰকাৰৰ ফালৰ পৰাও তাক প্ৰমাণ কৰিব লাগিব।

( সময়ৰ সংকেট )

অধ্যক্ষ মহোদয়, প্ৰথম কথা হৈছে আলফা নিষিদ্ধ সংগঠন বুলি যিটো সচৰাচৰতে কোৱা হৈছে সেইমতে কিন্তু মুখ্যমন্ত্ৰী মহোদয়ে বিধান সভাত কেতিয়াও এইটো অবৈধ সংগঠন বুলি কোৱা নাই। মুখ্যমন্ত্ৰীয়ে আলফাক ক'তো নিষিদ্ধ সংগঠন বুলি কোৱা নাই। গতিকে এইটো উঠাই দিয়ক। অৰ্থাৎ নিষিদ্ধ কথাটো উঠাই দিয়ক। দ্বিতীয় কথা টাডাত বন্দী হৈ থকা সকলক মুকলি কৰি দিয়ক। কিয়নো টাডাত বন্দী হৈ থকা বহুতেই সাধাৰণ পৰিষদৰ সদস্য আৰু তেওঁবিলাকৰ অনুপস্থিতিত সাধাৰণ পৰিষদৰ সভা বৈঠক আদি বহিব পৰা নাই। তাৰ উপৰিও সাধাৰণ পৰিষদৰ বৈঠকৰ বাবে প্ৰয়োজনীয় বুলি কাগজে পত্ৰে বা বিবৃতিৰ পৰা পাই থকা পৰেশ বৰুৱা এতিয়া ক'ত আছে বা আছেনে নাই সেইটো চৰকাৰৰ ফালৰ পৰা স্পষ্ট কৰি দিব লাগে। কিয়নো আলফাৰ কৰ্মীয়েও বহুতে নাজানে পৰেশ বৰুৱা এতিয়া ক'ত আছে ? নে তেওঁক হীৰক জ্যোতি মহন্তৰ নিচিনা ঘটনা কৰা হ'ল। পৰেশ বৰুৱাক অনাৰ কাৰণে আলোচনাৰ কাৰণে কি ব্যৱস্থা লৈছে সেইটো স্পষ্ট ভাৱে জনাই দিব লাগে। পোনপটীয়াভাবে চৰকাৰ আলোচনাৰ বাবে যে আগ্ৰহী সেইটো স্পষ্ট হৈ উঠিব লাগে। কিয়নো কিছুমান বিখ্যাত দিনৰ কথাই আমাৰ জনসাধাৰণৰ মাজত আৰু বাতৰি কাকতত পোৱা মতে আলফাৰ কৰ্মীৰ মাজতো

সন্দেহৰ উদ্ৰেক কৰিছে। যেনেকৈ পণবন্দী মুক্তি দিয়া প্ৰসঙ্গত কেন্দ্ৰৰ পৰা খবৰ দি জনালে যে আলফাই পণবন্দীক মুক্তি দিছে অথচ সেই সম্পৰ্কত ৰাজ্য চৰকাৰে একো নাজানে। কেন্দ্ৰীয় চৰকাৰে জানে অথচ ৰাজ্য চৰকাৰে নাজানে এই ধৰণৰ কথাই স্বাভাৱিকতে সন্দেহৰ সৃষ্টি কৰিছে। এই বিলাক কথা অসমৰ জনসাধাৰণৰ জ্ঞাতাৰ্থে জনাব লাগে আৰু জনাৰ লাগে আলফা আৰু চৰকাৰৰ মাজৰ বৰ্ত্তমানৰ হৈ থকা আলোচনাৰ বিষয় লৈ সম্পৰ্ক। বাইজ শান্তিপ্ৰিয় আৰু সেই কাৰণে চৰকাৰ আৰু আলফাৰ মাজত আলোচনাৰ যাতে কোনো ৰাধাৰ সৃষ্টি নহয় বা অসুবিধাৰ সৃষ্টি নহয় তাৰ কাৰণে সদনত জনাব লাগে। জনসাধাৰণৰ মাজত জনোৱাতো ৰাজ্যিক চৰকাৰৰ দায়িত্ব। এতিয়া চৰকাৰে আলফা সম্পৰ্কত যি ধৰণৰ কাৰ্য্য কলাপ আৰম্ভ কৰিছে ৰাইজে তাত সন্দেহ কৰিছে, যদি চৰকাৰে আলোচনাত বাধা দিছে সেইটোও জনাৰ লাগে আৰু যদি ৰাধা দিয়া নাই সেইটোও স্পষ্ট কৰি জনাই দিব লাগে। আলফাৰ ওপৰত থকা নিষিদ্ধ উঠাই লব লাগে আৰু টাডা বন্দী সকলক মুকলি কৰি দিব লাগে। কিয়নো টাডাত বন্দী হৈ থকা, কৰ্মী সকলৰ অভিভাৱক সকলে তেওঁ-বিলাকৰ লোক বন্দী হৈ থকা অৱস্থাত আলফা আৰু চৰকাৰৰ মাজত আলোচনাৰ বাবে বাধাৰ সৃষ্টি কৰিব পাৰে। তেতিয়াহলে ইয়াৰ কাৰণে পোনপটীয়া ভাৱে চৰকাৰেই দায়ী হব। এই ক্ষেত্ৰত চৰকাৰেও নিজৰ দায়িত্ব পালন কৰিব লাগিব। গতিকে মই মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে আলফা আৰু চৰকাৰৰ মাজত কি ধৰণৰ হৈ আছে আলোচনা কেনে পৰ্য্যায়ত আছে সকলো কথাকেই জনসাধাৰণক জনাই থকা উচিত হব। তেনে কৰিলেহে চৰকাৰৰ আলফা সম্পৰ্কীয় নীতি আৰু আলোচনাৰ অগ্ৰগতি আদি বিষয় পৰিস্ফুট হব। আলোচনাৰ ক্ষেত্ৰত চৰকাৰে বাধা অনা বুলি আলফাই অনা অভিযোগ চৰকাৰে খণ্ডন কৰা নাই। গতিকে এই অভিযোগ চৰকাৰে খণ্ডন কৰিব লাগে।

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী: অধ্যক্ষ মহোদয়, আমাকো অলপ কব দিব লাগে। মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্মাই ডাঙৰ ডাঙৰকৈ কব পাৰে কাৰণে তেখেতক যদি কব দিয়ে তেতিয়াহলে আমিও ডাঙৰ ডাঙৰকৈ আজিৰ পৰা কম। আপুনি কব নিদিলে আমাৰ উপায় নাই।

---

* Speech not corrected.

*শ্রীশশকমল সন্দিকৈ ঃ অধ্যক্ষ মহোদয়, খুব সংক্ষেপে কম আমাকো কৰ দিব লাগে।

মাননীয় অধ্যক্ষ ঃ আপোনালোকে আজিৰ বিধান সভাৰ কাৰ্য্যসূচী দেখিছে তুইজনে অলপ অলপ কওঁক প্ৰথমে শ্ৰীসন্দিকৈ—-

* শ্ৰীশশকমল সন্দিকৈ : মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মানুহ আজি বহুত দিন ধৰি অশান্তিত জীয়াই আছে। মই আগতেওঁ কৈছো যে অসমৰ ৰাইজে শান্তি বিচাৰে। কিন্তু আমি বৰ্ত্তমান খবৰ কাগজ আদিত যিবিলাক পঢ়িছো বৰ্ত্তমান চৰকাৰে যেন এই ইচুটো জীয়াই ৰাখিব বিচাৰিছে। আজি কাৰ্বি, বড়ো ভাই সকলে তেওঁলোকৰ সমস্যা সমূহৰ সমাধানৰ ক্ষেত্ৰত এই চৰকাৰৰ ওপৰত সন্দেহৰ উদ্ৰেক প্ৰকাশ কৰিছে। এফালে আমি শান্তি বিচাৰিছো, অসমৰ ৰাইজে শান্তি বিচাৰিছে আনফালে চৰকাৰৰ যি নীতি তাৰ পৰা সন্দেহ হৈছে শান্তি ঘুৰি আহিব নে নাই? আলফা আৰু চৰকাৰৰ মাজৰ যি আলোচনা সেই আলোচনাৰ ক্ষেত্ৰত চৰকাৰৰ একো স্পষ্ট নীতি নাই। গতিকে আমাক এটা স্পষ্ট নীতিৰ কথা কওক। আমি আলোচনা বিচাৰিছো আৰু তাৰ এটা মীমাংসা বিচাৰিছো, সেই মীমাংসা সোনকালে কৰক এয়ে আমাৰ অনুৰোধ।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, আজিৰ বাতৰি কাকতত প্ৰকাশিত হৈছে আলফাৰ এটি বিবৃতি আৰু এই বিবৃতিটোত স্বাক্ষৰ কৰিছে সাধাৰণ সম্পাদক অনুপ চেতিয়াই। গতিকে এই বাতৰিক আমি বিশ্বাস কৰিবই লাগিব। বিবৃতিটোত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে, চৰকাৰৰ বিৰুদ্ধে অভিযোগ আনিছে আৰু কৈছে যে অসম চৰকাৰে আলোচনাৰ পৰিৱেশত বাধাৰ সৃষ্টি কৰিছে কথাটো নিশ্চয় সঁচা ইয়াত কাৰো দ্বিমত নাই। চৰকাৰৰ আলফাৰ লগত আলোচনা কৰাৰ আন্তৰিকতা নাই ৰাজনৈতিক মুনাফাৰ কাৰণে ইচুটো জীয়াই ৰাখিব বিচাৰে বা তাৰ প্ৰক্ৰিয়াহে আৰম্ভ কৰা যেন লাগিছে। গতিকে চৰকাৰে কি কৰিব বিচাৰিছে তাক ৰাইজক অৱগত কৰিব লাগে। মই এটা কথা কৰ বিচাৰিছো যে অধ্যক্ষ মহোদয়, সংবাদ পত্ৰৰ লগত আপুনিও জৰিত আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে এই সাংবাদিক দুজনক আলফাৰ

* Speech not corrected.

লগত জৰিত বুলি জনা হলে গ্ৰেপ্তাৰ নকৰিলোহেঁতেন কিন্তু তেওঁলোক ৰাষ্ট্ৰ ৰিৰোধী কামত লিপ্ত থকা কাৰণেই গ্ৰেপ্তাৰ কৰা হৈছে। এফালে ৰাষ্ট্ৰ ৰিৰোধী বুলি কৈছে আনফালে আলফাৰ নিচিনা নিষিদ্ধ সংগঠন এটাৰ লগত জৰিত থকা বুলি জানিলে গ্ৰেপ্তাৰ নকৰিলেহেঁতেন বুলি কৈছে। আন যিয়েই নকওঁক মানব অধিকাৰ সাব্যস্ত হৰই লাগিব। মানব অধিকাৰৰ ক্ষেত্ৰত ন্যুনতম কম্প্ৰোমাইজ কৰা নহৰ। এই চৰকাৰৰ উদ্দেশ্য এয়ে নেকি যে অসমৰ জন-সাধাৰণৰ কিছু লোক উত্তেজিত হৈ থাকক। মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা কথা কব ৰিচাৰিছো মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে আলোচনাত ৰাধা দিয়া সকলক গ্ৰেপ্তাৰ কৰা হব বা একচন লোৱা হব কিন্তু আলফাই নিজে মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে অভিযোগ আনিছে আলোচনাত বাধা দিয়া বুলি এতিয়া মুখ্যমন্ত্ৰীক এন, এচ, এত কোনে গ্ৰেপ্তাৰ কৰিব? বাতৰি কাকতত প্ৰকাশ পাইছে যে কেন্দ্ৰীয় মন্ত্ৰী চৱন আৰু ৰাজেশ পাইলটে আলোচনাত ৰিধি পথালি দিছে গতিকে তেওঁলোকক এন, এচ, এত কেনেকৈ গ্ৰেপ্তাৰ কৰিব? গতিকে আমি মানৱ অধিকাৰৰ ক্ষেত্ৰত কেতিয়াও কম্প্ৰোমাইজ নকৰো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই ৰহুত কেইটা কথা উত্থাপন কৰিছে। তেখেতে এটা কথা কৈছে যে চৰকাৰৰ আলোচনাৰ প্ৰতি আন্তৰিকতা আছে নে নাই? চৰকাৰৰ আন্তৰিকতা আছে আৰু এই আন্তৰিকতা থকাৰ কাৰণেই তেওঁলোকে ৰিচৰামতে ৩ মাহ সময় বঢ়াই দিয়া হৈছে। মই ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত উত্তৰ দিওঁতে কৈছিলো যে আলফাৰ নেতৃত্বন্দই যোৱা ১২ জানুৱাৰী তাৰিখে প্ৰধান মন্ত্ৰীক লগ ধৰে আৰু তেওঁলোকৰ মতামত ব্যক্ত কৰে। তেওঁলোকৰ মতামতক ভিত্তি কৰি আলোচনাৰ বাট প্ৰশস্ত কৰি-বলৈ প্ৰথমে ৩১ জানুৱাৰীলৈ অপাৰেচন ৰন্ধ ৰাখে। তাৰ পিছত তেওঁলোকে ফেব্ৰুৱাৰী মাহটো সময় ৰিছাৰে সেইমতে বঢ়াই দিছে আৰু এতিয়া ৩১ মাৰ্চলৈ সময় বিছৰাত ৩১ মাৰ্চলৈ সময় ৰঢ়াই দিয়া হৈছে। আলোচনাৰ কাৰণে আন্ত-ৰিকতা আছে কাৰণেই এনেদৰে তেওঁলোকে বিচৰামতে সময় ৰঢ়াই থকা হৈছে। আজি কাগজত দেখিলো আলফাৰ সাধাৰণ সম্পাদক শ্ৰীঅনুপ চেতিয়াই দুজন সাংবাদিক আৰু এজন উকীলক গ্ৰেপ্তাৰ কৰা কাৰণে ক্ষোভ প্ৰকাশ কৰিছে। কিন্তু তেওঁলোকক সাংবাদিক হিচাৰে নহয় ৰাষ্ট্ৰ বিৰোধী কামত লিপ্ত থকা

বুলিহে গ্ৰেপ্তাৰ কৰা হৈছে। আপোনালোকে জানে যে ৰাষ্ট্ৰ বিৰোধী কামত লিপ্ত হলে কোনো চৰকাৰৰ কাৰণে তেওঁক ৰক্ষা কৰাৰ উপায় নাই। সাংবাদিক সকলৰ স্বাধীনতা আছে। তেওঁলোকে খবৰৰ কাগজত লিখিব পাৰে সেই লিখা-টোক আমি বাধা দিব খোজা নাই। মই বাৰে বাৰে এই কথাটো পৰিস্কাৰ কৰি দিছো যে তেওঁলোকক সাংবাদিক হিচাবে এৰেষ্ট কৰা নাই এৰেষ্ট কৰা হৈছে ৰাষ্ট্ৰ বিৰোধী কামত লিপ্ত হোৱা কাৰণেহে। তেওঁলোকক এৰেষ্ট কৰা কাৰণে আজি মানব অধিকাৰ সমিতিয়ে মাত মাতিছে। কিন্তু ইতিপূৰ্ব্বে যি সকল ব্যক্তিক হত্যা কৰা হ'ল, যিবিলাকক লুণ্ঠন কৰিলে তেতিয়া মানব অধিকাৰ সমিতি কলৈ গৈছিল ?

মাননীয় অধ্যক্ষ মহোদয়, তেতিয়া মানৱ অধিকাৰ সমিতি ক'ত আছিল। যিসময়ত মানবেন্দ্ৰ শৰ্মা, সাংবাদিক কমলা কলিতা, সাংবাদিক আগৰৱালাক নৃশংসভাবে হত্যা কৰিছিল। তেতিয়া মানৱ অধিকাৰ বিচাৰিছিল নেকি ? মই এইটো কথা কব খুজিছো যে মানৱ অধিকাৰ সম ভাৱে হব লাগে একপক্ষ ভাবে কেতিয়াও হৰ নোৱাৰে। যিদিনা বুধবাব কাকতখন মই পঢ়িছিলো তাত দেখিছো যে মানৱ অধিকাৰ সমিতিয়ে কৈছে কেন্দ্ৰীয় চৰকাৰৰ দুৰ্ব্বলতাব সুযোগ লৈ আমি আমাৰ এনেধৰণৰ সংগ্ৰাম গঢ়ি তুলিৰ লাগিব। কেন্দ্ৰীয় চৰকাৰৰ দুৰ্ব্বলতাৰ সুযোগ লৈ যদি মানৱ অধিকাবৰ সুযোগ লৈ আন্দোলন কৰিব বিচাৰিছে তেনেহলে এইটো কেনেধৰণৰ কথা। মানৱ অধিকাবৰ অৰ্থ এইটোৱেই হব নেকি ? কেন্দ্ৰীয় চৰকাৰৰ দুৰ্ব্বলতাত মানৱ অধিকাৰৰ সুযোগ লওঁতে অনিহা সৃষ্টি কৰি লম। এইটো কেতিয়াও হব নোৱাৰে। এঠাইত আৰু কৈছে যে শইকীয়াই বহিৰলৈ লয় কিন্তু লবাহতে আঠু লয়।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৮ চনতে এই যুৱক সকলে গোটখাই শিৱসাগৰৰ ৰংঘৰত এখন সভা পাতিছিল। তাত সিদ্ধান্ত লৈছিল যে অসমক শোষণমুক্ত কৰিব লাগিব, অসমক স্বাধীন কবিম। আৰু অসমক স্বাধীনমুক্ত কৰিবৰ কাৰণে ১৪ বছৰ সশস্ত্ৰ সংগ্ৰাম কৰিছিল। এই ১৪ বছৰ সংগ্ৰাম কৰা এই যুৱক সকলক অহিংসা পথলৈ আনিবলৈ যাওঁতে নিশ্চয় কিছু সময় লব পাৰে। কিন্তু এতিয়া সেই যুৱক সকলে ভাৰতীয় সংবিধানৰ গণ্ডীৰ ভিতৰত থাকি অসমৰ সমস্যা সমাধান কৰিৰ ষিচাৰিছে। তেনে কেইজনমান যুৱকে

সশস্ত্ৰ সংগ্ৰাম পৰিহাৰ কৰি আৰম্ চাৰানদাৰ কৰা পথৰ পৰা শান্তিৰ পথলৈ ঘুৰাই অনাত কিমান সময় লাগিব সেইটো আপোনালোকে নিশ্চয় জানে। এই হিংসা পথ লোৱা যুৱক কিছুমানে অহিংসা পৰিহাৰ কৰিব বিচাৰিছে। এই যিটো দৰ্শন সেইটো ৰূপায়িত কৰিবলৈ কিছু সময় লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীচেতিয়া ডাঙৰীয়াই যিটো বিবৃতি দিছে সেইটোত তেওঁলোকৰ মনৰ কথা ব্যক্ত কৰিছে। মই এইটো কেতিয়াও নেভাবো যে তাৰ দ্বাৰা শান্তিৰ বাতাবৰন ধ্বংস হব। এনেকুৱা ২/৪ টা ঘোষণাই শান্তিৰ পৰিবেশ কেতিয়াও নষ্ট নকৰে। শান্তিৰ পৰিবেশ ঘুৰি আহিছে আৰু আহিব। কিন্তু ১৪ বছৰ সংগ্ৰাম কৰা যুৱক সকলৰ মানসিকতাক ১৪ বছৰ আন্দোলন কৰা যুৱকৰ মানসিকতাক শান্তিৰ পথলৈ সত্যৰ পথলৈ আনিবলৈ পৰ্য্যায়ক্ৰমে চেষ্টা কৰি থকা হৈছে। আপোনালোকক আগতেও কৈছোৱেই যে যোৱা ১২ জানুৱাৰী তাৰিখে 'আলফাৰ' নেতৃবৃন্দই আমাৰ প্ৰধানমন্ত্ৰীৰ ওচৰত গৈ নিজেই স্বীকাৰ কৰিছে যে অসমত শান্তি বিৰাজ কৰিব লাগে। আমি সশস্ত্ৰ সংগ্ৰাম পৰিহাৰ কৰি আৰম্চ চাৰানদাৰ কৰিম। কিন্তু মই ভাবো অসমত আজি শান্তিৰ পৰিবেশ এটা গঢ়ি উঠিছে। আমাৰ মাননীয় সদস্য শ্ৰীসন্দিকৈ ডাঙৰীয়াই কৈছে যে আমি ইয়াক জীয়াই ৰাখিব বিচাৰিছো। কিন্তু এইটো কথা কেতিয়াও সঁচা নহয়। এইবিলাক লিখে, লিখিও আছে। সকলো লিখাবিলাকেই যে সঁচা সেইটা কেতিয়াও নহয়। আমি শাসনৰ গাদীলৈ আহিয়েই কাৰ্বি স্বায়ত্ব শাসিত দাবীটোৰ সন্দৰ্ভত এক্সপাৰ্ট কমিটি কৰি দিছো। আৰু এই এক্সপাৰ্ট কমিটিয়ে ৰিপোৰ্ট দাখিল কৰিছে। এই প্ৰতিবেদন বৰ্ত্তমান পৰীক্ষা কৰি থকা হৈছে। বড়োলেণ্ডৰ বিষয়েও ৩১ মাৰ্চৰ ভিতৰত দাখিল কৰিবলৈ কৈছো। এতিয়া মাননীয় সদস্যসকলে কৈছে যে এই ইচুটো জীয়াই ৰাখিবলৈ বিচৰা হৈছে তেনেহলে সেইটো মই কেনেকৈ মানি লব পাৰো।

মাননীয় অধ্যক্ষ মহোদয়, অসমত শান্তিৰ পৰিবেশ ৰচনা কৰিবলৈ আমি দল-উপদল নিৰ্বিশেষে বাৰে বাৰে মাননীয় সদস্যসকলক সকলোকে সহযোগ কৰিবলৈ অনুৰোধ কৰি আহিছো। আমি এটা আশাৰ ৰেঙনি দেখিবলৈ পাইছো যে এই বিধান সভা চলি থকা সময়তে অসমৰ মানুহে শান্তিৰ বিৰাজ দেখিবলৈ পায় আৰু আমি সেই মৰ্মে আগবাঢ়ি আছো।

মাননীয় সদস্য সকলে আশা কৰক যাতে বিধান সভা চলি থকা অৱস্থাতে অসমত শান্তিৰ পৰিবেশ বিৰাজ কৰে।

Mr. Speaker : I have received Zero Hour notice from Shri Hiteswar Deka on a news item appeared in Dainik Asom dated 16.3.92 under the caption "কৰ্কট প্ৰতিস্থানটোৱেই কেনচাৰত আক্ৰান্ত।" Shri Deka will speak on the matter. Please be brief because we have got so many items for to-day.

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মই কেন্সাৰ ইনষ্টিটিউটৰ কথা কব বিচাৰিছো। এই কেন্সাৰ ইনষ্টিটিউটৰ অৱস্থা একেবাৰে শোচনীয়। যাৰ ফলত কেন্সাৰ ৰোগী অসমৰ বাহিৰলৈ যাব লগা হয়। ১৯৭৩ চনতে আমাৰ বি, বৰুৱা কেন্সাৰ ইনষ্টিটিউটখন স্থাপন কৰা হৈছিল। তেতিয়াৰ পৰা এই কেন্সাৰ ইনষ্টিটিউটখনে যিদৰে অগ্ৰগতি লাভ কৰিব লাগিছিল সেইদৰে অগ্ৰগতি হোৱা নাই। ১৯৮৫-৮৬ চনত চৰকাৰীকৰণ কৰাৰ কাৰণে ঘোষণা কৰা হ'ল কিন্তু আজি পৰ্য্যন্ত আৰম্ভ নহল। ইয়াৰ উপৰিও ৰাজ্যিক চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে যিখিনি ব্যৱস্থা লব লাগিছিল সেই ব্যৱস্থা লোৱা নহল। টাটা মেমৰিয়েল আৰু এটমিক এনাৰ্জিৰ পৰা বহুতো উন্নত ধৰণৰ যন্ত্ৰপাতি অনা হৈছিল এই কেন্সাৰ ইনষ্টিটিউট খন উন্নত কৰাৰ কাৰণে। কিন্তু সেই বিলাকো সদ্ ব্যবহাৰ নকৰাৰ কাৰণে অসমৰ মানুহ আজি বাহিৰলৈ গৈ চিকিৎসা কৰিব লগীয়া হৈছে। গতিকে মই মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই বিলাক যাৱতীয় ব্যৱস্থা লোৱাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

* শ্ৰীগৌতম ৰয় (ৰাজ্যিক স্বাস্থ্য মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, অসমত কেন্সাৰ ৰোগীক চিকিৎসা কৰিবৰ কাৰণে আৰু ইনষ্টিটিউটৰ অৱস্থা উন্নত কৰাৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা ব্যৱস্থা হাতত লোৱা হৈছে।

* শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, মই জিৰ' আৱাৰতেই এটা কথাৰ প্ৰতি আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। বিধান সভা বহা আজি কেইবাদিনো হল আৰু ইতিমধ্যে মই কেইবাটাও প্ৰশ্ন দিছিলো কিন্তু আজিলৈকে মোৰ এটা প্ৰশ্নৰ উত্তৰও অহা নাই। গতিকে অধ্যক্ষ মহোদয়ক

* Speech not corrected.

## ADJOURNMENT MOTION

অনুৰোধ কৰো আমি দিয়া প্ৰশ্নৰোৰৰও যাতে উত্তৰ দিয়াৰ ব্যৱস্থা কৰে।

Mr. Speaker: I have received a notice of Adjournment Motion tabbled by Honourable Members, Shri Mission Rajen Das Shri Chittendra Nath Mazumdar and Shri Z. N. Sarma about "হোজাইত দলীয় সংঘৰ্ষ সান্ধ্য আইন"। I now allow Shri Mission Ranjan Das to speak about the admissibility of their Adjournment Motion. Mr. Das should confine only on admissibility of the Motion.

শ্ৰীমিশন রঞ্জন দাস: মাননীয় অধ্যক্ষ মহোদয়, হোজাইতে গত পরশূদিন সাম্প্রদায়িক দাঙ্গা হয়েছে। আমার জানামতে সরকাৰী পক্ষের দলের লোকেরা এই দাঙ্গাৰ পিছনে ছিল। এদের চেষ্টার ফলেই এই দাঙ্গা হয়েছে। আমরা জানতে পেরেছি যে একটা মহিলা কলেজের প্রতিষ্ঠা নিয়ে এই দাঙ্গা করার চেষ্টা করা হয়েছিল। হোজাই শহরের জনমতকে উপেক্ষা করে শহরের গান্ধী ময়দানে এই কলেজের প্রতিষ্ঠা করার জন্য শিলান্যাস অনুষ্ঠানের দিন হোজাই শহরের মানুষ বন্ধ আহ্বান করেছিল। আর এই বন্ধের মধ্যেই গত ২৩ জানুয়ারী সরকার পক্ষ থেকে শিলন্যাস অনুষ্ঠান করা হয়। এই ব্যাপারে এটা উত্তেজনা সরকারী চেষ্টায় চলে আসেছিল। ফলে গত পরশূদিন যে ঘটনা ঘটেছে তা উদ্দেশ্য প্রনোদিত ভাবেই ঘটেছে। কারণ একটা ফটোর বিল নিয়ে গোলমালকে কেন্দ্র করে এতবড় একটা ঘটনা ঘটতে পারে না। যদি না এর পিছনে কোনও বড় চক্রান্ত কাজ না করে। এর মধ্যে একজন মাননীয় মন্ত্রীর অত্যন্ত ঘনিষ্ঠ লোকও জড়িত রয়েছে। (গোলমাল)।

সুতরাং এতবড় একটা ঘটনার পিছনে প্রকৃত সত্য উৎঘাটন করার জন্য বিস্তারিত আলোচনার প্রয়োজন। তাই মহোদয়, আমার অনুরোধ আজ সভার অন্যান্য কাজ স্থগিত রেখে এই বিষয়ে যেন আলোচনা করতে দেওয়া হয়।

Mr. Speaker: Mr. Dewan you can not say as your name is not in the notice of adjournment Motion.

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, আজি যিটো বিষয়ৰ ওপৰত সভা স্থগিত প্ৰস্তাৱ অনা হৈছে সেইটো হৈছে হোজাইত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষ। ইয়াত নিহত হৈছে এজন আৰু আহত হৈছে ৬ জন। এই বিষয়টোৰ ক্ষেত্ৰত প্ৰথম কথা মিনিষ্ট্ৰীয়েল ৰেচপন্‌চিবিলিটি আছে নে নাই সেই বিষয়ে কব খুজিছো। এখন ঠাইত আকস্মিক ভাবে দুটা দলৰ মাজত সাম্প্ৰদায়িক সংঘৰ্ষ ঘটিছে আৰু সেইটো ৰোধ কৰাৰ কাৰণে চৰকাৰৰ দায়িত্ব আছে নে নাই সেইটোৰ এডমিচিবিলিটিৰ বিষয়ে কলেই প্ৰমাণিত হব। আজি ৰাজ্যখনৰ আইন শৃঙ্খলা ৰক্ষাৰ দায়িত্ব বিধায়ক সকলৰ নহয়, এইটো চৰকাৰৰ দায়িত্ব। গতিকে ইয়াত যে মিনিষ্ট্ৰীয়েল ৰেচপন্‌চিবিলিটি আছে সেইটো কোনেও নুই কৰিব নোৱাৰে। এই বিষয়টোত আৰজেঞ্চি আছে। যোৱা পৰহি তাত ঘটনা ঘটিছে, যোৱা কালি তাত বন্ধ পালন কৰা হৈছে আৰু আজি সদনত সভা স্থগিত প্ৰস্তাৱ উত্থাপিত হৈছে। কথাটো হৈছে Practice and procedure of the parliament. In interpreting whether the matter is urgent or important, we should not take the ordinary meaning of the term. আৰজেণ্ট বিষয় এটা যেতিয়া আমি সদনত আলোচনা কৰিব খোজো তেনেহলে তেনে বিষয় অন্য ৰুলৰ জৰিয়তে অনাৰ কথা নাই।

মাননীয় অধ্যক্ষ : আপুনি ৰুলৰ কথা কৰ নালাগে। আপুনি মূল বিষয়টো কৈ যাওক।

* শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমাৰ এপাতেই অস্ত্ৰ আছে সেইটো হৈছে এডজাৰন্‌মেণ্ট মোচন। পাৰ্লেমেণ্টৰী মন্ত্ৰীয়ে এটা কথা কোৱা শুনিলো ফেকচ্‌টো কব লাগিব। এতিয়া কথা হৈছে ফেকচ্‌টো নো কি ? ঘটনাটোৰ সুত্ৰপাত হৈছে ফটোৰ দোকানত হোৱা কাজিয়াৰ পৰা। দুটা দলৰ মাজত সংঘৰ্ষ লাগিছে কিন্তু সময়মতে তালৈ পুলিচ নগল। বাতৰি কাকতত আৰু এটা কথা প্ৰকাশ হৈছে যে প্ৰাক্তন মন্ত্ৰী শ্ৰীশান্তিৰঞ্জন দাস গুপ্তৰ নামটোও ইয়াত আহিছে। এতিয়া মোৰ প্ৰশ্ন হৈছে এই পৱিত্ৰ ৰমজান মাহত মানুহক আপোনালোকে শান্তিত থাকিব নিদিয়ে কিয় ? যদি তেওঁলোকে এই ঘটনা লুকুৱাবলৈ চেষ্টা কৰা নাই তেনেহলে বন্ধ কৰাৰ বাবে চেষ্টা কৰা নাই কিয় ? (ভইচ)

যদি প্ৰাক্তন মন্ত্ৰী এজনে গোটেই ঘটনাটোৰ লগত জড়িত থাকি দুটা

* Speech not corrected.

ধৰ্মীয় দলৰ মাজত কাজিয়া লগাইছে তেনেহলে সেই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে সেই কথাটো ইয়াত সভা স্থগিত প্ৰস্তাৱৰ জৰিয়তে আলোচনা কৰাৰ প্ৰয়োজন আছে। যোৱা কালিও বীকৰাবীত নামাজ পঢ়ি ঘুৰি আহোতে এজন মানুহক ৰাতিতে ধৰি মাৰিছে। ইয়াৰ উদ্দেশ্য কি ?

এই পবিত্ৰ ৰমজান মাহতো তেওঁলোকক শান্তিত থাকিব নিদিয়ে কিয় ? আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীমহন্ত ডাঙৰীয়াই নগাওঁলৈ গৈছিল। কিন্তু তেওঁক হোজাইলৈ যাব নিদিলে। তেখেতৰ লগত শ্ৰীজয়ন্ত ৰংৱাইও গৈছিল ঘটনাটো কি হৈছে তাক চাবলৈ। কিন্তু যাবলৈ নিদিলে। নগাওঁ হোজাই চহৰত কোনো পুলিচ নাই।

* শ্ৰীআফজালুৰ ৰহমান (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্যই আপোনাক কৈছে নে আমাক কৈছে ?

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই সকলোকে কৈছো।

* শ্ৰীগৌতম ৰায় (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ১৯৮৬ চনত হাইলাকাণ্ডিত কি হৈছিল, মাননীয় সদস্যই নেজানে নেকি ?

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, সেইটো সকলোৰে জ্ঞাত। কিন্তু এই ঘটনাটো জুডিছিয়েল এন্‌কুৱাৰী কৰক। ঘটনাটো কি হৈছে চাওঁক। জুডিচিয়েল এন্‌কুৱাৰী হওঁক আপত্তি কিয় কৰে ? ইমান ভয় খায় কিয় ? এই গোটেই বিষয়টোৰ মাজত মই দেখাত এটা ৰাজনৈতিক ষড়যন্ত্ৰ আছে। দুটা দলৰ মাজত কাজিয়া লগাবলৈ চেষ্টা কৰা হৈছে। আজি এই বিষয়ৰ ওপৰত সভা স্থগিত কৰি আলোচনা কৰা হওঁক। ৰাইজৰ মাজত ভুল বুজা-বুজি হৈছিল। সকলো ক্ষেত্ৰত শান্তি স্থাপন কৰাটো বিধান সভাৰ দায়িত্ব। এজনে কাজিয়া লগাই দিয়াটো কোনেও আদৰণি জনাব নোৱাৰে। আমি এই ঘটনাক গৰিহণা দিওঁ, এইটো শান্তিৰে আলোচনা কৰি, মাত মাতো বাহিৰত শান্তি স্থাপনৰ বাবে দলীয় সংঘৰ্ষ ৰোধ হওঁক, কিছু সহায়ক হওক তাৰ সভা স্থগিত কৰি আলোচনা কৰিব লাগে।

* শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদাৰ ঃ অধ্যক্ষ মহোদয়, সদনে এ ব্যাপারে আলোচনা হওয়া দরকার। .... .... (সদনত গণ্ডগোল) .... ....। সামান্য একটা ঘটনাকে

* Speech not corrected.

কেন্দ্র করে হোজাই শহরে দুইটি দলের (সম্প্রদায়ের) মধ্যে যে বিভেদের দৃষ্টি হয়েছে সেটা সাধারণ ঘটনা হিসেবে ধরলে হবে না। এই ছোট ছোট ঘটনাকে কেন্দ্র করে এ ধরনের হাঙ্গামা বাধা নতুন ঘটনা নয়। গত নবেম্বর মাসে হাইলাকান্দিতেও এই ধরনের ঘটনা ঘটেছিল। এইসব ঘটনার সঙ্গে সরকার পক্ষের সদস্যদের যোগাযোগ আছে বলে হয়। সরকারী প্রশাসন যন্ত্র একটু সচেতন হলে হয়তো এই ধরনের ঘটনা ঘটতো না।

(ভয়েস .... .... গণ্ডগোল .... .... গণ্ডগোল .... .... ) .... .... একটা রেফারেন্স দরকার। রেফারেন্স হিসেবে আমি হাইলাকান্দির ঘটনা উল্লেখ করছি। বিদ্যুৎ সরবরাহ বন্ধ থাকায় একটা ক্ষুদ্র ঘটনাকে কেন্দ্র কেরে হোজাই শহরে যে হাঙ্গমা হলো তাতে দুজন যুবককে ছুরিকাহত হয়েছে। কি পরিপ্রেক্ষিতে এই ঘটনা হলো বা এর জন্য কেদায়ী তার জন্য একটা তদন্ত হওয়া দরকার করণ আমি মনে করি যে যথা সময়ে যদি প্রশাসন এ ব্যাপারে যথাযথ ব্যবস্থা নিত তাহলে হয়তো এই ঘটনা ঘটতো না। এই ধরনের সাম্প্রদায়ীক ঘটনার পরিপ্রেক্ষিতে সাধারণতঃ কার্ফু দেওয়া হয়, সৈন্য নামানো হয়। এই ধরনের ঘটনা যাতে ভবিষ্যতে আর না ঘটতে পারে সেটা আমাদের দেখা প্রয়োজন। হোজাই শহরে যে ঘটনা ঘটেছে তার একটা বিস্তারিত আলোচনা হওয়া উচিৎ বলে আমি মনে করি।

Dewan Jainal Abedin Mr. Speaker Sir, supporting adjournment, I would like to speak a few words in this matter. I have already pointed out that the matter is a definite matter of urgent public importance. I think nobody will question me whether a communal riot is a matter of public importance or not. Sir, it is a definite matter and specific matter and it is of recent occurence. So as per Rule 56 and 57 of the Rules of Procedure of Conduct of Business of this Houce it is a fit of matter, it meets all these questions. Now Sir, I am not going into the details of the incidents that occured day before

yesterday at Hojai, what I would like to point out is that Assam had been a very peaceful state. During the last two years when almost the rest of the country, the Northern India and some parts of the Southern India, there have been a regular communal trouble but Assam was almost a single instance along with a part of West Bengal where no communal riot has been witnessed. Now Sir, we have many defects in our administrative system. But what is truth, truth must be appreciated. It must be appreciated that in Assam we have a heritage of living in peace and harmony. Now in recent time Sir, we are very sorry to note, I am not going to support or critricse anybody or any party, but there must be a culprit who instigated the communal riots. It is for us to find out who the culpritis is ! There must be somebody who is responsible for communalising politics in Assam. Now in the recent times we have which that in Barak Valley some communal troubles have been going on but here in Brahmaputra Valley, it has been found to be extended. Now we are see ng that even this unhealthy trend raising their ugly heads in Brahmaputra Valley Sir. This is my warning sir. This trend must be nipped in the bud. One person has been killed, 13 persons injured and 66 persons have been arrested has been impursed and army has been deployed, flag- march has been done. Inspite of all these we cannot say definitely that this trend has been nipped in the bud. Now Sir, a communal trouble may start from a single incident which is not so importent but behind this incident there are certain under

currents. We are to find out and check this current. Why there should be such ill-feelings between the two communities. We must treat the cause, not the incidence alone. Now we should go to the depth of the real cause. Now Sir, I request you to allow this matter for adjourment motion to find out the real cause and the remedy of this very very important matter which concerns all of us irrespective of our political affiliation. It is not a matter on which resolution cannot be taken. Well, it is a matter on under sub-rule 7 of Rule 57 which will not raise the question of previlage which is not a primary concern of the State Government, it is a matter which is a concern of the State Government. Therefore, I would like to submit, this matter should be accepted for an adjournment motion. Thank you Sir.

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা পৰহি ৪ বজাত হোজাই চহৰত সান্ধ্য আইন জাৰি কৰি আৰ্মিৰ ফ্লেগ মাৰ্চ কৰা হল তাৰ ৰিষয়ে মই কবলৈ বিচাৰিছো। এটা সৰু ঘটনাৰ পৰাই এইটো হবলৈ পালে। ঘটনাটো ফটো ষ্টুডিও, ফটো প্ৰিন্ট কৰাৰ পৰাই আৰম্ভ হৈ স্নুহুৰ প্ৰসাৰি ইয়াৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। কিন্তু এইটো স্থানীয় প্ৰশাসনৰ দৃষ্টিগোচৰ নহল। অধ্যক্ষ মহোদয়, যোৱা কালি আমি কেইজনমান বিধায়ক আৰু যমুনামুখ সমষ্টিৰ বিধায়ক শ্ৰীৰাগিবী চাহাবৰ লগত তালৈ যাবলৈ ৰিচাৰিছিলো। কিন্তু আমাক জনালে তালৈ যাব নোৱাৰিব। দিশপুৰৰ লগত যোগাযোগ কৰাৰ পিচত যাব পৰা হ'ল। আমিয়ে ফ্লেগ মাৰ্চ কৰি আছে। পুলিচে কণ্ট্ৰল কৰিব পৰা নাই। চি আৰ পি এফ আৰু অসম পুলিচৰ মানুহ ১০ বজাত নিয়োগ কৰা হৈছে। তাৰ গণ্যমান্য মানুহ খিনিয়ে জনাইছে ঘটনাটো ইমান ডাঙৰ নহলহেতেন যদিহে পুলিচে কণ্ট্ৰল কৰিব পাৰিলেহেতেন। ৩ ঘণ্টাৰ

---

* Speech not corrected.

পিচটো পুলিচ ফৰ্চ পোৱা নাই। এইটো তেওঁলোকৰ বৰা ৰজাৰ লুট কৰাৰ সুবিধা লৈছিল। জনসাধাৰণৰ মাজত কাৰফিউ দিব লগা ঘটনা নাছিল। হিন্দু আৰু মুছলমানৰ মাজত যি সম্প্ৰীতি আছিল তাক যেনে ধৰণে ৰাখিব লাগিছিল তেনে ধৰণে ৰখা নহল। কাৰফিউ দি গণ্ডগোল কৰিবলৈ বিচৰা হৈছে। মুছলমান মানুহ সকলেও কৈছে যে বুজাবুজিৰ মাজত থাকিলে হিন্দু-মুছলমানৰ গণ্ডগোল নহয়। এই কথাটো সকলো গণ্যমান্য মানুহে কৈছে। সেয়ে হিন্দু মুছলমানৰ গণ্ডগোল হোৱা নাই। জিলা প্ৰশাসনে যিটো ব্যৱস্থা হাতত লব লাগিছিল সেইটো লোৱা নাই। ডবকাত আমাক গণ্যমান্য লোক সকলে কৈছিল তাত সৈন্য দিয়াৰ প্ৰয়োজন নাছিল। হোজাইত যি ঘটনা এই ঘটনা যদি প্ৰশাসনে ৰোধ কৰিব নোৱাৰে বা অবহেলা কৰে তেতিয়া হলে সমাজ বিৰোধী চক্ৰই ক্ষতি সাধন কৰিব পাৰে। চৰকাৰৰ প্ৰধান দায়িত্ব হৈছে শান্তিপূৰ্ণ পৰিবেশ বজাই ৰাখিবৰ কাৰণে দায়িত্ব লোৱা। এজন ৰিটায়াৰ্ড পুলিচ কনিষ্টবলৰ লৰাক সমাজ বিৰোধী লোকে হত্যা কৰিছে। ইয়াৰ উপৰিও যিকেইজন আঘাট প্ৰাপ্ত হৈছে তেওঁলোকক আমি হস্পিতেলত দেখা পাইছো। তেওঁলোকে নানা অভিযোগ কৰিছে। শান্তিৰঞ্জন দাস গুপ্তেই তাত কণ্ট্ৰল কৰিছিল কিন্তু তেখেতৰ গাড়ীও ভাঙিছে। প্ৰশাসনে সময়ত কাম নকৰাৰ কাৰণে সমাজ বিৰোধী লোকে যঠেষ্ট সুবিধা পাইছে। কাৰফিউ ঘোষণা কৰাৰ আগতে প্ৰয়োজনীয় ব্যৱস্থা লোৱা নহল। ১৪৪ ধাৰা দিয়া নহল। কাৰফিউ ঘোষণা কৰা হল। অধ্যক্ষ মহোদয়, কাৰফিউ দিয়া ঘটনাটো ১৯৭৪ চনৰ চাৰ্কোলাৰৰ প্ৰতিশ্ৰুতি মতে পুলিচ বাহিনী বা ল এণ্ড অৰ্ডাৰৰ ক্ষেত্ৰত এইটো আহিৰ নোৱাৰে এই যি ঘটনাটো ঘটিছিল তাত পুলিছে মিনিমাম বাধা দিব পাৰিলেহেতেন। কিছুমান সমাজ বিৰোধী লোকৰ কাৰণে এই ঘটনা ঘটিবলৈ পালে। সমাজৰ গণ্যমান্য লোক সকলে এইটোৰ কাৰণে বাধা দিছিল তেওঁ-লোক ধন্যবাদৰ পাত্ৰ পুলিচ বাহিনী নহয়। অধ্যক্ষ মযোদয়, মই আশা ৰাখিছো এইটোৰ কাৰণে অসম চৰকাৰে ন্যায়িক তদন্ত কৰিলে ভাল। যাৰ ফলত আচল ঘটনাটো পোহৰলৈ আহিব পাৰে।

Mr. Speaker : Now Honourable Minister for parliamentary affairs.

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : माननीয় অধ্যক্ষ মহোদয়, এই যি সভা স্থগিত প্ৰস্তাৱটো আহিছে, যোৱা পৰহি হোৱা এটা ঘটনা সম্পৰ্কে। বৰ্ত্তমান সময়ত এফালে ৰমজান মাহ চলি আছে কালি-পৰহি দৌল উৎসৱ হব বাতৰিত দুটা সম্প্ৰদায়ৰ সংঘৰ্ষ বুলি কৈছে। মাননীয় সদস্য সকলে এইটোৰ কোনো সাম্প্ৰদায়িক ৰূপ দি যাতে আলোচনা নকৰে। ঘটনাটো হৈছে পৰহি আৰু বাতৰি কাকতত কালি এই ঘটনা সম্পৰ্কে ওলাইছে। চৰকাৰৰ ফালৰ পৰা এতিয়ালৈকে কোনো বিবৃতি দিয়া হোৱা নাই। ইয়াত এটা ডাঙৰ প্ৰশ্ন হব পাৰে ঘটনাটো ইনভলভ হব পাৰে। এই বিষয়টো সভা স্থগিত বিষয় হিচাবে আলোচনা কৰিব নোৱাৰি। There are certain restrictions. মাননীয় অধ্যক্ষ মহোদয়, কালি ঘটি যোৱা ঘটনাটোৰ সন্দৰ্ভত যিটো সভা স্থগিত প্ৰস্তাৱ অনা হৈছে সেই সম্পৰ্কত মই কব খোজো যে ইয়াৰ সপক্ষে কোনো উপযুক্ত বিবৃতি দিয়া হোৱা নাই। আন হাতেদি শান্তিৰঞ্জন দাসগুপ্ত বৰ্ত্তমান এই সভাত উপস্থিত নাই। একপক্ষীয়ভাৱে বাতৰিৰ ওপৰত ভিত্তি কৰিয়েই আমি সভাস্থগিত প্ৰস্তাৱটোৰ সমৰ্থন জনাব নোৱাৰো। বাতৰিৰ কথা বা ৰিপৰ্ট বহুত সময়ত সচা নহবও পাৰে। দ্বিতীয় কথা হ'ল এইটো ইন্টাৰপ্ৰেটেড হব পাৰে। আনহাতেদি এই আইনৰ এক অধ্যায়ত কোৱা হৈছে। I will cite some extracts from "Practice and procedure of parliament". "Press Reports unless admitted by Government cannot be accepted as authoritative for the purpose of an adjournment Motion" .... .... ....

"A matter even of very recent occurance is not 'urgent' if an opportunity for its discussion will arise in the ordinary course in the business within a reasonably short time."

"It has been held that an adjournment motion on a matter which can be raised during debate on the motion of thanks on the President's Address, budget discussion,

---

* Speech not corrected.

motion on international situation, motion regarding a matter of public importance such as food policy etc. to be held in the same session is not in order."

বাজেটলৈ আৰু আঠদিন বাকী ইয়াৰ মাজতে হ'ল আছে। বাজেট ডিচকাচন আছে ভোটিংৰ কথা আছে। Under the circumstances Sir there is no scope for a discussion on this matter as an adjournment motion. সেই কনডিচন আমি মিট কৰিবই লাগিব।

Mr. Speaker : I have heard the mover of the motion and other honourable members and also the reply given by the Minister for Parliamentary Affairs. After hearing them I reserve my ruling.

I have received a complaint of breach of privilege from Shri Muzibur Rahman against the Editors, Printers and Publishers of daily newspapers 'Samay Prabaha' and 'Ajir Batori'. I now call upon Shri Muzibur Rahman to speak.

## BREACH OF PRIVILEGE MOTION

* শ্ৰীমুজিবুৰ ৰহমান : মাননীয় অধ্যক্ষ মহোদয়, যোৱা পাচ ফেব্ৰুৱাৰী "সময় প্ৰবাহ" আৰু "আজিৰ বাতৰি" মোৰ বিৰুদ্ধে যিবোৰ বাতৰি ওলাইছে তাৰ ওপৰত মই এটা স্পষ্টীকৰণ ডাঙি ধৰিব খুজিছো। বাতৰিটো হৈছে চাকৰিৰ "প্ৰতিশ্ৰুতি দি টকা আদায়" আৰু টকাৰ বিনিময়ত পাৰ্মিট দিয়া "আদিৰ গুৰুতৰ অভিযোগ অনা হৈছে। ইয়াৰ গয়না লৈ মই বাহিৰত শশকমল সন্দিকৈৰ লগত কথা পাতি থাকোতে প্ৰফুল্ল কুমাৰ মহন্তই মোৰ বিৰুদ্ধে সদনত দিঘলীয়া বক্তৃতা দিছিল আৰু তেতিয়াই শশকমল সন্দিকৈয়ে মোক কলে যে আপোনাৰ বিৰুদ্ধে সদনত আলোচনা সমালোচনা আদি গুৰুতৰ অভিযোগ সমূহ উপস্থাপন হৈছে। মই কোনো মানুহৰ পৰা চাকৰিৰ নামত বিশ হেজাৰ আৰু

* Speech not corrected.

পাৰ্মিটৰ বাবদ পাচহেজাৰকৈ টকা লোৱাৰ প্ৰমাণ যিজন সাংবাদিকে দিব পাৰে তাৰ স্পষ্টীকৰণ মই দিব বিচাৰিছিলো আৰু তেওঁলোকে মোক লিখিতভাৱে স্পষ্টীকৰণ দিবলৈ কলে কিন্তু লিখিতভাৱে স্পষ্টীকৰণ দিবলৈ হলে অলপ সময়ৰ প্ৰয়োজন। সেয়েহে দেৰি হোৱাত পিচদিনা সন্ধিয়াৰ বাতৰিত প্ৰকাশ পালে যে বিধায়কজনে চাকৰিৰ নামত টকা লোৱাৰ কথাটো সঁচা আৰু সেয়েহে তেওঁ নিতাল মাৰি থাকিল। কিন্তু কথা হ'ল একেজন সাংবাদিকেই সময় প্ৰবাহত প্ৰকাশ কৰিছে যে ট্ৰাষ্টফান্দত টকা ৰাখিবৰ কাৰণেই চাকৰিৰ প্ৰাৰ্থীৰ পৰা এনেকৈ চাকৰিৰ নামত টকা সংগ্ৰহ কৰিছে। কিন্তু সেই সাংবাদিকজনে জানেনে যে মই জীয়াই থাকোতেই ট্ৰাষ্টফান্দ খোলাটো সম্ভৱনে ? এই ট্ৰাষ্ট-ফান্দ মৃত্যুৰ পাচতহে খোলা হয়। (সেই সময়ত সদনত হাঁহিৰ ৰোল উঠে)। মই মানুহজন নথকা অৱস্থাত মোক সমালোচনা কৰা হৈছিল গতিকেই মই লগে লগে সদনৰ মজিয়াত স্পষ্টীকৰণ দিব পৰা নাছিলো আৰু তাকে মই নিতাল মাৰি মনে মনে সহ্য কৰা বুলি যি মিছা অভিযোগ আনিছে তাৰ উত্তৰত মই কব খোজো যে মই ডাঙৰ ডাঙৰ কৈ কথা কব নোৱাৰো আৰু মিছা কথা এটা ডাঙৰকৈ কলেই যে সত্যত পৰিণত হব এইটো নহয় মোৰ কথা-খিলাকত স্বাধীনতা আছে, মোৰ সন্মান আছে গতিকে মই লাহে ধিৰেহে কথা-টোৰ উত্তৰ দিব বিচাৰো। আৰু আজি কালি বাতৰি কাকতৰ ধৰ্ম্ম হ'ল কাৰোবাৰ বিষয়ে অভিযোগ উঠিলে প্ৰথম পেজত ডাঙৰ ডাঙৰ আখৰেৰে প্ৰকাশ কৰা হয় আৰু যেতিয়া স্পষ্টীকৰণ দিয়া হয় তেতিয়া বাতৰিৰ শেষ পেজত সৰু সৰু আখৰেৰে ৰাইজৰ চকুত নপৰাকৈ প্ৰকাশ কৰা হয়। আৰু সময় প্ৰবাহৰ সাংবাদিক জনে সুবিধা পালেই সামান্য এটা কথাকে কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধে ডাঙৰকৈ প্ৰকাশ কৰিবলৈ চিদ্ৰ বিচাৰি ফুৰে। গতিকে এই সাংবা-দিকজনে সম্পূৰ্ণ তথ্য যদি ডাঙি ধৰিব পাৰে তেতিয়াহলে মই এই অভিযোগবোৰ মানি লম।

Under Rule 158 and 159 of the Rules of procedure and Conduct of Business in Assam Legislative Assembly, I beg to give notice of breach of privilege against the Editors, Printers and Publishers of daily newspapers 'সময় প্ৰবাহ" and "আজিৰ বাতৰি" for committing serious breach of

privilege by publishing a news item under the caption "চাকরির প্রতিশ্রুতি দিয়ে টাকা আদায় গুরুতর অভিযোগ বিধায়কের বিরুদ্ধে and মুজিবুৰ ট্ৰাষ্ট কাণ্ড চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে টকা সংগ্ৰহ", in the issues dated 5th and 10th February, 1992 respectively.

The said news containing the allegation of charges brought are serious in nature. The alleged charges in the news item of both the aforesaid papers are baseless, false, distorted and motivated. It casts aspersion and reflects on my character and conduct as a member of the House diminishing my prestige and dignity in estimation of general public.

I therefore, request the Honourable Speaker to refer the matter to the Committee of Privileges for appropriate action. Thank you Sir.

*শ্ৰীচামচুল হুদা : মাননীয় অধ্যক্ষ মহোদয়, মহোদয়ৰ অনুমতি সাপেক্ষে মই সদনত অলপ কব বিচাৰিছো। মই এগৰাকী বিধায়ক হোৱাৰ পিচত আৰু মোৰ এজন ব্ৰাদাৰ এডিচনেল এচ, পি, হিচাবে এপইণ্টমেণ্টু পোৱাৰ বিষয়ে বাতৰি কাকতত প্ৰকাশ পাইছে। মোৰ ব্ৰাদাৰ এডিচনেল এচ, পি, হিচাপে নগাওঁ জিলাৰ ধিঙত এপইটমেণ্ট পোৱাৰ কাৰণে শহুৰৰ ঘৰত ভি, চি, আৰ বেছিকৈ বজায়। মই মৰিগাওঁ জিলাৰ লাহৰি ঘাট সমষ্টিৰ বিধায়ক। বাতৰি কাকতত লিখা সাংবাদিক জনৰ ভৌগোলিক জ্ঞান নথকাকে সাংবাদিকতা কৰিব নালাগে। মই এজন বিধায়ক আৰু মোৰ ব্ৰাদাৰ এজন এডিশ্যনেল এচ, পি, হোৱাৰ কাৰণে মোৰ শহুৰৰ ঘৰত ভি, চি, আৰ বেছিকৈ বজোৱা হয়। এই বাতৰি কাকতত কিয় লিখিব লগীয়া হল (সদনত হাহিৰ ৰোল উঠে) অধ্যক্ষ মহোদয়, মই কলো যে অসমৰ এজন মানুহে অবিবাহিত হৈ থাকিলে লণ্ডনত কোনোবা এজনী গাভৰুৰে চুইচাইড কৰিব নেকি ? ভি, চি, আৰ সকলোৱে বজাব পাৰে। এ, জি, পি, বি, জে, পি, কংগ্ৰেছ আদি সকলোৱে

* Speech not corrected.

ৰজোৱাৰ অধিকাৰ আছে। লাহৰিঘাট কোন জিলাৰ সমষ্টি আৰু ধিং সমষ্টি কোন জিলাৰ এই বিষয়ে সাংবাদিক জনৰ জ্ঞান নাই। আৰু এঠাইত লিখিছে "সকালে ঘুম ভাঙে ১০-৩০ টাই। অধ্যক্ষ মহোদয়, এইটো প্ৰিভিলেজ কমিটিলৈ পঠিয়াৰ লাগে।

* শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো প্ৰিভিলেজ কমিটিলৈ পঠিয়াৰ বিষয়ে উত্থাপন কৰা হৈছে যেতিয়া এই সম্পৰ্কত আমি বিৰোধিতা কৰিছো এই কাৰণেই যে যি গৰাকী মাননীয় সদস্যৰ বিৰুদ্ধে নোটিচ দিছে সেয়া অন্য একো নহয় ব্যক্তিগত আক্ৰোশহে। Whether the privilege of a Member has been really in Question or not এইটো কথা অহা নাই। আজি ৰাতিপুৱা কোনো এজন ৰগা লৰাই এখন কাগজ দি আহিছে। কাগজখনত লিখা আছে ই, বি, আই মৈৰাবাৰী শাখা একাউন্টচ্ নং ৩১১৬ আহমেদ, ইচলাম অথবা মজিবুৰ ৰহমান আমাৰ সকলোৱে শ্ৰদ্ধা কৰে। হিন্দু মুচলিম সকলো লোককে শ্ৰদ্ধা কৰে অসমৰ বৰ্ত্তমান অৱস্থাত সমাজ সংস্কাৰৰ ক্ষেত্ৰত, চাকৰিৰ নামত অভিযোগ অহা এখন চিঠি আজি পাইছো। চিঠিখন অধ্যক্ষ মহোদয়ক দিব পাৰো।

প্ৰতি : মৈৰাৰাড়ী, নগাওঁ।
১। মহঃ ছমিৰউদ্দিন সাহেব
২। জোনাব ৰস্তম আলী মুক্তাৰ সাহেব

ছালাম নিবেন। জানতে পাৰলাম আমাৰ নাম যুক্ত কৰে ফাণ্ড খোলা হয়েছে এবং চাকৰিৰ বিনিময়ে ফাণ্ডে টাকা আদায় কৰা হইতেছে। সামান্য চিন্তাৰ উদয় হলে আমাৰ অসুখ বেড়ে যায়, ডায়েবেটিজ আদি দেখা দেয়। গতিকে আমাব নামে চাকৰিৰ আশ্বাস দিয়ে কোন টাকা সংগ্ৰহ কৰিবেন না। আমি মহঃ মতলিবুৰ ৰহমানকে বুৰিয়ে বলছে। এ ব্যাপাৰে আপনাৰা সতৰ্কতা গ্ৰহণ কৰিবেন।

জোনাব ৰস্তম আলী ও মহঃ ছমিৰ উদ্দিন সাহেব আমাৰ বাৰ বাৰ মনে আসে যে আমাৰ প্ৰতি আপোনাদেৰ মহব্বত কমিয়া সেকথা আমাৰ কেহ ৰলে নাই। ধুকায় পড়িৰেন না নচেৎ একদিন কাদতে হতে পাৰে।

---

* Speech not corrected.

আৰু এটা বাতৰি আহিছে, চাকৰিৰ কাৰণে প্ৰতিশ্ৰুতি দিয়া।

"ধিং বিধানসভা কেন্দ্রে অনেক ঢাক-ঢোল পিটিয়ে একটি ফাণ্ড গড়ে তোলা হয়েছে। টাকা দিলে সরকারি চাকরি দেওয়া হবে— এই হলো ফাণ্ড'র কর্মকর্তাদের সাফ কথা। ইউনাইটেড ব্যাংক অফ ইণ্ডিয়ার মৈরাবাড়ী শাখায় ফাণ্ড'র নামে একটি অ্যাকাউন্ট পর্যন্ত খোলা হয়েছে। ফাণ্ড'র নাম, অ্যাকাউন্ট নং পরিচালকদের নাম ইত্যাদি সম্পর্কে বিস্তারিত তথ্য আমাদের হাতে এসে পড়েছে। ধিং, মৈরাবাড়ী অঞ্চলে এই ফাণ্ড'র কার্য্যকলাপ সম্পর্কে তীব্র বিরূপ প্রতিক্রিয়ার সৃষ্টি হয়েছে। নানা মহল থেকে তদন্তের দাবি উঠেছে।

প্রাপ্ত সংবাদ অনুযায়ী পাচ হাজার টাকার বিনিময়ে চাকরি দেওয়ার ব্যাপারটা আইনের চোখে গুরুতর অপরাধ জেনে সময়ত ব্যাপারটায় একটি ধর্মীয় মোড়ক চাপানা হয়েছে। ধরে নেওয়া হয়েছে যে ধর্মের নামে যে কোনো অকাজ-কুকাজ সহজেই করা যায়। অসমর সর্বত্র শেখ সাহেব বলে পরিচিত মৌলানা মহম্মদ আলি সাহেবের নাম ফাণ্ডে'র সঙ্গে জড়িত করে চাকরির প্রতিশ্রুতি দিয়ে অর্থ সংগ্রহ করা হচ্ছে। শেখ সাহেব জমিয়ত-উলেমা-ই-হিন্দের অসম রাজ্য শাখার সভাপতি।

টাকার বিনিময়ে চাকরি দেওয়ার ব্যাপারে প্রবল আপত্তি জানিয়েছেন স্বয়ং শেখ সাহেব। মৈরাবাড়ী অঞ্চলের কতিপয় বিশিষ্ট নাগরিকের কাছে তিনি চিঠি লিখে স্পষ্ট ভাষায় জানিয়ে দিয়েছেন তার আপত্তির কথা। এ জাতীয় অন্যায় করলে একদিন কাদতে হবে বলেও সতর্কবাণী শুনিয়েছেন তিনি। ফাণ্ডের সঙ্গে তার নাম যুক্ত করে চাকরির বিনিময়ে টাকা আদায় করা হচ্ছে জানতে পেরে তিনি অসুস্থ হয়ে পড়েছেন। তার ডায়বিটিস বেড়ে গেছে। এ ঘোর অন্যায় থেকে বিরত থাকার জন্য সংশ্লিষ্ট সকলের কাছে তিনি আবেদন জানিয়েছেন।

* শ্ৰীজয়নাথ শৰ্ম্মা: কিন্তু কথা হলো, একটি ফাণ্ডর জনাকয় সাধারন কর্মকর্তার কী ক্ষমতা আছে চাকরি দেওয়ার? ফাণ্ডর পেছনে নিশ্চয়ই এমন কেউ থাকবেন যাৰ চাকরি দেওয়ার ক্ষমতা রয়েছে। কে তিনি? এ ব্যাপারে ধিং মৈরাবারীর সর্বত্র বিশেষ একজন বিধায়কের নাম শুনতে পাওয়া যাচ্ছে।

---

* Speech not corrected.

মরিগাওঁ জেলা কংগ্রেস (ই) র প্রাক্তন সাধারণ সম্পাদক মফিতুল ইসলাম মুখ্যমন্ত্রী হিতেশ্বৰ শইকীয়ার কাছে সম্প্রতি এ বিষয়ে একটি অভিযোগ পাঠিয়েছেন যাতে তিনি স্পষ্ট ভাষায় উল্লেখ করেছেন যে গোটা ব্যাপারটার পেছনে রয়েছেন বিশেষ এক কংগ্রেস (ই) বিধায়ক। অভিযোগ পত্রে বিধায়কের নাম উল্লেখ করে এ দাবিও তিনি করেছেন যে উচ্চ পর্যায়ের তদন্ত হলে ঐ বিধায়কের ফান্দ'র সঙ্গে ওতপ্রোতভাবে জড়িত থাকার ব্যাপারটা তিনি প্রমাণ করে দেবেন। তিনি শুধু চাইছেন তদন্ত হোক।"

মাননীয় অধ্যক্ষ মহোদয়, সংবাদ দাতাই এখন আঞ্চলিক বাতৰি কাগজত স্পেচিফিক কেচটো জলজল-পট-পটকৈ নিদি স্পষ্টীকৰণবোৰ বাতৰি কাগজৰ এচুকত দিয়া হলেও ভাল আছিল। আদালতত মান হানিৰ গোচৰ দিব পাৰে। There is a Question of the authority of the Honourable Deputy Speaker. অৰ্থনীতিৰ ওপৰত প্ৰশ্ন আহিছে, অৰ্থনীতিৰ ওপৰত আহিছে।

The Question raised by the newspaper is about the behaviour of a particular Member. There is no Question about the privilege of member what are the privileges of Members.

ৰাজ্যখনৰ সকলো জনসাধাৰণৰ প্ৰতি সুস্বাস্থ্য ৰক্ষাৰ কাৰণে হৰ দুৰ্ভাগ্যজনক কথা। অধ্যক্ষ মহোদয়ে ৰুলিং দিয়ক যাতে চাকৰিৰ নামত টকা নাখায়, চাকৰিৰ নামত বেঙ্কত একাউণ্ট নুখুলে ট্ৰেঞ্চফাৰ কৰিম বুলি টকা নলয়। গতিকে অধ্যক্ষ মহোদয়, মুজিবুৰ ৰহমানৰ বিৰুদ্ধে লিখিতো মই পেটে পেটে বেয়া পাইছো। অধ্যক্ষ মহোদয়, বিধায়ক সকলৰ বিৰুদ্ধে কাগজত প্ৰকাশ পোৱাটো কোনো আচৰিত কথা নহয়। কিন্তু তথ্যপাতিৰে প্ৰমাণ কৰি দিলে ভাল হব।

* শ্ৰীমুজিবুৰ ৰহমান: মাননীয় অধ্যক্ষ মহোদয়, বহুত টকা খৰচ কৰিবলগীয়া হয়। আদালতত মান হানি কেচ তৰিলে নিষ্পত্তি কৰিবলৈ ১০ বছৰ মান লাগিব। ১ লাখ টকাৰ কৰিলে ৩০ হেজাৰ মান মুঠতে খৰছ হব। খৈৰাবাৰী মাদ্ৰাছাৰ সম্পৰ্কত কৈছে কোনোবাই কাৰোবাৰ নামত খুলিছে।

* Speech not corrected.

যিকোনো উপায়েৰে টকা সংগ্ৰহ কৰা কামত উঠিপৰি লাগিছে।

* শ্ৰীজয়নাথ শৰ্মা : মাননীয় অধ্যক্ষ মহোদয়, হাউচ কমিটি কৰাত আপত্তি আছে নেকি। তদন্ত কৰাৰ ব্যৱস্থা হাতত লৈছে নে নাই ?

Mr. Speaker : Now Honourable Minister Parliamentary affairs.

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই সদনৰ সন্মানিত সদস্যসকল ৰাইজৰ প্ৰতিনিধি, তেখেত সকলে বিভিন্ন কামত জড়িত থাকিব লাগে আৰু ৰাইজৰ অভাৱ-অভিযোগ আশা-আকাংক্ষা আৰু ৰাইজৰ বিভিন্ন সমস্যা সমাধান কল্পে কাম কৰিব লগীয়া হয়। সেইকাৰণেই তেখেত সকলৰ কিছুমান প্ৰিভিলেজ আছে। কিন্তু আজি দেখা গৈছে ইয়াত যিজন বিধায়কৰ কাৰ্য্য-কলাপত সন্দেহ কৰি বাতৰি কাকতৰ বিশেষ সংবাদ দাতাই কোনো প্ৰমাণ নোহোৱাকৈ দোষাৰোপ কৰিছে, মই সমূহীয়া ভাৱে বাতৰি কাকতক দোষাৰোপ কৰা নাই কিন্তু বিশেষ বাতৰি কাকত এখনে এনে ধৰণৰ মন্তব্য কৰিছে। আমাৰ পুৰণা সদস্য সকলৰ কথা বিশেষ কৰ লগীয়া নাই কিন্তু আমাৰ ইয়ালৈ যিসকল নতুন সদস্য আহিছে তেখেত সকলৰ বিষয়ে ৰাইজে হয়তো বেচি নাজানে কিন্তু বাতৰি কাকতে যদি এনে ধৰণে মন্তব্য কৰে তেতিয়াহলে সেই নতুন বিধায়ক জনৰ আচৰণৰ ওপৰত অশোভনীয় ভাৱ এটা সকলোৱে লব। মই এটা সাধাৰণ উদাহৰণ দিলেই আপোনালোকে বুজিব পাৰিব এখন কাগজত ওলাইছে মই হেনো বিৰাট যজ্ঞ পাতিছো অথচ সকলোৱে জানে আৰু মইয়ো ব্যক্তিগত ভাবে পূজা-পাতল তেনেকৈ নকৰো কেৱল নাম কীৰ্ত্তন কৰিব লগীয়া হলে কৰো কিন্তু সাধাৰণ ভাবে পূজা-পাতল পতা তবৰে কথা মই যজ্ঞ পতা বুলি ওলাইছে গতিকে মোৰ বিষয়ে তেনেকৈ লিখাত মোক সকলোৱে জানে বুলি বিশেষ চিন্তাৰ কাৰণ নাই। সেইদৰে জয়নাথ শৰ্ম্মাই যদি মদ খোৱা বুলি কাগজত ওলাই তেতিয়াহলে হয়তো কোনেও বিশ্বাস নকৰিব, কিয়নো সকলোৱে জানে যে জয়নাথ শৰ্ম্মাই তুলস্থূল কৰি থাকে কিন্তু মদপানী এইবিলাক নাখায়। কিন্তু নতুনকৈ যিসকল সদস্য আমাৰ সদনলৈ আহিছে সেই সকলৰ সম্পৰ্কত যদি প্ৰকৃত তথ্য পাতিবে প্ৰমাণ নোহোৱাকৈ

* Speech not corrected.

তেওঁক হেয় প্ৰতিপন্ন কৰিবলৈ কাগজত ওলাই তেতিয়াহলে তেওঁৰ ভাল কাম কৰিবলৈ প্ৰবল ইচ্ছা থাকিলেও তেওঁৰ কামত আগ্ৰহ নোহোৱা হৈ যাব। আমি বহুত দেখিছো কোনো বিধায়কে ভাল কাম কৰিবলৈ যথেষ্ট আগ্ৰহী আৰু কাম কৰিছে কিন্তু তেওঁলোকৰ বিৰুদ্ধেও যদি কাগজত দোষাৰোপ কৰা হয় তেতিয়া তেওঁৰ মন ভাঙি পৰে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী: তেখেত কিবা এচোচিয়েট মেম্বাৰ হৈছে নেকি ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, বিধান সভাৰ সদস্য সকলৰ যিটো প্ৰিভিলেজ তাত যদি কোনো প্ৰকাৰে ক্ষুন্ন হলে সেইটো প্ৰোটেকচন দিব লাগে। গতিকে বিষয়টো প্ৰিভিলেজ কমিটিত ৰেফাৰ কৰিলে ভাল হব।

* শ্ৰীজয়নাথ শৰ্মা: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় পাৰ্লিয়ামেণ্টাৰী মন্ত্ৰীয়ে যিটো বক্তব্য ৰাখিলে তাত তেখেতে বিধায়কৰ আচৰণৰ কথা নকলে।

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী): আচৰণৰ ক্ষেত্ৰত কুৱেশ্যন অব ৰেকোৰ্ডৰ কথা আছে, ৰেকোৰ্ড-পাতি নোহোৱাকৈ কাকো দোষাৰোপ কৰিব নালাগে। You must serve the people through an organisation.

Honourable Speaker: I have heard Mr. Muzibur Rahman, Mr. Zoii Nath Sarma, and Honourable Parliamentary Minister. I feel it is a fit case to refer to the privilege committee. I have requested the House Committee to examine the report on the matter.

Now item No. 2.

Now Shri Hiteswar Deka to call the attention under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Ajir Batori' dated 12.2.92 under the caption. ব্ৰহ্মপুত্ৰ সমবায়লৈ ২১ কোটি টকীয়া ছাবছিডিৰ ৰহস্য।"

---

* Speech not corrected.

# CALLING ATTENTION NOTICE

* শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, অসম ৰিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত, ১৯৯২ চনৰ ১২ ফেব্ৰুৱাৰী তাৰিখৰ 'আজিৰ বাতৰি' কাকতত প্ৰকাশিত ব্ৰহ্মপুত্ৰ সমবায়ৈলে ২১ কোটি টকীয়া ছাবছিডিৰ ৰহস্য "শীৰ্ষক বাতৰিটোৰ প্ৰতি ৰেচম আৰু বয়ন বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষন কৰিব ৰিচাৰিছো। ৰাতৰিটোত উল্লেখ কৰা মতে অসমত বৰ্তমান এশ শতাংশ কেন্দ্ৰীয় সাহায্য প্ৰাপ্ত জনতা-বস্ত্ৰ' আঁচনিৰ অধীনত কাম কৰি থকা প্ৰতিষ্ঠান সমুহৰ ভিতৰত ব্ৰহ্মপুত্ৰ সমবায়েই হৈছে অন্যতম আৰু এই সমবায় খনেই সম্প্ৰতি 'জনতা-বস্ত্ৰ' আঁচনিৰ অধীনত ৰাজ্যখনৰ দহ লাখ শিপিনীলৈয়ে কৰ্মসংস্থানৰ সুবিধা আগবঢ়োৱা বুলি দাবী কৰিছে। বাতৰিটো বৰ দীঘলীয়া কাৰণেই মই গোটেই বাতৰিটো পঢ়ি দিব বিচৰা নাই। এই ৰিষয়টো অতি গুৰুত্বপুৰ্ণ বিষয় কিয়নো এই ৰিষয়টোৰ লগত অসমৰ শিপিনীৰ কথা জৰিত আছে আৰু লাখ লাখ শিপিনীৰ জীৱন নিৰ্বাহৰ কথা সাঙোৰ খাই আছে। গতিকে য'ত অসমৰ লাখ লাখ শিপিনীৰ কথা আছে আৰু ৰাজহুৱা ধনৰ অপচয়ৰ কথা আছে সেই বিষয়টোৰ ওপৰত এটা বিতৰ্ক আমাৰ সদনত হোৱাতো প্ৰয়োজন। সেয়েহে এই গোটেই বিষয়টোৰ ওপৰত এটা তদন্ত কৰিবৰ কাৰণে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

* শ্ৰীস্বৰ্গৰাম দেউৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, আজিৰ অসম কাকতৰ ১২-২-৯২ তাৰিখৰ কাকতত প্ৰকাশিত "ব্ৰহ্মপুত্ৰ সমবায়ৈলে ২১ কোটি টকীয়া ছাৰছিডিৰ ৰহস্য' শিৰ্যক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষন হৈছে।

জনতা ৰস্ত্ৰ আচনি ভাৰত চৰকাৰৰ এখনি কেন্দ্ৰীয় খণ্ডৰ আচনি (central sector scheme) এই আচনি ৰূপায়নৰ ক্ষেত্ৰত ৰেহাইৰ সমুদায় ধন কেন্দ্ৰীয় চৰকাৰে বহন কৰে, ৰাজ্যিক চৰকাৰে ইয়াৰ ৰাবদ কোনো ধন বহন নকৰে। ভাৰত চৰকাৰে সময়ে সময়ে দিয়া নিৰ্দ্দেশানুসাৰে এই আঁচনিৰ কাম কাজ পৰিচালিত হয়। জনতা ৰস্ত্ৰ আঁচনি ৰূপায়নৰ মুখ্য উদ্দেশ্য দুটা হল— শিপিনী সকলক বোৱন কাৰ্য্যৰ জৰীয়তে কৰ্ম সংস্থান দিয়া আৰু দুখীয়া ক্ৰেতা বিশেষকৈ

* Speech not corrected.

গ্ৰাম্য অঞ্চলৰ লোকক ৰেহাই হাৰত কম মুল্যত জনতা ৰস্ত্ৰ বিক্ৰী কৰা। উৎপাদিত জনতা ৰস্ত্ৰৰ প্ৰতি বৰ্গমিটাৰ কাপোৰত নিৰ্দিষ্ট হাৰত ৰেহাই দিয়া হয়। জনতা ৰস্ত্ৰ উৎপাদনৰ ৰূপায়নৰ দায়িত্বত থকা অনুষ্ঠানে (Inplenenting Agencies) প্ৰতিখন কাপোৰতে নিৰ্দ্ধাৰিত হাৰত দিব লগা ৰেহাইৰ মূল্য বাদ দি চৰকাৰৰ দ্বাৰা স্বীকৃত এজেণ্ট বা বিক্ৰীদাৰক কাপোৰৰ যোগান ধৰে আৰু বিক্ৰীদাৰে ক্ৰেতাক ৰেহাই মূল্যত বিক্ৰী কৰে। ইম্‌প্লিমেণ্টিং এজেঞ্চীয়ে যি পৰিমানৰ ৰেহাইৰ ধন প্ৰথমে কমাই বিক্ৰীদাৰক কাপোৰৰ যোগান ধৰে সেই পৰিমানৰ ৰেহাইৰ ধন ভাৰত চৰকাৰৰ পৰা ঘূৰাই পায়। গতিকে ৰেহাইৰ দ্বাৰা ক্ৰেতাহে লাভবান হয়, ৰূপায়নৰ দায়িত্বত থকা অনুষ্ঠানে এই উপকাৰ নাপায়।

জনতা বস্ত্ৰ ক্ষেত্ৰত বিভিন্ন সময়ত দিয়া ৰেহাইৰ পৰিমান এনে ধৰণৰ।

১৯৭৬ চনৰ পৰা ৩০/১১/৮৪লৈ প্ৰতি ৰ্গমিটাৰত ১.৫০টকা হাৰত।

১/১২/৮৪ তাৰিখৰ পৰা ৩০/৯/৮৮ তাৰিখলৈ প্ৰতি বৰ্গমিটাৰত ২.০০ হাৰত।

১/১০/৮৮ তাৰিখৰ পৰা ৩০/৬/৯০ তাৰিখলৈ প্ৰতি বৰ্গমিটাৰত ২.৭৫ হাৰত।

১/৭/৯০ তাৰিখৰ পৰা বৰ্ত্তমানলৈ প্ৰতি বৰ্গমিটাৰত ৩.৪০ টকা হাবত।

জনতা বস্ত্ৰ উৎপাদনৰ বাবে ৰেহাই মূল্যত সুতা যোগান ধৰা কোনো আঁচনি কেন্দ্ৰীয় অথবা ৰাজ্যিক চৰকাৰৰ নাই।

ব্ৰহ্মপুত্ৰ সমবায়ে ১৯৮৪—৮৫ চনৰ পৰা ভাৰত চৰকাৰৰ অনুমোদন সাপেক্ষে জনতা ৰস্ত্ৰ উৎপাদন আঁচনি ৰূপায়ন কৰি আহিছে।

ব্ৰহ্মপুত্ৰ সমৰায় সমিতিখনে বিগত বছৰ কেইটাত জনতা বস্ত্ৰ উৎপাদনৰ পৰিমান, বোৱন কাৰ্য্যত নিয়োজিত বোৱনীৰ সংখ্যা, জনতা বস্ত্ৰ বিতৰণৰ পৰিমান, ৰেহাই বাবদ পোৱা পৰিমান আদি অনুবন্ধ দেখুৱা হ'ল।

(See the annexure IV & V)

শ্ৰীহিতেশ্বৰ ডেকা: মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত এই যিটো ৰাজহুৱা গুৰুত্বপুৰ্ণ বিষয় অৱতাৰণা কৰা হৈছে আৰু এই সন্দৰ্ভত মাননীয় বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ সদনত দিলে ইয়াত গোটেই খিনি কথা পৰিস্কাৰ হোৱা নাই বুলি মই ভাৱো। এই বিষয়টোৰ লগত আৰু বহুতো

---

* Speech not corrected.

দৰকাৰী কথা জৰিত হৈ আছে সেইবিলাক সদনত সদৰি হোৱা নাই কাৰণেই আমি বিষয়টো উদ্ঘটন কৰিব পৰা নাই। ইয়াত অজস্ৰ তথ্য-পাতি আছে মই কাগজৰ গোটেই বাতৰিটো পঢ়ি দিব বিচৰা নাই। চমুকৈ বাতৰিত উল্লেখ কৰা মতে 'ব্ৰহ্মপুত্ৰ সমবায়' তথা ইয়াৰ পৰিচালন সঞ্চালক জনৰ কীৰ্ত্তি কাহিনী বৰ্ণাই পদ্ম বৰকটকীয়ে সম্পাদন কৰা "চাইলেণ্ট ৰিভ'লোচ্যন" নামৰ ব্যয়বহুল কিতাপখনৰ মূল বক্তব্য। ব্ৰহ্মপুত্ৰ সমবায় আৰু ইয়াৰ পৰিচালনা সঞ্চালকৰ গুণানু কীৰ্ত্তনৰে ভৰপুৰ এই কিতাপখনৰ ভাষা অনুসৰি সমবায়খনৰ পৰিচালন সঞ্চালকজনে ইতিমধ্যে ই অসমত এটা 'নীৰৱ বিপ্লৱ' সংঘটিত কৰিছে। বাস্তৱত এই বিতাপখনক 'নীৰৱ বিপ্লবৰ' নামত সংঘটিত অভিলেষ সৃষ্টিকাৰী ঠগ আৰু প্ৰবঞ্চনাৰ এক ঐতিহাসিক দলিল ৰূপেই গন্য কৰিব লাগিব। গতিকে এই গুৰুত্বপুৰ্ণ বিষয়টোৰ ওপৰত এটা বিতৰ্ক মূলক আলোচনা কৰিবলৈ সুযোগ দিব লাগে আৰু প্ৰকৃত তথ্য পাতি অনুসন্ধান কৰি উলিয়াবলৈ হাউচ কমিটি গঠন কৰি দিব লাগে। এই সম্পৰ্কত আন এটা বাতৰি ওলাইছে .... .... ....

অধ্যক্ষ মহোদয়, যোৱা ২৬ জানুৱাৰী, ১৯৯২ চনৰ বাতৰি কাকতত শিপিনী সকলৰ কৰ্ম্ম সংস্থাপনৰ বিষয়ে ওলাইছে। বাতৰি কাকতত ডাঙৰ ডাঙৰ হৰফেৰে ওলাইছে যে, ১০ লাখ শিপিনীক আশ্ৰয় ও কৰ্ম্মসংস্থাপন দিছে। কিন্তু আচলতে শিপিনী সকলক দিনে ৩০ পইচা কৰি দিয়া হৈছে। গতিকে এনেকুৱা এটা গুৰুত্বপুৰ্ণ কথাৰ অনুসন্ধান কৰিব লাগে। বিষয়টো সদনৰ দৃষ্টিগোচৰ কৰি মই অনুৰোধ জনাইছো যে, সকলো দলৰে সদস্য লৈ এটা সদন কমিটি গঠন কৰিব লাগে আৰু এই বিষয়টো তদন্ত কৰিব লাগে।

*শ্ৰীজয়নাথ শৰ্ম্মা: অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত মই এটা কথা কব বিচাৰিছো। এই বিষয়টোৰ ওপৰত মই এখন দৰ্খাস্ত সঞ্চালক হেন্দলুম টেক্সটাইলচলৈ দিছিলো আৰু কিছুমান দকুমেণ্টচ বিচাৰিছিলো।

May kindly provide me the following information :

1. The guideline of the Government of India and Government of Assam, if any, for Janata Bastra production and distribution programme.

* Speech not corrected.

2. The total production/distribution of Janata Bastra made by various co-operative sociaties including Artfed and the amount receivad by by them as subsidy during the financial year 1985-86, 1986-87, 1987-88, 1988-89, 1989 90, 1990-91, 1991-92.

3. The total production/distribution of Janata Bastra made by the Brahmaputra Valley Regional Co-operative Society and the amount of subsidy received by them may kindly be shown separately.

মই দৰ্খাস্তখন ১৩ তাৰিখত দিছিলো আৰু ১৪ তাৰিখে সঞ্চালকে ৰিচিত কৰিছে পিচত জানিব পাৰিলো যে, এই বিষয়টোত দুজন মন্ত্ৰীও জৰিত হৈ আছে। আমি এখন দৰ্খাস্ত দি দকুমেণ্টচৰ বিচাৰিছিলো কিন্তু নাপালো। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে আমি বিচাৰিছো আৰু এই বিষয়ে আলোচনা আমি ৰুলচ ৫০ মতে কৰিম। we are not satisfied with reply given under Rull 54. এতিয়া হেন্দলুম টেক্সটাইলচ ৰিভাগে দুখীয়া মহিলাৰ নামত ২১ কোটি টকা চাৰচিদি পাইছে আৰু ২/৩ জন মানুহে ভাগ কৰি খাইছে। এজনে পেলেচৰ ওপৰত পেলেচ বনাইছে। দুখীয়া শিপিনীৰ নামত যি ২১ কোটি টকা আনিছে সেইটো ভাৰত চৰকাৰৰ পইচা। কিন্তু বিধায়ক হিচাবে আমি দকুমেণ্টচ পোৱা অধিকাৰ আছেনে নাই? we are entitled That privilege or not.

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰ সমবায়ৰ পৰিচালন সঞ্চালক শ্ৰীজয় নাথ শৰ্মাক মাফিয়া কেংলেংকাৰীৰ গেং লিদাৰৰ লগত তুলনা কৰিব পাৰি। এই মানুহজনে বাহিৰৰ পৰা সূতা আনে মাত্ৰ কাপোৰ ইয়াত তৈয়াৰ কৰে। ৰহু টকাৰ চাৰচিদি আনে আৰু শিপিনিক দিনে ৩০ পইচা কৰি দিয়ে। জয় নাথ শৰ্মাৰ বিৰোদ্ধে ৰহুতো অভিযোগ আছে আৰু এইবিলাক তদন্ত হৈ আছে। সিদিনা এজন অফিচাৰে মোক ধমকি দি কলে যে, অসমৰ ৰিধায়কে কি কৰিব, দিল্লীৰ হেন্দলুম টেক্সটাইলচ আমি কিনি ৰাখিছো, আপোনালোকে পাট্টা নাপায়। কেন্দ্ৰীয় হেন্দলুম টেক্সটাইলচ মন্ত্ৰী আৰু

* Speech not corrected.

চেক্রেৰিয়েট কিনি ৰাখিছো। সিদিনা অলপতে এখন মেগাজিন ইনগোৰেট কৰিছে। মাল্টি কালাৰৰ মেগাজিন। তাত কৰবাত লৰাৰ হাতত ধৰি জয় নাথ শৰ্মাৰ ছবি আমেৰিকাত, কৰবাত ঘৈণীয়েকৰ হাতত ধৰি পেৰিচত জয় নাথ শৰ্মাৰ ফটো, কৰবাত ছোৱালীৰ হাতত ধৰি জাৰ্মেনীত শ্ৰীজয়নাথ শৰ্মাৰ ফটো আছে। অধ্যক্ষ মহোদয় আপুনি বিচাৰিলে এটা কপি আনিব পাৰিব। কিমান হাজাৰ কপি চপা কৰোতে খৰচ পৰিছে ৭০ লাখ টকা। কো-অপাৰেটিভ চোছাইটিয়ে ৭০ লাখ টকা খৰচ কৰি চোৰিনিয়েৰ উলিয়াব পাৰে তেনে অৱস্থাত ভাৰতবৰ্ষৰ কো-অপাৰেটিভ চোছাইটিয়ে মাৰ নাখাৰ কিয় ? অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ক এই সম্পৰ্কে অনুৰোধ কৰিব বিচাৰিছো যে, যিহেতুকে এই ৰিষয়টো অসম চৰকাৰৰ লগত জৰিত নহয়। আজি অসমত যিবিলাক সমবায় সমিতি আছে সেইবিলাক ৰেজিষ্ট্ৰাৰ্ড চোছাইটি। দুবেলা দুমুঠি খাবলৈ নোপোৱা মানুহে ইয়াত কষ্ট কৰিছে আৰু এই জগন্নাথ শৰ্মাই এই মানুহখিনিক শোষণ কৰি আছে। গতিকে ইয়াৰ এটা ব্যৱস্থা কৰিব লাগে। বিষয়টো অনুসন্ধান কৰাৰ বাবে আশ্বাস চৰকাৰে দিব লাগে। ইয়াৰ ৰিজাল্ট আমি বিচাৰিছো।

* শ্ৰীনগেন শৰ্মা : অধ্যক্ষ মহোদয়, বিষয়টো অতি গুৰুত্বপূৰ্ণ। ইয়াৰ লগত ৰাজহুৱা স্বাৰ্থ জৰিত হৈ আছে। চৰকাৰে বিষয়টো গুৰুত্ব সহকাৰে ৰিবেচনা কৰিব লাগে। এই কাৰণেই যে, ইয়াৰ আৰ্টফেদৰ লগত সম্পৰ্ক আছে। ব্ৰহ্মপুত্ৰ সমবায়ে আৰ্টফেদ ধ্বংস কৰিছে। প্ৰাইমেৰী লেভেলৰ পৰা ষ্টেট লেভেললৈকে জগন্নাথ শৰ্মা জৰিত হৈ আছে। তেওঁ নৰ্থ কাচাৰৰ এটা কেচৰ লগতো জৰিত হৈ আছে। এইটো কেচ এতিয়াও চলি আছে। তেওঁ কামৰূপ কো-অপাৰেটিভ চোছাইটিৰ লগতো জৰিত হৈ আছে। এইটো নাম ৰদলি কৰি ব্ৰহ্মপুত্ৰ কো-অপাৰেটিভ চোছাইটি কৰিছে।

অধ্যক্ষ মহোদয়, দিল্লীৰ পৰা ভাৰতৰ জনতা বস্ত্ৰ আনে, ইয়াৰ ওপৰত চাবচিদি আছে। ১০ হাজাৰ মিটাৰ কাপোৰ আনি ১০ লাখ মিটাৰ কৰি চাবচিদি আনে। এই গোটেই বিষয়টোৰ ওপৰত এটা অনুসন্ধানৰ প্ৰয়োজন হৈছে। ইয়াৰ লগত অসমৰ শিপিনী সকলৰ স্বাৰ্থ জৰিত হৈ আছে। ইয়াৰ লগত অসমৰ স্বাৰ্থ জৰিত হৈ আছে। এই বিষয়টোৰ ওপৰত এখন সদন কমিটি গঠন কৰিতে লাগে। ভালকৈ অনুসন্ধান কৰিব লাগে।

---

* Speech not corrected.

মাননীয় অধ্যক্ষ : ইয়াৰ ওপৰত যথেষ্ট আলোচনা কৰা হৈছে।

* শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয়, এইটো বৰ গুৰুত্বপূৰ্ণ বিষয়। ইয়াৰ ওপৰত এটা সদন কমিটি গঠন হ'ব লাগে আৰু গোটেই বিষয়টো ভালদৰে আলোচনা কৰিব লাগে। এই বিষয়টোৰ ওপৰত বিভাগীয় মন্ত্ৰীয়ে যি উত্তৰ দিব সেইটো আমাৰ কাৰণে চাফিচিয়েণ্ট নহব।

* শ্ৰীজয়নাথ শৰ্মা : অধ্যক্ষ মহোদয়, কাগজত দেখিবলৈ পাইছো শ্ৰীজগন্নাথ শৰ্ম্মা 'মেন অব দি ইয়েৰ' হৈছে। আমাৰ মুখ্যমন্ত্ৰীও 'মেন অব দি ইয়েৰ' হৈছে। এতিয়া মুখ্যমন্ত্ৰী 'মেন অব দি ইয়েৰ' হৈছেনে শ্ৰীজগন্নাথ শৰ্ম্মা মেন অব দি ইয়েৰ হৈছে সেই বিষয়ে আমাক এটা ক্লাৰিফিকেচন লাগে।

* শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী, ৰেচম আৰু বয়ন) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয়, সদস্যসকলে কেইবাটাও প্ৰশ্ন উপস্থাপন কৰিছে— গোটেইবোৰ কথা উত্তৰ দিব লাগিলে মোৰ বক্তব্য দীঘলীয়া হ'ব। মাননীয় সদস্য শ্ৰীহিতেশ ডেকাই কৈছে যে উত্তৰটো চমু হৈছে। মই ডিটেইলচ দিব লাগিলে সময় লব, আপোনালোকে ধৈৰ্য্য ধৰি শুনে যদি কব পাৰো। (সদনত গণ্ডগোল)। মই যিখিনি ৰিপোৰ্ট পাইছো তাৰ মতে পেপাৰত যিবোৰ কথা ওলাইছে তাৰ ওপৰত এনকুৱাৰী কৰিবলৈ দিয়া হৈছে। এনকুৱাৰীৰ ৰিপোৰ্ট এতিয়ালৈকে পোৱা নাই।

* শ্ৰীবদন বৰুৱা : মাননীয় অধ্যক্ষ মহোদয়, অগ্ৰদূত কাকতত এই বিষয়ে বহুত কথা প্ৰকাশ পাইছে। সেই বিষয়ে............ (অসম্পূৰ্ণ)

* শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, অগ্ৰদূত কাকতত যিবোৰ কথা ওলাইছে, চাৰচিদি কিমান দিয়া হৈছে সেইবোৰ কথাও আছে। পেপাৰৰ ৰিপোৰ্টত এইটো কথাও ওলাইছে যে কেন্দ্ৰীয় চৰকাৰে চাৰচিদিৰ যিটো নিৰিখ বান্ধি দিছে সেইমতে শিপিনীয়ে পোৱা নাই, কমকৈ পাইছে, কিন্তু তেওঁলোকে নাইপোৱা বুলি কোৱা নাই। এই চাৰচিদিৰ নিৰিখটো কেন্দ্ৰীয় চৰকাৰে বান্ধি দিয়ে, আমাৰ চৰকাৰে বান্ধি দিয়া নাই।

* শ্ৰীনগেন শৰ্মা : অধ্যক্ষ মহোদয়, ১০ হেজাৰ মিটাৰ কাপোৰ আনি ১০ লাখ মিটাৰ কৰি দেখুওৱা হৈছে। এইটো ভালদৰে অনুসন্ধান কৰিব লাগে।

* Speech not corrected.

* শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, মই ডিটেইলচ কব ধৰিছো। এই জনতা বস্ত্ৰ আঁচনি আৰম্ভ হৈছে— (অসম্পূৰ্ণ)।

* শ্ৰীযতীন মালী : অধ্যক্ষ মহোদয় এই গোটেই ঘটনাটোৰ লগত অসমৰ হেজাৰ হেজাৰ দুখীয়া শিপিনীৰ স্বাৰ্থ জড়িত হৈ আছে। এই বিষয়টো হাউচ কমিটি পাতি দি অনুসন্ধান কৰিলেহে সকলো ওলাই পৰিব।

(সদনত গণ্ডগোল)

(কেইবাজনো সদস্যই একেলগে কবলৈ ধৰে ) .... .... .... (বিভাগীয় মন্ত্ৰীয়ে উত্তৰ দি থাকে যদিও শুনা নগল )।

* শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, এখন কিতাপত শ্ৰীজগন্নাথ শৰ্ম্মাক অসমৰ মহাত্মা গান্ধী বুলি কোৱা হৈছে। মন্ত্ৰী মহোদয়ে জনাবনে যে ২১ কোটি টকাৰ চাৰচিদি লোৱাটো হয় নে নহয় ?

* শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই বছৰ চাৰচিদি লোৱা নাই। ১৯৮৩ চনত ২৩ হেজাৰ টকা, ১৯৮৫ চনৰ পৰা ১৯৯০ চনৰ ভিতৰত........

(সদনত গণ্ডগোল লাগে কেইবাজনো সদস্যই একেলগে কোৱাত কাৰো কথা শুনা নগল )।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, যোৱাবাৰ এ, জি, পি, চৰকাৰৰ তৰফৰ সদনত 'ৰেচম বিল' এখন উত্থাপন কৰা হৈছিল। তেতিয়া কংগ্ৰেছৰ ফালৰ আপত্তি আহিছিল। এই বিলখনত দুখীয়া মানুহৰ কথা জড়িত আছিল। আপত্তি উঠাত বিলখন চিলেক্ট কমিটিলৈ পঠোৱা হৈছিল। আজি আমি এই বিষয়টোৰ ওপৰত আপত্তি আনিছো, ইয়াতো দুখীয়া শিপিনীৰ স্বাৰ্থ জৰিত হৈ আছে। গতিকে আজিৰ চৰকাৰে এই বিষয়টোৰ ওপৰত এখন সদন কমিটি কিয় গঠন কৰিব নোৱাৰে ?

* শ্ৰীজয়নাথ শৰ্ম্মা : অধ্যক্ষ মহোদয়, আমাক সদন কমিটি এই কাৰণেই লাগে যে ইয়াত দুটা বিভাগ হেণ্ডলুম আৰু সমবায় বিভাগ জড়িত হৈ আছে। ২১ কোটি টকা অসমৰ দুখীয়া বোৱনী, শিপিনীৰ নামত অনা হৈছে। ইয়াৰ লগত যিজন ব্যক্তি জড়িত হৈ আছে সেইজন আজি অসমৰ মহাত্মা গান্ধী। আমাক এখন সদন কমিটি লাগে, এই কমিটিয়ে অনুসন্ধান কৰিব এই ২১ কোটি টকা কাক কাক চাবচিদি দিয়া হৈছে। এই গোটেই ঘটনাবোৰ পোহৰলৈ আনিব লাগে।

---

* Speech not corrected.

* শ্ৰীবৰ্গৰাম দেউৰী (মন্ত্ৰী ৰেচম আৰু বয়ন): মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৫ চনৰ পৰা...... (সদনত গণ্ডগোল লাগে কেইবাজনো সদস্যই একেলগে কবলৈ ধৰাত কাৰো কথা লিপিবদ্ধ কৰিব পৰা নগল)।

Mr. Speaker: I call Shri Pranab Kumar Nath to raise the matter.

(Member absent)

(Opposition walks out)

If you do not hear how can we reply. As the time is very short I inted to proceed to item No. 3. If you want to bring this matter in other possible manner, we can discuss it lateron. You are more experienced than me. Under Rule 54, Call Attention, there is no scope for debate. Now Item No. 3. As the member is absent, I call the Chief Minister to present the budget.

## PRESENTATION OF THE BUDGET ESTIMATES FOR THE YEAR 1992-93.

Now budget will be presented and the time is very short and very reluctantly proceeding to item No. 3. If you want to bring this matter you can bring it according to the procedure ........(interruption). When the Speaker stands you cannot disturb him. You have brought the matter under Rule 54. There is no scope for a debate on this matter. If the matter is very serious and you desire to have a discussion you can do so as per rules of the House if it permits (interruption). ........I am guided by my own conscience. Now, I request Shri Pranab Kumar Nath to call

* Speech not corrected.

the attention of the Chief Minister.

*শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, ২১ কোটি টকাৰ হাউচ কমিটিৰ যিটো কৰাপচন আপোনালোকে সদনত আলোচনা কৰিবলৈ নিদিলে। সেই কাৰণে আমি সদন ত্যাগ কৰিলো। (সদনত হুলস্থূল)

Mr. Speaker : No body can complain against the action of the Speaker.

( Opposition walked out ).... ... .... ....

Now, Chief Minister will present the Annual Financial Statement (Budget Estimate) of the Government of Assam for the year 1992-93.

( Opposition reentered )

*শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয় মোৰ এটা পইণ্ট অৰ অৰ্ডাৰ আছে। সদনৰ কিছুমান নিয়ম নীতি আছে। সেই নিয়ম-নীতিৰ ভিত্তিতে সদন চলিব লাগে। কিন্তু আপোনালোকে সদনতো পাতিব নোখোজেই লগতে নিয়ম-নীতিও উলংঘা কৰে।

যোৱা ১৪।৩।৯২ তাৰিখৰ জন ক্ৰান্তি নামৰ কাকত খনত ৰাজ্যখনৰ আগন্তুক বাজেটৰ প্ৰতিচ্ছবি প্ৰকাশ পাইছে। তাত লিখা হৈছে যে মুঠ ৯৬০ কোটি টকা বিভিন্ন শিতানত ধাৰ্য কৰা হৈছে। কৃষি ক্ষেত্ৰত ৬৬ কোটি টকা ধাৰ্য্য কৰা হৈছে। অতিৰিক্ত ৯'২০ কোটি টকা। ইয়াৰে ৬২ কোটি ৬২ লাখ টকা গ্ৰাম উন্নয়নৰ বাবে, ৪ কোটি ৪৮ লাখ টকা গ্ৰাম্য উন্নয়নৰ কাৰণে, জলসিঞ্চন আৰু বান নিয়ন্ত্ৰণৰ বাবে ১৬৫ কোটি টকা আৰু সংখ্যালঘু উন্নয়নৰ বাৰে ২০ কোটি ৩৭ লাখ টকা ধাৰ্য্য কৰা হৈছে শক্তি আৰু উদ্যোগত ৩৪২ কোটি ধৰা হৈছে। অকল শক্তিৰ বাবদ ২২৫ কোটি ধৰা হৈছে। মই এটা কথা কব খুজিছো যে বাতৰি কাকতত কেনেকৈ বাজেট খন প্ৰকাশ পাবলৈ পালে। মই জনাত এই বাতৰি কাকত খন দেৱজিত শইকীয়াৰ। তেওঁ সম্বন্ধত আমাৰ বৰ্ত্তমান বিত্ত মন্ত্ৰী মহোদয়ৰ ল'ৰা। মই এই কথাখিনি আৰু বেছি বহলাই কবলৈ নাযাও। নহলে ব্যক্তিগত মনোমালিন্য হব পাৰে। কিন্তু কথা হল আন আন বাতৰি কাকত বোৰতো বাজেটৰ নিচিনা গোপনীয় ফাইলৰ বিষয় বস্তু কেনেকৈ প্ৰকাশ পায়? মাননীয় অধ্যক্ষ মহোদয়ৰ পৰা এটা ৰুলিং বিচাৰিছো।

* Speech not corrected.

শ্ৰীজয়নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ মই বাতৰি কাকতত বাজেট লিক আউত হোৱা কথাটো লৈ আপোনাৰ পৰা ৰুলিং বিচাৰিছিলো। কিন্তু আপুনি ৰুলিংটো পিছত দিম বুলি ৰিজাৰ্ভত ৰাখিলে। মাননীয় অধ্যক্ষ মহোদয় আপুনি চিন্তা কৰক এইবাৰো সেই একেটা কথাই পুনৰাবৃত্তি হৈছে। কিন্তু আপুনি এইবাৰো ৰুলিং দিবলৈ বিচৰা নাই। এইবাৰৰ 'অসম বাণী'ত 'এইবাৰ অসমৰ বাজেট কেনে ধৰণৰ হ'ব' শীৰ্ষক এটিৰে বাজেটৰ কিছু অংশ প্ৰকাশ কৰিছে। এই বাজেট মতে প্ৰায় ৯৬০ কোটি টকা বিভিন্ন শিতানত ব্যয় কৰিব বুলি অনুমান কৰা হৈছে। বাজেট মতে কৃষি শিতানত প্ৰায় ৬৭ কোটি, গ্ৰামোন্নয়নত ৪৫ কোটি জল সিঞ্চন আৰু বান নিয়ন্ত্ৰণত ১০৫ কোটি শক্তি আৰু উদ্যোগত ৩০২ কোটি আৰু বিদ্যুৎ ২২৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। শিক্ষা আৰু সমাজ সেৱা বিভাগত ২৬০ কোটি টকা ধাৰ্য্য কৰা হৈছে। গৃহ নিৰ্মাণৰ বাবে ৭ কোটি টকা ধাৰ্য্য কৰা হৈছে। ৯৬০ কোটি টকাৰ পৰিকল্পনাৰ বাজেটত ভৈয়ামৰ বাবে প্ৰায় ৮৯৩ আৰু পাৰ্বত্য অঞ্চলৰ বাবে প্ৰায় ৬৭ কোটি টকা ধাৰ্য্য কৰা হব পাৰে বুলি প্ৰকাশ। মাননীয় অধ্যক্ষ মহোদয় আপোনালোকে কথাটো চিৰিয়াচলি লওক। সকলো কথা সাধাৰণ ভাৱে নলৈ অলপ গুৰুত্ব দিয়া উচিত। কিছু কথা আগতে ওলালেও অধিবেশনৰ সকলো কথা ওলোৱাটো আমি আশা নকৰো। বাজেটখন উত্থাপন কৰাৰ আগতে কেনেকৈ বাহিৰলৈ যাবলৈ পায় আমি জানিব বিচাৰো। যোৱাবাৰ বাজেট লিকআউট হোৱাৰ সময়তো মই ৰুলিং বিচাৰিছিলো কিন্তু ৰুলিং দিয়া নাই। বাজেটৰ সকলো অংশই কেনেকৈ ওলাব পাৰে? আপোনালোকৰ ওথ টেকিংৰ সময়ত চিক্ৰেচি মেইনটেইন কৰা কথাটো নাছিল নেকি? তাৰোপৰি বাজেটৰ লগত যিখন চাৰ্ট দিব লাগে সেই তালিকাখন আপোনালোকে দিয়া নাই। আমাৰ বিধান সভাৰ যিবোৰ পৰম্পৰা কোনো পৰম্পৰাই আপোনালোকে ৰখা নাই। ফাইলৰ গোপনীয় বিষয়বস্তু কেনেকৈ জনক্ৰান্তি আৰু অসম বাণী কাকতত প্ৰকাশ পায়। অধ্যক্ষ মহোদয় এই বিষয়টো আলোচনা হব লাগে আৰু আপোনাৰ পৰা এটা ৰুলিং দিব লাগে।

* শ্ৰীহলিৰাম টেৰাং : This is a proof, very much a proof. অসম বাণী কাকতখনত এই ফিগাৰবোৰ কেনেকৈ ওলাবলৈ পালে?

---

* Speech not corrected.

মাননীয় অধ্যক্ষ : ৰাতৰি কাকতত যিকোনো কথাই ওলাব পাৰে। ৰাতৰি কাকতত ওলোৱা কথাটো সঁচানে মিচা আমি কেনেকৈ গম পাম ? এতিয়া আমাৰ মুখ্যমন্ত্ৰীক বাজেট পঢ়িবলৈ ঘোষণা কৰিলো।

(সদনত কেইবাজনো মাননীয় সদস্যই একেলগে কবলৈ থিয় হয়। কাৰো মাত স্পষ্টকৈ শুনা নাযায়। কেইবাজনো মাননীয় সদস্যই অধ্যক্ষৰ টেবুললৈ আহি ডাঙৰ কৈ কথা কয়)।

এতিয়া মুখ্যমন্ত্ৰীয়ে বাজেট উত্থাপন কৰিব।

(বিৰোধী দলৰ মাননীয় সদস্য সকলে সদন কক্ষ ত্যাগ কৰে)

'ক' খণ্ড

শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনত ১৯৯২-৯৩ চনৰ বাজেট প্ৰাক্কলন দাঙি ধৰিবলৈ পাই মই আনন্দ পাইছো।

২। মাননীয় সদস্য সকলে জানেই যে বিশেষকৈ পণবন্দী সমস্যা আৰু উগ্ৰপন্থীৰ হত্যা-অপহৰণৰ ঘটনাৱলীৰ পৰিপ্ৰেক্ষিতত বৰ্ত্তমান মন্ত্ৰী সভা প্ৰধানত : প্ৰথম কেইমাহমান ৰাইজক নিৰাপত্তা দিয়াব কামতে ব্যস্ত হৈ থাকিব লগীয়া হৈছিল। পৰিস্থিতিৰ উপশম নঘটাত আৰু আৰক্ষী বাহিনীয়েও সেই দায়িত্ব সম্পূৰ্ণ ভাৱে হাতত লব নোৱাৰাত এটা সময়ত অসামৰিক কৰ্তৃপক্ষক সহায় কৰিবলৈ সেনাবাহিনীকো নিয়োগ কৰিবলগীয়া হৈছিল। চৰকাৰ আৰু ৰাইজে শান্তি ঘূৰাই অনাত দিয়া গুৰুত্বৰ প্ৰতি শেষলৈ অৱশ্যে সংযুক্ত মুক্তি বাহিনীয়েও সহঁাৰি জনালে। মুক্তি বাহিনীয়ে তেওঁলোকৰ জিম্মাত তেতিয়াও থকা পণবন্দী সকলক মোকলাই দিয়াই নহয়, সমস্যা সমূহ আলোচনাৰ জৰিয়তে মীমাংসা কৰিবলৈ নিজৰ ইচ্ছাৰ কথাও প্ৰকাশ কৰিলে। শান্তিৰ বাবে ৰাইজৰ আগ্ৰহৰ লগত সম্পূৰ্ণ বৰ্জিতা খুৱাই সংগঠনটোৱে হিংসাত্মক কাৰ্য্য-কলাপ বন্ধ কৰি দিয়াটো স্বাভাৱিকতে ৰাজ্যখনলৈ স্বাভাৱিক জীৱন ঘূৰি অহাব ক্ষেত্ৰত বহুপৰিমাণে সহায়ক হৈছে। কিছুমান

শক্তিয়ে উত্তেজনাৰ সৃষ্টি কৰি আৰু হিংসাক প্ৰৰোচিত কৰি শান্তিৰ প্ৰচেষ্টা আৰু আলোচনাৰ প্ৰক্ৰিয়াত বাধা দিবলৈ অপচেষ্টা চলোৱাৰ পিছতো আলোচনাৰ মাজেৰে জ্বলন্ত সমস্যাটো সমাধানৰ সম্ভাৱনা উজ্জ্বল হৈ উঠাৰ বাবে সংগঠনটোৰ সদিচ্ছা আৰু বাস্তৱ-চেতনাকে শলাগিব লাগিব। চৰকাৰে আন্তৰিক ভাবে আশা কৰে যে আনবোৰ উগ্ৰপন্থী সংগঠনেও ৰাইজৰ শান্তি কামনাকে সম্পূৰ্ণভাবে সন্মান জনাৰ আৰু সাংবিধানিক উপায়েৰে সকলোবোৰ সমস্যাৰ সমাধানৰ বাবে অনুকুল পৰিবেশ সৃষ্টিত সহায় কৰিব। কেতবোৰ বিক্ষিপ্ত হিংসাত্মক ঘটনা ঘটি থাকিলেও বড়োলেণ্ড কৰ্মীসকলেও লাহে লাহে কথাবোৰ বুজি উঠা যেন দেখা গৈছে আৰু সেই দিশতো অৱস্থাৰ আৰু উন্নতি ঘটিব বুলি আমি আশা কৰাৰ থল আছে। এ-এছ-ডি-চি আৰু কে-এছ-এই উত্থাপন কৰা স্বায়ত্ত শাসিত ৰাজ্যৰ দাবীটোৰ সন্দৰ্ভত ফলপ্ৰসূ আলোচনাৰ প্ৰক্ৰিয়া স্থিৰ কৰিবলৈ বুলি পাৰ্বত্য অঞ্চলৰ মন্ত্ৰী আৰু কাৰ্বি আংলং জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য গৰাকীৰে গঠিত দুজনীয়া সমিতিলৈ বিষয়টো পঠিওৱা হৈছিল। এই সন্দৰ্ভত ত্ৰিপাক্ষিক আলোচনা পতাৰ পৰামৰ্শ সহ সমিতিৰ প্ৰতিবেদনখন কেন্দ্ৰীয় চৰকাৰলৈ পঠিওৱা হৈছে।

প্ৰাকৃতিক দুৰ্যোগ

৩। মাননীয় সদস্য সকলে জানে যে বানপানীৰ সমস্যাটো এবাৰ নোৱাৰা সমস্যা হৈ পৰিছেহি আৰু ই ৰাজ্যখনৰ অৰ্থ নৈতিক বিকাশ বাধাগ্ৰস্ত কৰি আহিছে। চলিত বছৰতো ৰাজ্যখন প্ৰলয়ঙ্কৰী বানপানীৰ কবলত পৰে। ৰাজ্যচৰকাৰে বান নিয়ন্ত্ৰণৰ দিশত হাতত লোৱা ব্যৱস্থাৱলীৰ ভিতৰত আছে মথাউৰি নিৰ্মান, খহনীয়া প্ৰতিৰোধ ব্যৱস্থা, নলা-নৰ্দমা আৰু শ্লুইছ গেটৰ জৰিয়তে পানী উলিয়াই দিয়াৰ ব্যৱস্থা। সমস্যাটোৰ ব্যাপকতালৈ চালে দীৰ্ঘম্যাদী সমাধানৰ প্ৰয়োজন আছে। কেন্দ্ৰীয় চৰকাৰেও সমস্যাটোক এক ৰাষ্ট্ৰীয় সমস্য হিচাপে স্বীকৃতি দিছে আৰু ব্ৰহ্মপুত্ৰ ৰ্ড গঠন কৰিছে। ব্ৰহ্মপুত্ৰ আৰু বৰাক অৱবাহিকাৰ বাবে বৰ্ডে যুগুতোৱা এক

বৃহত্তৰ পৰিকল্পনা সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ পৰীক্ষাধীন হৈ আছে। এই প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে বৰাক নদীৰ ওপৰত টিপাইমুখ বান্ধ প্ৰকল্পৰ প্ৰাক-নিৰ্মাণ কাৰ্য্য হাতত লবলৈ সন্মত হৈছে। অগ্ৰাধিকাৰৰ ভিত্তিত এই পৰিকল্পনা-খনৰ খৰতকীয়া ৰূপায়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰক পতিয়ন নিয়াবলৈ ৰাজ্য চৰকাৰে প্ৰয়াস কৰিব।

**ৰাজ্যৰ অৰ্থনীতি**

৪। এনে অসুবিধা সত্বেও সপ্তম পৰিকল্পনা আৰু ১৯৯০-৯১ চনৰ বাৰ্ষিক পৰিকল্পনাৰ কালছোৱাত দেশত হোৱা বিকাশৰ ধাৰা ১৯৯১-৯২ চনৰ কালছোৱাত ৰাজ্যখনতো আগবঢ়াই নিয়া হৈছে। ৰাজ্যখনৰ অৰ্থনীতিৰ সামগ্ৰিক কামকাজৰ মূল্যায়নে আমাক এতিয়া আশাৰ মনোভাবেৰে ৰাজ্যৰ অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ পাতনি মেলিব পৰা কৰি তুলিছে।

৫। ১৯৯০-৯১ চনৰ বাবে প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন (NSDP)ৰ দ্ৰুত হিচাব চলিত মূল্যত ৮৪৯২.৩ কোটি টকা আৰু স্থিৰ (১৯৮০-৮১) মূল্যত ৪১০৪.৭ কোটি টকা পোৱা হৈছে। ১৯৮৯-৯০ চনৰ বাবে অনুৰূপ সাময়িক হিচাপ আছিল যথাক্ৰমে ৭৭৪১.০ কোটি টকা আৰু ৩৮১৭.৩ কোটি টকা ১৯৯০-৯১ ৰ কালছোৱাত প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯৮৯-৯০ চনতকৈ চলিত মূল্যত শতকৰা ৯.৭ ভাগ আৰু স্থিৰ মূল্যত শতকৰা ৭.৫ ভাগ বৃদ্ধি পায়। আনহাতে ১৯৮৮-৮৯ চনতকৈ ১৯৮৯-৯০ চনত এই বৃদ্ধিৰ শতকৰা হাৰ আছিল যথাক্ৰমে ১৭.৯ ভাগ আৰু ৬.৩ ভাগ। চলিত মূল্যত ১৯৯০-৯১ চনৰ বাবে জনমূৰি প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদনৰ আনুমানিক হিচাব ১৯৮৯-৯০ চনৰ ৩১৯৬ টকাৰ বিপৰীতে ৩৪২৭ টকা পোৱা হৈছে। এই বৃদ্ধিৰ হাৰ ৭.২ শতাংশ। আগৰ বছৰত ইয়াৰ হাৰ আছিল ১৫.৩ শতাংশ। আনহাতে ১৯৯০-৯১ চনৰ বছৰৰ বাবে জনমূৰি প্ৰকৃত ৰাজ্যিক ঘৰুৱা উৎপাদন চলিত মূল্যত ৫.১ শতাংশ বৃদ্ধি হৈ ১৯৮৯-৯০

চনত ১৫৭৮ টকাৰ পৰা ১৬৫৬ টকালৈ বৃদ্ধি হয়। ১৯৮৯-৯০ চনত এই বৃদ্ধি আছিল ৪ শতাংশ।

মূল্য ৬। বিগত বছৰসমূহত পৰিলক্ষিত হোৱা মূল্যৰ উৰ্দ্ধগামী গতি চলিত বছৰতো অব্যাহত থাকিল আৰু মাজে মাজে ই অধিক ব্যাপক হৈও পৰে। ১৯৯১ চনৰ জানুৱাৰী মাহৰ পৰা মে মাহলৈকে এই সময়ছোৱাত গড় হিচাপত পাইকাৰী মূল্যসূচী ১৯৯০ চনৰ একেখিনি সময়ৰ মূল্যসূচীতকৈ ১১.১ শতাংশ বৃদ্ধি পায়। ১৯৯০ চনত সামগ্ৰিক ভাৱে এই হাৰ ১০.৯ শতাংশ পৰ্যন্ত বাঢ়িছিল আৰু ১৯৯১ চনৰ জানুৱাৰীৰ পৰা অক্টোবৰ মাহৰ কালছোৱাত গ্ৰাহক মূল্যসূচী তাতোকৈও বাঢ়ি ১৯৯০ চনৰ একেখিনি সময়ৰ মূল্যসূচীতকৈ ১৩ শতাংশ বৃদ্ধি দেখুৱায়গৈ।

বাৰ্ষিক পৰিকল্পনা ১৯৯১-৯২ ৭। ১৯৯১-১৯৯২ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে আবণ্টন আছিল ৮০৫ কোটি টকা। ৰাজ্যিক খণ্ডৰ পাৰ্বত্য যোজনা জনজাতি উপ পৰিকল্পনা আৰু অনুসূচীত জাতি সংযোগী পৰিকল্পনাৰ আবণ্টন আছিল যথাক্ৰমে ৫৬.৪৮ কোটি টকা, ৭৯.৭৯ কোটি টকা আৰু ৪৮·২১ কোটি টকা।

৮। ১৯৯১-৯২ চনৰ বাৰ্ষিক পৰিকল্পনাৰ ৰূপায়ণৰ কাম আন্তৰিকতাৰে হাতত লোৱা হয় আৰু ৰাজ্যখনত চলিত বছৰটোৰ বেছিখিনি সময়তে আইন শৃঙ্খলাৰ পৰিস্থিতি চলি থকা সত্বেও আৰু বানপানীৰ ধ্বংসলীলা সত্বেও বিভিন্ন খণ্ডৰ আমাৰ কাম-কাজ সন্তোষজনক হৈ আছে।

৯। আমাৰ অৰ্থনীতিৰ ঘাই অৱলম্বন কৃষি খণ্ডই ১৯৯১-৯২ কালছোৱাত উল্লেখযোগ্য প্ৰগতি লাভ কৰিছে। খাৰিফ আৰু ৰবি শস্যৰ ক্ষেত্ৰত সামগ্ৰিক সফলতা আগৰ বছৰৰ তুলনাত অধিক উন্নত হ'ব বুলি আশা কৰা হৈছে। ধানৰ উৎপাদন ৩৩.৭৫ লাখ টনৰ লক্ষ্যৰ বিপৰীতে ৩৩.৩৫ লাখ টন হব বুলি আশা কৰা

হৈছে। ঘেহু, মাকৈ, মাহ, ডাইল, মৰাপাট, সৰিয়হ আদিৰ উৎপাদনো আগৰ বছৰৰ তুলনাত অধিক হব বুলি আশা কৰা হৈছে। অৱশ্যে অধিক কুশলী কৃষি পদ্ধতিৰ জৰিয়তে কৃষিজাত দ্ৰব্যৰ উৎপাদন বৃদ্ধিৰ ভালেখিনি থল আছে আৰু চৰকাৰে ইতিমধ্যে একেলগে একাধিক খেতিৰ ব্যৱস্থা বঢ়োৱা, খেতিৰ ঘনত্ব বৃদ্ধি কৰা, উচ্চ উৎপাদনক্ষম জাতৰ সচঁ, ৰাসায়নিক সাৰ, ট্ৰেকটৰ, পাৱাৰ টিলাৰ আৰু অন্যান্য আধুনিক আহিলা পাতিৰ বিস্তৃত ব্যৱহাৰকে ধৰি ভালেমান ব্যৱস্থা হাতত লৈছে।

জলসিঞ্চন

১০। কৃষি উন্নয়নৰ কাৰণে যিহেতু জলসিঞ্চন এক গুৰুত্বপূৰ্ণ আহিলা সেয়ে ৰাজ্য চৰকাৰে খেতিয়কসকলক ব্যাপক হাৰত জলসিঞ্চনৰ সা-সুবিধা আগবঢ়োৱাত যথেষ্ট গুৰুত্ব দিছে। ১৯৯১-৯২ চন বছৰটোত বৃহৎ আৰু মজলীয়া জলসিঞ্চন ক্ষেত্ৰৰ সাধাৰণ এলেকাৰ অধীনত সংশোধিত আবণ্টন আছিল ৩৬৭৩.০০ লাখ টকা আৰু আনহাতে ক্ষুদ্ৰ জলসিঞ্চন খণ্ডৰ ক্ষেত্ৰত আছিল ৪৬৪৫·০০ লাখ টকা। তদুপৰি উপকৃত অঞ্চল উন্নয়নৰ অধীনত ২৬০·০০ লাখ টকা কেন্দ্ৰীয় অংশৰ উপৰিও ৰাজ্যিক অংশ হিচাপে ৩১০ লাখ টকাৰ ব্যৱস্থা ৰখা হৈছে। বিশেষকৈ চলি থকা আঁচনিসমূহ দ্ৰুতভাৱে সম্পূৰ্ণ কৰাৰ লগতে ইতিমধ্যে সৃষ্টি কৰা সা-সুবিধাসমূহৰ অধিক উন্নতভাৱে আৰু সৰ্বোচ্চ ব্যৱহাৰ সুনিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰা হৈছে।

দুগ্ধ উন্নয়ন

১১। গ্ৰামাঞ্চলত অধিক পৰিপূৰক উপাৰ্জন কৰিব পৰা দুগ্ধ উন্নয়ন আঁচনিয়ে স্বাভাৱিকতে যথোচিত অগ্ৰাধিকাৰ লাভ কৰিছে। এই খণ্ডত উন্নয়নমূলক কাম-কাজৰ মুখ্য উদ্দেশ্য হ'ল অধিক পৰিমাণৰ গাখীৰ উৎপাদন আৰু অন্যান্য আঁচনিসমূহ ভিতৰত আছে গাখীৰ শীতলীকৰণ প্ৰকল্প, দুগ্ধ আৰু দানা প্ৰকল্প গ্ৰাম্য ক্ৰীম উৎপাদন কেন্দ্ৰ আৰু সমবায় দুগ্ধ ইউনিয়নৰ উন্নীতকৰণ। ১৯৯১-৯২ চনত সাধাৰণ এলেকাৰ বাবে দুগ্ধ উন্নয়নৰ

আৱণ্টন আছিল ৪২১ লাখ টকা। তেনেদৰে পাহাৰ অঞ্চলৰ বাবে এই পৰিমাণ আছিল ১৮ লাখ টকা। জনজাতীয় উপ-পৰিকল্পনাৰ অধীনতো ৮৫ লাখ টকা আৰু অনুসূচীত জাতি সংযোগী আঁচনিৰ অধীনত ১০৩ লাখ টকাৰ ব্যৱস্থা ৰখা হৈছে।

**গ্ৰামোন্নয়ন আঁচনি**

১২। দৰিদ্ৰতা সীমাৰেখাৰ তলত বাস কৰা গাওঁবাসী ৰাইজৰ খৰতকীয়া উন্নতিৰ বাবে আমি উচ্চ অগ্ৰাধিকাৰ দিছো। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে দৰিদ্ৰতা দূৰীকৰণৰ দুখন প্ৰধান আঁচনি ৰূপায়ন কৰি আছে। সেই দুখন হল সংহত গ্ৰাম্য বিকাশ ( আই-আৰ-ডি-পি ) অাঁচনি আৰু জৱাহৰ ৰোজগাৰ যোজনা। ভালেখিনি পৰিমাণৰ চৰকাৰী সাহাৰ্য্যৰ লগতে আনুষ্ঠানিক বৃত্তৰ যোগেদি নিৰ্দ্ধাৰিত পৰিয়াল সমূহক সহায় কৰাই হল আই-আৰ-ডি-পিৰ উদ্দেশ্য। ১৯৯১-৯২ বছৰটোৰ বাবে নিৰ্দ্ধাৰিত লক্ষ্য ৪৫,২৪৯ টা পৰিয়ালৰ বিপৰীতে ১৯৯১ বৰ্ষৰ ডিচেম্বৰ পৰ্য্যন্ত ১৯,২৫৪ টা পৰিয়ালক সংহত গ্ৰাম্য বিকাশ অাঁচনিৰ যোগেদি সাহায্য আগবঢ়োৱা হয়। জৱাহৰ ৰোজগাৰ যোজনাৰ অধীনত বছৰটোৰ লক্ষ্য ১১৪.৯৯ লাখ শ্ৰমদিনৰ বিপৰীতে ১৯৯১ চনৰ ডিচেম্বৰলৈকে নিয়োগ সুবিধাৰ বাবে ৪১.৫৫ লাখ শ্ৰমদিন সৃষ্টি কৰা হৈছে। ইয়াৰ বাবে ১৯৯১-৯২ ৰ বছৰটোত অনুমোদিত বাৰ্ষিক পৰিকল্পনা আৱণ্টন আছিল সংহত গ্ৰাম্য বিকাশ অাঁচনিৰ অধীনত ১১৮০ লাখ টকা, জৱাহৰ ৰোজগাৰ যোজনাৰ অধীনত ১৩০০ লাখ টকা আৰু আই-আৰ-ই-পি ৰ অধীনত ৭০ লাখ টকা অৰ্থাৎ মুঠতে ২৫৫০ লাখ টকা। ১৯৯২-৯৩ ৰ বছৰৰ বাবে অনুমোদিত আৱণ্টন হৈছে সংহত গ্ৰাম্য বিকাশ অাঁচনিৰ অধীনত ১৩০০ লাখ টকা, আই, আৰ, ই, পি ৰ অধীনত ৬৫ লাখ টকা আৰু জৱাহৰ ৰোজগাৰ যোজনাৰ অধীনত ১৪৫০ লাখ টকা।

১৩। অন্যান্য গ্ৰামোন্নয়ন কাৰ্য্যসূচীৰ ভিতৰত আছে গাঁওৰ যুৱকৰ বাবে স্বনিয়োজন সৃষ্টি মহিলাসকলৰ বাবে

উপাৰ্জনমুখী কাৰ্য্যসূচী, অনুসূচীত জাতি আৰু অনুসুচীত জনজাতি লোকৰ বাবে বাসগৃহৰ সুবিধা, গাওঁ অঞ্চলত স্বাস্থ্য ৰক্ষাৰ সা-সুবিধা আৰু গ্ৰাম্য শক্তিৰ আঁচনি। আই,আৰ,ই,পি ৰ অধীনত শক্তিৰ বাবে বৃক্ষৰোপনৰ উপৰিও উন্নত চৌকাৰ বিতৰণ, ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰাৰ কামো হাতত লোৱা হৈছে। চলিত বছৰৰ বাবে গ্ৰামাঞ্চলত অপৰম্পৰাগত শক্তি উৎসৰ উৎকৰ্ষ সাধনৰ বাবে ১০০০ টা জৈৱ গেছ প্ৰকল্প স্থাপনৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে।

১৪। উন্নয়নৰ সৈতে জড়িত প্ৰশাসনক ৰাইজৰ আৰু কাষলৈ নিয়াৰ উদ্দেশ্য ৰাজ্যখনত অধিক উন্নয়ন খণ্ডৰ সৃষ্টি কৰা হৈছে। তৃণমূল পৰ্য্যায়লৈকে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ সুনিশ্চিত কৰিবলৈ পঞ্চায়ত নিৰ্বাচনৰ জৰিয়তে নতুনকৈ তিনি-খলপীয়া পঞ্চায়তীৰাজ নিকায় গঠন কৰা হৈছে। তদুপৰি ৰাজ্য চৰকাৰে ৪৫৫৬ জন গাওঁ পঞ্চায়ত কৰ্মচাৰীৰ চাকৰিৰ প্ৰাদেশিকীকৰণ কৰিছে।

**অনুসুচীত জাতি/ জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ**

১৫। চাহ জনজাতি আৰু প্ৰাক্তন চাহ-জনজাতিৰ লগতে অন্যান্য পিছপৰা সম্প্ৰদায়ৰ লোক তথা অনুসূচীত জাতি আৰু জনজাতীয় ৰাইজৰ সামাজিক আৰু আৰ্থিক উন্নয়নৰ প্ৰতি বিশেষ আৰু অবিৰতভাবে মনোযোগ দিয়া হৈছে। ১৯৯১-৯২ ৰ বছৰটোৰ বাবে জনজাতীয় উপ-পৰিকল্পনাৰ অধীনত ধৰা হৈছিল ৭৯.৭৯ কোটি টকা, আনহাতে অনুসুচীত জাতি সংযোগী আঁচনিত ব্যৱস্থা ৰখা হৈছিল ৪৮.২১ কোটি টকাৰ। জনজাতি উপ-পৰিকল্পনাৰ বাবে ১০.২৬ কোটি টকা আৰু অনুসূচীত জাতি সংযোগী আঁচনিৰ বাবে ২.৪১ কৌটি টকাৰ বিশেষ কেন্দ্ৰীয় সাহায্যেৰে এই আবণ্টন সমুহ আৰু বঢ়োৱা হয়।

**খাদ্য আৰু অসামৰিক যোগান**

১৬। যোগান পৰিস্থিতি আৰু বয়বস্তুৰ মূল্যৰেখা স্থিৰ ৰখাৰ বাবে চৰকাৰে সৰ্বতোপ্ৰকাৰে চেষ্টা কৰিছে। ৰাজ্যখনত কোনো অত্যাৱশ্যকীয় সামগ্ৰীৰে নাটনি হোৱা নাছিল

আৰু দেশৰ অন্যান্য অংশৰ তুলনাত মূল্যবৃদ্ধিৰ পৰিমাণো অস্বাভাৱিক নাছিল।

১৭। ইতিমধ্যে ৰাজ্যখনৰ দুৰ্গম আৰু আওহতীয়া ঠাইসমূহলৈ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সম্প্ৰসাৰণৰ কাম গুৰুত্ব সহকাৰে হাতত লোৱা হৈছে। এই উদ্দেশ্যে ৬৯ টা উন্নয়ন খণ্ড ৫৫ টা সংহত জনজাতীয় উন্নয়ন প্ৰকল্প আৰু পাৰ্বত্য জিলা সমূহত ১৪ টা উন্নয়ন খণ্ড ৰিশেষভাৱে মনোযোগ দিবলৈ বাছি লোৱা হৈছে। পোনতে ১,৩১,১৫৯ টা পৰিয়ালক সামৰি লৈ, দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা জনসাধাৰণৰ বাবে কিলোৱে প্ৰতি দুটকাকৈ চাউল যোগানৰ এক অভিলাষী আঁচনি প্ৰৱৰ্ত্তন কৰা হৈছে। অহা বছৰৰ ভিতৰত ৰাজ্যৰ আটাইখিনি এনে লোকক এই আঁচনিৰ ভিতৰত সামৰি লব পৰা যাব বুলি আশা কৰা হৈছে।

১৮। নগৰ আৰু গাওঁ অঞ্চল উভয়তে মহকুমা, গাওঁ পঞ্চায়ত সমবায় সমিতি আৰু সুলভ মূল্যৰ দোকান পৰ্য্যায়ত নিৰীক্ষণ সমিতি গঠন কৰি অত্যাৱশ্যকীয় সামগ্ৰী আইন তথা অন্যান্য নিয়ন্ত্ৰণ আদেশ সমূহৰ ব্যৱস্থাৱলী বলবৎ কৰাৰ প্ৰচেষ্টা অধিক ব্যাপক কৰি তোলা হৈছে। সমগ্ৰ ৰাজ্য জুৰি ভুৱা ৰেচন কাৰ্ড চিনাক্ত কৰাৰ এক অভিযানো চলোৱা হৈছে।

১৯। এটি অসামৰিক যোগান নিগম গঠন কৰাৰ বাবেও চৰকাৰে ব্যৱস্থা হাতত লৈছে।

**স্বাস্থ্য আৰু পৰিয়াল কল্যাণ**

২০। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ খণ্ডত ব্যৱস্থা ৰখা আবণ্টন সমূহ হৈছে ৰাজ্যিক পৰিকল্পনাৰ অধীনত ২৬৫০.০০ লাখ টকা (সংশোধিত), শতকৰা এশ ভাগ কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনিৰ অধীনত ১৬৫৪.৮৭ লাখ টকা আৰু ১৯৯১-৯২ বছৰৰ

বাবে উত্তৰ পূৱ পৰিষদৰ পৰা সাহায্য হিচাবে পোৱা ১০০.০০ লাখ টকা। ইয়াৰ বিপৰীতে ১৯৯২-৯৩ বছৰটোত ৰাজ্যিক পৰিকল্পনাৰ অধীনত আবণ্টন ধৰা হৈছে ৩৭০০.০০ লাখ টকা। কেন্দ্ৰীয় ভাবে পৃষ্ঠপোষকতা কৰা পৰিয়াল কল্যাণ কাৰ্য্যসুচীৰ বাবে আমি ২৯৫৫.৫৭ লাখ টকাৰ প্ৰস্তাৱ কৰিছোঁ। চলিত বছৰটোত গ্ৰাম্য স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত উল্লেখযোগ্য প্ৰগতি লাভ কৰা হৈছে। ইয়াৰ বাহিৰেও বি বৰুৱা কেন্সাৰ প্ৰতিষ্ঠানৰ উন্নয়ন আৰু গুৱাহাটী মেডিকেল কলেজ হাস্পতালৰ ব্লাড বেঙ্কৰ সম্প্ৰসাৰণ তথা ট্ৰেন্সফিউজন সেৱা আৰু এইডচ ৰোগৰ পৰীক্ষাৰ সুবিধাকে ধৰি অন্যান্য ক্ষেত্ৰতো উন্নতি ভালেই হৈছে। ১৯৯০-৯১ৰ ৯৩৫৫ টাৰ বিপৰীতে ১৯৯১-৯২ত ১৭০০০ টা কেটাৰেক্ট অস্ত্ৰোপচাৰ কৰা হয়। বছৰটোত শিশুৰ ৰোগ প্ৰতিশেধকৰ ক্ষেত্ৰতো ব্যাপক হাৰত টীকা দিয়াৰ ব্যৱস্থা অব্যাহত থাকে। গৰ্ ল ৰোগ নিয়ন্ত্ৰণৰ হকে হাতত লোৱা নিমখ নিৰীক্ষণৰ ব্যৱস্থাও উল্লেখযোগ্য। অহা বছৰটোত ৰাষ্ট্ৰীয় ভিত্তিত গ্ৰহণযোগ্য হোৱাকৈ ঔষধ পৰীক্ষা কৰাৰ সা-সুবিধা সম্প্ৰসাৰিত কৰা হব। ইউনিচেফৰ যথেষ্ট পৰিমাণৰ সাহাযোবে গৰল ৰোগ নিয়ন্ত্ৰণৰ ব্যৱস্থা অধিক উন্নত হব। শিশুৰ জীৱন ৰক্ষা আৰু নিৰাপদ মাতৃত্বৰ বাবে এক গুৰুত্বপূৰ্ণ আঁচনিও আৰম্ভ কৰা হ'ব। শিলচৰ আৰু অসম মেডিকেল কলেজৰ অনক'লজী বিভাগৰ সম্প্ৰসাৰণৰ লগতে ব্লাড বেঙ্ক আৰু এইচ্ছ, আই ভি পৰীক্ষা কৰাৰ সুবিধাও চৰকাৰে আগবঢ়াব। ৰাজ্যখনৰ গ্ৰাম্য স্বাস্থ্য সেৱাৰ উন্নতিৰ বাবে অতীৰ প্ৰয়োজনীয় এলেকা প্ৰকল্পত ধন বিনিয়োগৰ বাবে বিশ্ব বেঙ্ক আগবাঢ়ি আহিব বুলি আমি আশা ৰাখিছোঁ।

২১। বছৰটোৰ ভিতৰত ডিফুৰ জিলা চিকিৎসালয় খন ৯৬ টা পদ সৃষ্টি কৰি উন্নত কৰা হৈছে। ৩০ খন বিচনাযুক্ত মাইবং চিকিৎসালয় খনক ১০০ খন বিচনাযুক্ত চিকিৎসালয়লৈ ৰূপান্তৰ কৰাৰ কাৰণে ঘৰ সজাৰ ক্ষেত্ৰত প্ৰশাসনীয় অনুমোদন

দিয়া হৈছে। ১০০ খন বিচনাযুক্ত হাফলঙৰ অসামৰিক চিকিৎসালয়খনো ২০০ খন বিচনাযুক্ত কৰিবলৈ নিৰ্মাণ কাৰ্য্যৰ বাবেও বছৰটোৰ ভিতৰতে অনুমোদন জনোৱা হয়।

শিক্ষা

২২। ৰাজ্য চৰকাৰে ঘাইকৈ প্ৰাধান্য দিয়া ক্ষেত্ৰ সমূহৰ ভিতৰত অন্যতম হিচাপে শিক্ষা সদায়েই গুৰুত্বপূৰ্ণ হৈ আছে। কেৱল শিক্ষাৰ সা-সুবিধা প্ৰতিটো অঞ্চললৈ বিস্তাৰ কৰাতেই যে আমি ভালেখিনি সফল হৈছোঁ এনে নহয়, শিক্ষাৰ মানদণ্ড আৰু গুণগত উন্নতিও সাধিত হৈছে। ১৯৯১-৯২ৰ কালছোৱাত বহুসংখ্যক প্ৰাথমিক, মাধ্যমিক আৰু হাইস্কুল প্ৰাদেশিকীকৰণ কৰা হৈছে আৰু প্ৰায় ৪০,০০০ শিক্ষকৰ নতুন পদ শৃষ্টি কৰা হৈছে। ভালে সংখ্যক হাইস্কুলো হায়াৰ চেকেণ্ডাৰী স্কুললৈ উন্নীত কৰা হৈছে।

২৩। উচ্চ শিক্ষাৰ ক্ষেত্ৰতো উৎসাহজনক প্ৰগতি লাভ কৰা হৈছে। শিলচৰৰ প্ৰস্তাৱিত কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ উপৰিও, কেন্দ্ৰীয় চৰকাৰে নীতিগতভাৱে তেজপুৰত আন এখন কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ উপাধ্যক্ষৰ সভাপতিত্বত স্থান নিৰ্বাচন সমিতিয়ে ইতিমধ্যে কাম আৰম্ভ কৰিছে।

২৪। উত্তৰ গুৱাহাটীত ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান (আই-আই-টি) এটি স্থাপনৰ দিশত সন্তোষজনক প্ৰগতি লাভ কৰা হৈছে। ইয়াৰ বাবে প্ৰয়োজনীয় মাটিৰ অধিকাংশ ইতিমধ্যে লোৱা হৈছে আৰু অধিগ্ৰহণ কাৰ্য্যব্যৱস্থাৰো চূড়ান্ত ৰূপ দিয়া হৈছে। সেই ঠাইত জৰীপৰ কামো আৰম্ভ হৈ গৈছে আৰু বৰ্ড অৱ গবৰ্ণৰচ গঠন কৰা হৈছে। কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু আই-আই টি দুয়োখনৰে স্থাপনৰ কাম অহা বছৰটোৰ ভিতৰতে ভালেখিনি আগবাঢ়িব বুলি আশা কৰা হৈছে।

পৰিবহন

২৫। পৰিবহন সেৱাৰ উন্নতিৰ বাবেই নহয়, পথৰ নিৰাপত্তা নিশ্চিত কৰাৰ অৰ্থেও চৰকাৰে বিভিন্ন ব্যৱস্থা হাতত লৈছে। বিশেষকৈ গ্ৰামাঞ্চলৰ ৰাইজৰ সুবিধাৰ্থে ব্যক্তিগত খণ্ডৰ পৰিবহন সন্থা আৰু অসম পথ পৰিবহন নিগমৰ উপৰিও আভ্যন্তৰীণ জল পৰিবহন ব্যৱস্থাও অধিক শক্তিশালী কৰা হৈছে। ৰাজ্যৰ বিভিন্ন অঞ্চলত নতুনকৈ সাতোটা ফেৰী সেৱা আৰম্ভ কৰা হৈছে আৰু অহা বছৰতে আৰু ১৩ টা সেৱা প্ৰচলন কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

শ্ৰম আৰু নিয়োগ

২৬। এমপ্লয়মেণ্ট মাৰ্কেট ইনফৰমেশ্যন প্ৰোগ্ৰেমৰ তথ্য অনুযায়ী ১৯৯১ ৰ মাৰ্চ মাহ পৰ্য্যন্ত তিনিমাহৰ কাল ছোৱাত আগৰ বছৰৰ একেখিনি সময়ৰ তুলনাত ৰাজ্যখনৰ ব্যক্তিগত খণ্ড আৰু ৰাজহুৱা খণ্ড উভয়তে সংগঠিত অৰ্থ নৈতিক কাম-কাজত নিয়োজিত লোকৰ সংখ্যা ১০.২৩ লাখৰ পৰা ১০.৫১ লাখলৈ অৰ্থাৎ ২৭ শতাংশ বৃদ্ধি হয়। ৰাজহুৱা খণ্ডত নিয়োগ বৃদ্ধিৰ হাৰ আছিল ৩২ শতাংশ আৰু ব্যক্তিগত খণ্ডত আছিল ২২ শতাংশ। ১৯৯১ ৰ মাৰ্চলৈকে মহিলা কৰ্মচাৰীৰ সংখ্যা আছিল ৩.২০ লাখ অৰ্থাৎ মুঠ কৰ্মচাৰীৰ প্ৰায় ৩০.৫ শতাংশ।

নিবনুৱা

২৭। ৰাজ্যখনত বিগত বছৰকেইটাত অতিৰিক্ত নিয়োগ সুবিধা সৃষ্টি কৰা সত্বেও বাঢ়ি অহা নিবনুৱা সমস্যাটো ৰাজ্যখনৰ বাবে অতিশয় উদ্বেগৰ কাৰণ হৈ পৰিছে। নিয়োগ বিনিময় কেন্দ্ৰবোৰৰ চলন্ত পঞ্জী অনুসৰি ১৯৯০ চনৰ চেপ্তেম্বৰ মাহৰ শেষত চাকৰি প্ৰাৰ্থীৰ সংখ্যা ১০.৩০ লাখৰ পৰা বাঢ়ি ১৯৯১ চনৰ চেপ্তেম্বৰ মাহৰ শেষলৈ ১৩.১৫ লাখ হয়গৈ। অৰ্থাৎ ২৭.৬১ শতাংশ বাঢ়িছে। ১৯৯১ চনৰ চেপ্তেম্বৰত মুঠ চাকৰি প্ৰাৰ্থীৰ ভিতৰত ৭৮ লাখ জন অৰ্থাৎ ৫৯.৩ শতাংশ শিক্ষিত লোক হোৱাটো স্বাভাৱিকতেই বৰ উদ্বেগৰ কথা।

২৮। ৰাজ্য চৰকাৰে নিবনুৱা যুৱকসকলক নিয়োগ সুবিধা দিবলৈ সকলো প্ৰকাৰৰ ব্যৱস্থা লৈছে । সকলো চৰকাৰী বিভাগকে খালি হৈ থকা পদবোৰ পূৰণ কৰিবলৈ কোৱা হৈছে । ১৯৯১-৯২ চনত আমি প্ৰায় ৪০.০০০ টা শিক্ষকৰ পদ সৃষ্টি কৰিছো, যাৰ ফলত অকল ৰাজ্যখনৰ দূৰ দূৰণিৰ পিছ পৰা অঞ্চলবোৰত মাথো শিক্ষাৰ সুফল লাভ হোৱাই নহয় এক বুজন সংখ্যক শিক্ষিত নিবনুৱা যুৱকক নিয়োগৰ সুবিধাও দিব পৰা হব । চৰকাৰে স্বনিয়োজনৰ অধিক সুবিধা সৃষ্টিৰ বাবে ব্যৱসায় বানিজ্য, উদ্যোগ সেৱা আদি অৰ্থনীতিৰ বিভিন্ন খণ্ডত ভালেমান ব্যৱস্থা হাতত লৈছে ।

২৯। অধিক নিয়োগ সৃষ্টিৰ সম্ভাৱনালৈ চাই ক্ষুদ্ৰ উদ্যোগ বিকাশৰ ওপৰত জোৰ দিয়া হৈছে । ক্ষুদ্ৰ আৰু কুটিৰ শিল্প খণ্ডৰ বাবে পুঁজি আবণ্টনৰ ক্ষেত্ৰত বৃহৎ আৰু মজলীয়া উদ্যোগ খণ্ডৰ সৈতে তুলনামূলক ভাবে প্ৰয়োজনীয় সাল-সলনি ঘটোৱা হৈছে । আই-টি-আইকে ধৰি ৰাজ্যখনত থকা বাণিজ্যিক প্ৰশিক্ষণ প্ৰতিষ্ঠান সমূহক সময়ৰ লগত খাপ খোৱা নতুন বিষয়ৰ সূচনা কৰি শক্তিশালী কৰিবলৈ বিচৰা হৈছে ।

উদ্যোগ

৩০। নিয়োগৰ প্ৰচুৰ সুবিধা থকা ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ খণ্ডবোৰৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ লগতে দ্ৰুত ঔদ্যোগিকৰণৰ প্ৰতি ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ । ঔদ্যোগিকৰণ হৈছে এটা সামাজিক প্ৰক্ৰিয়া আৰু নিবনুৱা যুৱক সকলৰ শক্তিক উৎপাদনশীল কাম-কাজৰ প্ৰতি আকৰ্ষিত কৰাৰ বৃহৎ সামাজিক প্ৰয়োজনীয়তাৰ লগত চৰকাৰী নীতি খাপ খাব লাগিব । সেয়েহে উদ্যোগ শিতানৰ শতকৰা ২৫ ভাগতকৈও অধিক আবণ্টন ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ খণ্ডবোৰৰ বিকাশৰ বাবে ধৰা হৈছে ।

৩১। ১৯৯১ চনৰ শেষলৈকে ক্ষুদ্ৰ আৰু অতি ক্ষুদ্ৰ খণ্ডবোৰৰ কামকাজৰ এক পৰ্যালোচনাৰ পৰা দেখা গৈছে যে ১০.০০০

তকৈও অধিক লোকক নিয়োগৰ সুবিধা দিয়াৰ অৰ্থে ১৫৮৫টা ক্ষুদ্ৰ উদ্যোগ গোট আৰু ১১২৬টা হস্তশিল্প গোট স্থাপন কৰা হৈছিল। শিক্ষিত নিবনুৱা যুৱকৰ আত্ম সংস্থাপন আঁচনিৰ অধীনত ১৯৯২ চনৰ জানুৱাৰীলৈকে প্ৰায় ৩,০০০ লোকক আত্ম সংস্থাপন দিয়াটো সম্ভৱপৰ হৈছে। অধিক ফলপ্ৰসুভাৱে আৰু অধিকতৰ লোকক সংস্থান দিয়াৰ লক্ষ্যেৰে ১৯৯২-৯৩ চন' বছৰটোত এই আঁচনি-বোৰৰ ৰূপায়ণৰ কাম চলাই থকা হব। ১৯৯২-৯৩ চনৰ বছৰটোৰ বাবে প্ৰায় ৩৮,০০০ লোকক নিয়োগ সুবিধা দিবলৈ ৪,০০০ টা ক্ষুদ্ৰ উদ্যোগ গোট আৰু ৩,০০০ টা হস্ত শিল্প গোট স্থাপনৰ লক্ষ্য ধাৰ্য্য কৰা হৈছে। চৰকাৰে সংশ্লিষ্ট ব্যৱস্থা সমূহক উদ্যোগী-সকলৰ বাবে আকৰ্ষণীয় কৰি তোলাই নহয়. দায়িত্বসম্পন্ন কৰি তোলাৰ বাবেও ইয়াক সবল আৰু সুবিন্যস্ত কৰি তুলিব। যুৱক সকলৰ মাজত উদ্যোগমুখী মনোভাব বঢ়াই তুলিবলৈ প্ৰশিক্ষণ কাৰ্য্যসূচীৰ ওপৰত অধিক গুৰুত্ব দিয়া হব।

৩২। বৃহৎ আৰু মজলীয়া খণ্ডত সময় আৰু খৰচৰ মাত্ৰা যাতে নাবাঢ়ে তাৰ বাবে বিভিন্ন প্ৰকল্পৰ খৰতকীয়া ৰূপায়ণৰ ওপৰত অধিক মনোযোগ দিয়া হ'ব। দুটা বৃহৎ প্ৰকল্প যেনে গেছ ক্ৰেকাৰ আৰু চুক্তি শোধনাগাৰৰ কাৰণে প্ৰয়োজনীয় আন্তৰ্গাথনি আৰু বিত্তীয় সুবিধাৰ জৰিয়তে উদ্যোগৰ প্ৰতি আকৰ্ষিত কৰিবলৈ যথেষ্টখিনি দিহা ৰখা হৈছে। চৰকাৰী যুটীয়া আৰু সহযোগী খণ্ডবোৰত নিৰ্মীয়মান অৱস্থাত থকা আন ভালেমান প্ৰকল্পৰ প্ৰতিও যথাযথ ভাৱে মনোনিবেশ কৰা হব।

**ৰাজহুৱা প্ৰতিষ্ঠান**

৩৩। ৰাজহুৱা প্ৰতিষ্ঠানবোৰত ৰাজ্য চৰকাৰে বৃহৎ পৰিমাণৰ ধন খটুৱাইছে যদিও সেইবোৰৰ সৰহ ভাগেই যথেষ্ট পৰিমাণৰ উৎপাদন অবিহনে চলি থকাটো বৰ উদ্বেগৰ কথা। বাঢ়ি যোৱা বিত্তীয় ঘাটিৰ পৰিপ্ৰেক্ষিতত ইয়াৰ লোকচানৰ বোজা বহন কৰাটো চৰকাৰৰ পক্ষে বেছি কঠিন হৈ পৰিছে। ৰাজহুৱা প্ৰতিষ্ঠানবোৰে

নিজৰ ক্ষয়িষ্ণু অৱস্থাক প্ৰতিৰোধ কৰাৰ লগতে সামগ্ৰিকভাবে ৰাজ্যৰ অৰ্থনীতিলৈও অৰিহণা যোগাবলৈ ভালেখিনি ৰাহি সৃষ্টি কৰিব লাগিব।

**অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ**

৩৪। ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিত্তীয় অৱস্থাও সমুলি সন্তোষজনক নহয়। ঋণৰ মূলধন আৰু সুত পৰিশোধ কৰাত ইয়াৰ অপাৰগতা আৰু ঘটি পুৰণৰ বাবে লগা আৱশ্যকীয় ধনৰ প্ৰয়োজন ৰাজ্যৰ বাজেটত স্বাভাৱিকতে প্ৰতিফলিত হৈছে। ১৯৯২-৯৩ চনত ৰাজ্য চৰকাৰৰ সুদৰ দেনা আৰু মূল্য হ্ৰাস বাদ দিও বিদ্যুত পৰিষদৰ কাম কাজৰ ফলাফলৰ ১৩৭,৩৮ কোটি টকাৰ এটা ব্যৱধান দেখা যায়। সম্প্ৰতি কৰৰ সংশোধিত নিৰ্দ্ধাৰণৰ পিছত ৫০ কোটি টকাৰ অতিৰিক্ত আয় হব। অবশ্যে ৰাকী থকা মুঠ ৮৭.৩৮ কোটি টকাৰ ব্যৱধানখিনি ৰাজ্য চৰকাৰে পুৰাব লাগিব।

৩৫। ইয়াৰ কাৰ্য্য দক্ষতা উন্নত কৰাৰ প্ৰয়োজনীয়তালৈ আওকাণ নকৰাকৈও উল্লেখ কৰিব পাৰি যে বিদ্যুৎ পৰিষদৰ ৰিত্তীয় ব্যৰ্থতা আংশিকভাৱে ইয়াৰ নিয়ন্ত্ৰণৰ বাহিৰৰ কিছুমান কাৰণতো হৈছে। অধিক ইন্ধন আৰু পুনৰ স্থাপন ব্যয় তথা ৰেতন বৃদ্ধিৰ লগতে গ্ৰ্যাম্য বৈদ্যুতিকৰণ আৰু পাম্পচেটৰ বৈদ্যুতিকৰণৰ দৰে ৰাষ্ট্ৰীয় লক্ষ্য পুৰণৰ ৰাবে আৱশ্যকীয় ব্যৱস্থাত গুৰুত্ব দিব লগা হোৱাৰ বাবেও বিদ্যুৎ পৰিষদৰ লাভৰ ক্ষমতা ব্যাহত হৈছে। এফালে আমি গ্ৰাম্য বৈদ্যুতিকৰণৰ সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব দিছো যদিও আনহাতে গ্ৰাম্য গ্ৰাহকলৈ যোগানৰ পৰ্য্যায়ত বিদ্যুৎৰ খৰচ আৰু প্ৰকৃততে লোৱা নিৰিখৰ মাজত থকা বৃহৎ ব্যৱধান উদ্বেগৰ কাৰণ হৈ পৰিছে। গ্ৰাম্য বৈদ্যুতিকৰণৰ বেলিকা কাম চলাওঁতে হোৱা ক্ষতিৰ বিপৰীতে সাহায্যৰ বাবে কৰা দাবী নৱম বিত্ত আয়োগে স্বীকাৰ কৰা নাই। তথাপিও সামগ্ৰিকভাৱে পৰিষদৰ কামকাজ উন্নত কৰাৰ কিছু থল আছে আৰু এই দিশত যথেষ্ট মনোযোগ দিয়া হব।

৩৬। ১৯৯১-৯২ চনত বিদ্যুৎ খণ্ডৰ পৰিকল্পনা আবণ্টন আছিল ১৯৮.১৭ কোটি টকা, ইয়াৰ বিপৰীতে অহা বছৰৰ বাবে ধাৰ্য্য কৰা ব্যয় হল ২২৫.১০ কোটি টকা। ১৯৯২-৯৩ চনৰ বাবে ধাৰ্য কৰা এই ব্যয় ১২৪.২০ কোটি টকাৰ ৰাজ্য চৰকাৰৰ ঋণ, ১০০.৯০ কোটি টকাৰ বিপনন আৰু আনুষ্ঠানিক ঋণৰ জৰিয়তে পূৰণ কৰা হ'ব।

**অসম ৰাজ্যিক পৰিবহন নিগম**

৩৭। ৰাজ্যিক পথ পৰিবহন নিগমো হ'ল এনে এটা ৰাজহুৱা প্ৰতিষ্ঠান যাৰ বিত্তীয় অস্থিৰতা ৰাজ্য চৰকাৰৰ বাবে এক গভীৰ উদ্বেগৰ বিষয়। মূল্য হ্ৰাস আৰু ৰাজ্য চৰকাৰক দিব লগা ঋণ পৰিশোধৰ বাবে ৰাহি কৰাৰ কথা বাদেই, নিগমে নিজৰ কাম-কাজৰ খৰচ থিনিকে কৰিব পৰাকৈও যথেষ্ট উপাৰ্জন কৰিব নোৱাৰে। ১৯৯২-৯৩ চনৰ নিগমৰ কৰ্ম আঁচনিয়ে ২৫.৯৯ কোটি টকাৰ ৰাণিজ্যিক ঘাটি দেখুৱাইছে। ৰাজ্য চৰকাৰৰ মুল্য হ্ৰাস বাবদ আৰু সুদ বাবদ বাদ দি ১৬.১০ কোটি টকাৰ প্ৰকৃত ঘাটি নিৰ্দ্ধাৰণ কৰা হৈছে। মূল্য হ্ৰাস আৰু ৰাজ্য চৰকাৰক পৰিশোধ কৰিব লগীয়া ঋণ নধৰাকৈয়ে মুঠ ক্ষতিৰ পৰিমাণ ১৬.১০ কোটি টকা হয়গৈ। এই মুঠ ক্ষতি ৰাজ্যিক বাজেটত ১১.৮২ কোটি টকা ধৰি আংশিকভাবে প্ৰস্তাৱ কৰা হৈছে। নিগমৰ কাম কাজৰ পৰা ৰাজহ আহিব ২৪ কোটি টকা, আনহতে তাৰ বাবে খৰচ হবগৈ ৩৮ কোটি টকা। ইয়াৰ ফলত ক্ষতিৰ পৰিমাণ হৈ যাব ১৪ কোটি টকা। সেয়েহে, কোৱা নিষ্প্ৰয়োজন যে বাজেটৰ ওপৰত বাঢ়ি অহা নিৰ্ভৰশীলতা কামোৱাৰ উদ্দেশ্যে সামৰ্থ্যৰ পূৰ্ণতৰ ব্যৱহাৰৰ যোগেদি সামগ্ৰিক কৰ্মদক্ষতা উন্নীত কৰাটো অতিশয় জৰুৰী হৈ পৰিছে।

৩৮। ১৯৯২-৯৩ চনৰ বাবে নিগমৰ পৰিকল্পনা আবণ্টন ৭.৫০ কোটি টকা ধাৰ্য কৰা হৈছে। পৰ্বত্য পৰিকল্পনাৰ বাবে ধৰা ২৪ লাখ টকাৰ বিশেষ কেন্দ্ৰীয় সাহায্যেৰে এই আবণ্টনক আৰু কিছু পৰিমাণে পৰিপূৰণ কৰা হব।

দৰ্মহা আয়োগ ৩৯। মাননীয় সদস্য সকলৰ এটা কথা ছাগৈ মনত পৰিব যে ১৯৮৮ চনত নিয়োগ কৰা দৰ্মহা আয়োগৰ বেছি ভাগ অনুমোদনকে ৰাজ্য চৰকাৰে গ্ৰহণ কৰিছিল। দৰ্মহা আয়োগৰ প্ৰতিবেদনৰ ভিত্তিত ১-১-৮৯ ইং তাৰিখৰ পৰা ৩১-৭-৯০ ইং তাৰিখলৈকে কৰ্মচাৰী সকলে পাবলগীয়া বেতন আৰু বানচৰ বকেয়া ধনৰ আধাখিনি যোৱা বছৰতে মুকলি কৰি দিয়া হৈছিল। চলিত বছৰতো, বিত্তীয় নাটনি সত্বেও, বাকী থকা ২০০ কোটিৰো অধিক পৰিমাণৰ বকেয়া ধন মুকলি কৰি দিয়া হৈছে।

আসোঁৱাহ দুৰীকৰণ কমিতি ৪০। শেহতীয়া দৰ্মহা আয়োগৰ অনুমোদনাৱলীত থাকিব পৰা বুলি ভবা আসোঁৱাহবোৰ পৰীক্ষা কৰি চোৱাৰ বাবে ১৯৯১ চনৰ ফেব্ৰুৱাৰীত গঠন কৰি দিয়া এজনীয়া এন,মালি কমিটিয়ে কেইসপ্তাহ মানৰ ভিতৰতে ইয়াৰ পূৰ্ণ প্ৰতিবেদন দাখিল কৰিব বুলি আশা কৰা হৈছে। এই কমিটিৰ অনুমোদনাৱলী যথাযথ ভাবে বিবেচনা কৰা হ'ব।

মৰগীয়া ভাট্টা ৪১। চলিত বছৰত সকলো কৰ্মৰত চৰকাৰী চাকৰিয়ালৰ বাবে মৰগীয়া বানচৰ দুটা কিস্তি মুকলি কৰি দিয়া হৈছে। পেঞ্চন ভোগী সকললৈকো অনুৰূপ সুবিধা আগবঢ়োৱা হৈছে। ১৯৯১ চনৰ পহিলা জানুৱাৰী তাৰিখত দিবলগীয়া প্ৰথম কিস্তিৰ বাবে খৰচৰ পৰিমাণ হ'ল ৮৪ কোটি টকা। চলিত বছৰৰ ভিতৰতে ১৯৯১ চনৰ পহিলা জুলাই তাৰিখৰ পৰা দিবলগীয়া দ্বিতীয় কিস্তিৰ ধনৰ পৰিমাণ হ'ল ৪৮ কোটি টকা। আমাৰ কৰ্মচাৰী সকলৰ সা-সুবিধা চোৱাচিতা কৰাৰ নীতি আৰু কল্যাণকামী ৰাষ্ট্ৰৰ আদৰ্শৰ লগত সংগতি ৰাখি এই সাহায্য মঞ্জুৰ কৰা হৈছে।

চিকিৎসা ভাট্টা ৪২। স্বাস্থ্য ৰক্ষাৰ খৰচ বৃদ্ধিলৈ চাই চৰকাৰী কৰ্মচাৰী সকলক দি অহা চিকিৎসা ভাট্টাৰ মাহিলি পৰিমাণ আগৰ ১০০ টকাৰ পৰা১৯৯১ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা কাৰ্য্যকৰী হোৱাকৈ

২০০ টকালৈ বৃদ্ধি কৰা হয়। ইয়াৰ বাবে চলিত বছৰত অতিৰিক্ত ২০ কোটি টকা ব্যয় হ'ব।

**কৰ্মচাৰী সকলৈ এককালীন ধন**

৪৩। বিত্তীয় সীমাবদ্ধতা সত্বেও, সদিচ্ছাৰ চিন স্বৰূপে ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলৈ এটি এককালীন ধন মঞ্জুৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। অহা বিহুৰ আগতেই এই ধনখিনি আদায় দিয়া হ'ব।

**অশান্তিৰ ফলত নিহত লোকলৈ এককালীন সাহায্য**

৪৪। যোৱা কেইটিমান বছৰত ৰাজ্যখনে গুৰুতৰ ধৰণৰ সামাজিক আৰু ৰাজনৈতিক অশান্তিৰ মাজেৰে পাৰ হব লগীয়া হৈছিল আৰু ইয়াৰ ফলত বহুতো মূল্যবান জীৱনৰ হানি হয়। এই অশান্তিৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়ালবোৰৰ বিত্তীয় অৱস্থা চালিজাৰি চাই দেখা যায় যে নিহত লোকসকলৰ নিকট আত্মীয়লৈ মঞ্জুৰ কৰা এককালীন ধনৰ পৰিমাণ নিচেই তাকৰ। সেয়ে ৰাজ্য চৰকাৰে ১৯৮৫ চনৰে পৰা এনে ধৰণৰ অশান্তিত নিহত লোকৰ প্ৰতিজনৰ নিকটাত্মীয়লৈ আগবঢ়োৱা এককালীন ধনৰ পৰিমাণ এক লাখ টকালৈ বঢ়াবলৈ থিৰাং কৰে।

**বাৰ্ষিক পৰিকল্পনা ১৯৯২-৯৩**

৪৫। মই এই সুযোগতে পবিত্ৰ সদনক জনাওঁ যে ১৯৯২-৯৩ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে ধাৰ্য্য কৰা ব্যয়ৰ পৰিমাণ হ'ল ৯৬০ কোটি টকা। ই চলিত বছৰৰ সংশোধিত ব্যয়তকৈ ২০ শতাংশ অধিক। পাৰ্বত্য পৰিকল্পনাৰ বেলিকাও ব্যয়ৰ পৰিমাণ ১৯৯১-৯২ চনৰ ৫৬.৪৮ কোটি টকাৰ পৰা ১৯৯২-৯৩ চনত ৬৭.২০ কোটি টকালৈ বঢ়োৱা হৈছে। পৰিকল্পনা ব্যয়ৰ ভিতৰৰে জনজাতি উপ-পৰিকল্পনাৰ বাবে নিৰ্দিষ্ট কৰা ধনৰ পৰিমাণ ৭৯.৭৯ কোটি টকাৰ পৰা ৯৫.৭১ কোটি টকালৈ আৰু অনুসূচীত জাতি সংযোগী আঁচনিৰ বাবে ধাৰ্য কৰা ব্যয়ৰ পৰিমাণ ৪৮.২১ কোটিৰ পৰা ৫৭.৮৫ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ উপৰিও অতিৰিক্ত বিশেষ কেন্দ্ৰীয় সাহায্যৰে পাৰ্বত্য পৰিকল্পনা, জনজাতি

উপ-পৰিকল্পনা আৰু অনুসূচীত শ্ৰেণীৰ খণ্ড পৰিকল্পনা সমূহৰ ব্যয়ৰ পৰিমাণ আৰু ৰঢ়োৱা হ'ব। চূড়ান্ত সিদ্ধান্ত সাপেক্ষে সদ্যহতে আনুমানিক ব্যয়ৰ পৰিমাণ ক্ৰমে ৩৮.৮৭ কৌটি, ১০·২৬ কৌটি আৰু ২৫১ কৌটি টকাত ধাৰ্য্য কৰি থোৱা হৈছে।

**পৰিকল্পনা পুঁজি**

৪৬। ৭৪১.৩২ কোটি টকাৰ কেন্দ্ৰীয় সাহায্য, নৱম বিত্ত আয়োগে নিৰ্দ্দিষ্ট কৰি দিয়া ৬১.২১ কৌটি টকাৰ পৰিকল্পনা ৰাজহ মঞ্জুৰী আৰু অৱশিষ্ট ১৫৭.৪৭ কৌটি টকাব ৰাজ্যিক ৰৰঙণিৰে পৰিকল্পনা ব্যয়খিনি কৰাৰ প্ৰস্তাৱ কৰা হৈছে। ক্ষুদ্ৰ সঞ্চয়ৰ সংগৃহীত ধনৰ পৰা ঋণ হিচাপে পোৱা আমাৰ অংশ, বিপণন ঋণ আৰু অন্যান্য প্ৰতিষ্ঠানৰ পৰা পোৱা ঋণৰ দ্বাৰা ৰাজ্যিক বৰঙণিখিনি দিয়াৰ আশা কৰা হৈছে। কেন্দ্ৰীয় সাহায্য বৃদ্ধিৰ ৰাবে পৰিকল্পনা আয়োগক টানি অনুৰোধ জনোৱা হৈছে; যাতে কেন্দ্ৰীয় সাহায্য আৰু পৰিকল্পনা ৰাজহৰ মঞ্জুৰীৰ জৰিয়তেই গোটেইখিনি ব্যয়ৰ বাৰে পুজিৰ যোগান ধৰিব পাৰি।

**পৰিকল্পনাৰ অগ্ৰাধিকাৰ**

৪৭। ৰাজ্যিক পৰিকল্পনাৰ ভিতৰত সমাজ সেৱা খণ্ডত সৰ্বাধিক অগ্ৰাধিকাৰ দিয়া হৈছে। এই খণ্ডত ২৬৩.১১ কৌটি অৰ্থাৎ মুঠ ব্যয়ৰ ২৭.৪০ শতাংশ টকাৰ আবণ্টন ধাৰ্য্য কৰা হৈছে। ২৩.৫৪ শতাংশ অৰ্থাৎ ২২৬ কৌটি টকাৰ আবণ্টনেৰে দ্বিতীয় অগ্ৰাধিকাৰ পাইছে শক্তি খণ্ডই। ১৩৩.৩১ কৌটি (১৩.৮৯ শতাংশ) টকাৰ আৱণ্টন লাভ কৰি তৃতীয় অগ্ৰাধিকাৰ পাইছে কৃষি আৰু ইয়াৰ সংযোগী সেৱা খণ্ডই। ১১৪.৫৫ কোটি টকা (১১.৯৩ শতাংশ) আৱণ্টেণেৰে ইয়াৰ পিচত অগ্ৰাধিকাৰ দিয়া হৈছে জলসিঞ্চন আৰু বাননিয়ন্ত্ৰণ খণ্ডত।

'খ' খণ্ড

**ৰাজ্যিক বিত্ত**

৪৮। ক্ৰমান্বয়ে বাঢ়ি অহা বাজেট ঘাটিয়ে চিহ্নিত কৰা বিত্তীয় ভাৰসাম্য হীনত ৰাজ্য চৰকাৰৰ বাবে উদ্বেগৰ এটা ঘাই

কাৰণ। ১৯৯১-৯২ চনৰ বিত্তীয় বছৰটো আৰম্ভ হৈছিল ভাৰতীয় ৰিজাৰ্ভ বেংকত ৭২ কোটি টকাৰ ঘাটিৰে। তদুপৰি বছৰটোৰ ভিতৰত হোৱা বিভিন্ন লেনদেনৰ ফলত ২৪১ কোটি টকাৰ আনুমানিক ঘাটি থাকিবগৈ বুলি ভবা হৈছে। চৰকাৰৰ বিভিন্ন দায় দায়িত্বৰ ফলত সংশোধিত হিচাপত ঘাটিৰ পৰিমাণ বাজেটত আশা কৰাতকৈ অধিক হোৱাৰ সম্ভাৱনা আছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা আমাৰ প্ৰাপ্যখিনি আগতীয়াকৈ উলিয়াই আৰম্ভণিৰ বৃহৎ ঘাটি নোহোৱা কৰা হৈছিল যদিও এই বৃহৎ আৰম্ভণি ঘাটিৰ অৱশ্যম্ভাবী পৰিণতি হলগৈ একাদিক্ৰমে আৰু সঘনে হোৱা অভাৰ ড্ৰাফট। ঋণ আৰু সুদৰ পৰিশোধ পিছুৱাই দিয়াকে ধৰি কেন্দ্ৰৰ পৰা আৰু অধিক আগতীয়া ধন উলিয়াই এই বিপৰ্যয়ৰ পৰা হাত সাৰিব পৰা গৈছিল। ইয়াৰ ফলত সাময়িক ভাবে হলেও আমি কিছু সকাহ পাইছিলো।

**ৰাজহুৱা ঋণ**

৪৯। বছৰৰ পিছত বছৰ ধৰি ঋণগ্ৰস্ততাৰ সমস্যাটো এক গুৰুতৰ ৰূপ ধাৰণ কৰিছেই। বছৰে বছৰে বাঢ়ি যোৱা ৰাজ্যখনৰ ঋণৰ বোজাৰ পৰাই এই সমস্যাৰ জটিলতাৰ এটা ধাৰণা কৰিব পাৰি। ১৯৯০ চনৰ মাৰ্চৰ শেহলৈ অসমৰ পৰিশোধ নোহোৱাকৈ থকা ৰাজহুৱা ঋণৰ পৰিমাণ ৩৮৩৭ কোটি টকা হৈছিলগৈ আৰু ই ১৯৯০-৯১ চনৰ শেষলৈ ৪৪৪১ কোটি টকালৈ বৃদ্ধি পায়। ইয়াৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা ঋণৰ পৰিমান আছিল ৩৬৩৫ কোটি, অৰ্থাৎ মুঠ ঋণৰ প্ৰায় ৮২ শতাংশ। ইয়াৰ ভিতৰতো আকৌ পৰিকল্পনাৰ বাবে লোৱা ঋণৰ পৰিমান আছিল ১৮৭২ কোটি টকা অৰ্থাৎ কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা মুঠ ঋণৰ প্ৰায় ৫১ শতাংশ। ১৯৯০-৯১ চনত ৰাজ্যখনৰ জনমুৰি ঋণৰ পৰিমান আছিল ১৯৯২ টকা। এই পৰিমান ১৯৯১-৯২ চনত ২০২১ টকা আৰু ১৯৯২-৯৩ চনত ২০৬০ টকা পৰ্যন্ত বাঢ়িবগৈ বুলি অনুমান কৰা হৈছে।

ঋণ পৰিশোধ

৫০। ঋণ পৰিশোধৰ বাবে হোৱা দেনাৰ দ্ৰুত বৃদ্ধিয়েই হ'লগৈ ক্ৰমাগত বাঢ়ি অহা ঋণৰ বোজাৰ অনিবাৰ্য পৰিণতি। ১৯৯০-৯১ চনৰ সময়ছোৱাত ঋণ পৰিশোধৰ বাবে প্ৰকৃতভাবে ব্যয় হোৱা ধনৰ পৰিমাণ আছিল ৪৫৫ কোটি টকা; তাৰে ১৯৩ কোটি আছিল মুলধনৰ বাবদ আৰু ২৬২ কোটি আছিল সুতৰ বাবদ পৰিশোধ কৰা টকা। কেৱল ভাৰত চৰকাৰক পৰিশোধ কৰা ঋণৰ পৰিমাণেই হ'ল মুঠ মুলধনৰ বাবদ ১৭৮ কোটি আৰু সুতৰ বাবদ ২১৯ কোটি টকাকে ধৰি মুঠ ৩৯৭ কোটি টকা। ঋণ পৰিশোধৰ বাবে মুঠ দেনা ১৯৯১-৯২ চনত ৬৫৪ কোটি টকালৈ আৰু ১৯৯২-৯৩ চনত আৰু বাঢ়ি ৬৮৮ কোটি টকা হবগৈ বুলি ভৰা হৈছে। মাত্ৰ ১০ শতাংশহে ঋণেৰে ১৯৯১-৯২ চনৰ পৰা পৰিকল্পনা ব্যয়ৰ ক্ষেত্ৰত লাভ কৰা পুঁজিৰ সুবিধা সত্বেও আগৰে পৰা জমা হৈ থকা ঋণৰ বোজা আৰু সম্পদৰ ঘাটি পুৰাবৰ বাবে লোৱা নতুন পৰিকল্পনা বহিৰ্ভুত ঋণৰ বাবে ঋণ পৰিশোধৰ দায়-দায়িত্ব বাঢ়ি গৈয়েই আছে। ঋণ পৰিশোধৰ দেনাৰ এই অস্বাভাৱিক বৃদ্ধি ৰোধ কৰাৰ বাবে পাঁচ বছৰলৈকে ঋণ পৰিশোধ বন্ধ ৰাখি আটাইখিনি কেন্দ্ৰীয় ঋণ পৰিশোধৰ সময় সুচী সলোৱাৰ বাবে অনুৰোধ কৰা হৈছে।

আনুষ্ঠানিক বিত্ত

৫১। উৎপাদনমুখী খণ্ড সমুহত উন্নয়নৰ বাবে বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানসমূহৰ পৰা লোৱা বিত্তীয় সাহায্যৰ বেচ প্ৰাসংগিকতা আছে। পিছে এই দিশত লাভ কৰা অগ্ৰগতি আমাৰ আশানুপাতে হোৱা নাই। অসমত থকা অনুসুচীত বেঙ্কৰ শাখাৰ সংখ্যা ৩১-১২-৯০ তাৰিখৰ ১২৭৯ টাৰ পৰা ৩০-৯-৯১ তাৰিখলৈ সামান্য বাঢ়ি ১২৮১ টা হয়গৈ আৰু একোটা বেংকৰ বিপৰীতে থকা জনসংখ্যা ১৭,৪৩১ জনৰ পৰা সামান্য কমি ১৭৩২০ জন হয়গৈ। কিন্তু এই পৰিসংখ্যা ৰাষ্ট্ৰীয় গড় সংখ্যাৰ তুলনাত আশানুৰূপ বুলিব নোৱাৰি। সামগ্ৰিক ভাবে দেশৰ একোটা বেংকৰ বিপৰীতে থকা গড় জনসংখ্যা ১২,০০০ মাত্ৰ। ৰাজ্যখনত

ৰেংকৰ নতুন শাখা খোলাৰ বাবে প্ৰায় ৫০ খনমান অনুজ্ঞাপত্ৰ বিভিন্ন বেংকত এতিয়াও পৰি আছে। ঋণ বিনিয়োগৰ দিশত ঋণ আৰু জমাৰ অনুপাত ১৯৯০ চনৰ ডিচেম্বৰ মাহৰ ৫৩.৬৬ শতাংশৰ পৰা কমি গৈ ১৯৯১ চনৰ চেপ্তেম্বৰ মাহত ৪৯.৪১ শতাংশ হয়গৈ। বেংকসমূহৰ পৰা অধিক ঋণ অহাটো নিশ্চিত কৰিবলৈ ৰাজ্য চৰকাৰে বেংক খণ্ডৰ লগত ঘনিষ্ঠ যোগাযোগ ৰাখিছে।

**ক্ষুদ্ৰ সঞ্চয়**

৫২। আমাৰ উন্নয়নমূলক কাৰ্য্যসূচীবোৰত পুঁজি যোগান ধৰাৰ বেলিকা ক্ষুদ্ৰ সঞ্চয় এক অতি উল্লেখযোগ্য উৎস। ক্ষুদ্ৰ সঞ্চয়ৰ পৰা হোৱা প্ৰকৃত সংগ্ৰহৰ শতকৰা ৭৫ ভাগ—ৰাজ্যখনে ঋণ সাহায্য হিচাপে লাভ কৰে। বিগত সময়ছোৱাত এইদৰে পোৱা ধনৰ পৰিমান বিশেষভাবে বৃদ্ধি পাইছে। ১৯৯০-৯১ চনত ক্ষুদ্ৰ সঞ্চয়ৰ প্ৰকৃত সংগ্ৰহৰ ভিতৰত আমাৰ অংশ আছিল ১৫৩ কোটি টকা। ১৯৯১ চনৰ এপ্ৰিল মাহৰ পৰা ১৯৯২ চনৰ জানুৱাৰী মাহলৈকে এই শিতানত পোৱা ধনৰ পৰিমাণ আগৰ বছৰৰ এই একে সময়ছোৱাত লাভ কৰা ৯৮ কোটি টকাৰ বিপৰীতে ১০৩ কোটি টকা। দেশৰ প্ৰায়বোৰ ৰাজ্যতে ক্ষুদ্ৰ সঞ্চয়ৰ পৰা হোৱা প্ৰকৃত সংগ্ৰহৰ পৰিমাণ কমি অহাৰ সময়ত অসমত ই বৃদ্ধিহে পাইছে।

**সম্পদ আহৰণ**

৫৩। বিত্তীয় ঘাটি হ্ৰাস কৰাৰ বিষয়টো অতি জটিল হৈ পৰাৰ বাবে কেৱল কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিলেই যথেষ্ট নহ'ব, নিজৰ সম্পদ বৃদ্ধি কৰিবৰ বাবে ৰাজ্য চৰকাৰেও ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এই ব্যৱস্থাৱলীৰ ভিতৰত যাইকৈ ৰাজহ আয় বৃদ্ধি আৰু পৰিকল্পনা বহিৰ্ভূত ব্যয় কৰ্ত্তনেই থাকিব। ব্যাপক হাৰত ৰাজহ সংগ্ৰহ বঢ়োৱাৰ উপায় সীমিত হোৱা হেতুকে ব্যয় কৰ্ত্তনত গুৰুত্ব দিব লাগিব। এনে কৰোতে ব্যয় সংকোচন ব্যৱস্থাই ( austerity measures ) যাতে উন্নয়ন প্ৰক্ৰিয়াত প্ৰতিকুল প্ৰভাব নেপেলায় তাক সুনিশ্চিত কৰিবৰ

বাবে সৰাতোকৈ অধিক মনোযোগ দিব লাগিব।

৫৪। পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ বেছি ভাগ ঋণ পৰিশোধ, বেতন আৰু মজুৰিতেই যায় বাবে এই ক্ষেত্ৰত মিতব্যয়িতা এটা জটিল কাম। মাননীয় সদস্য সকলে নিশ্চয় অনুভৱ কৰিব যে জীৱন ধাৰণৰ বৰ্দ্ধিত খৰচে মৰগীয়া বানচৰ বৃদ্ধিৰ জৰিয়তে বেতনৰ ব্যয় অধিক বঢ়োৱাৰহে সম্ভাৱনা আছে আৰু সেয়ে এনে ব্যয় সংকোচন কৰাৰ সুযোগ প্ৰায় নায়েই। সমাজত সন্ত্ৰাসবাদ আৰু বাঢ়ি অহা উত্তেজনাৰ পটভূমিত আইন শৃংখলা ৰক্ষাৰ ক্ষেত্ৰতো খৰচৰ মাত্ৰা বাঢ়িবলৈ বাধ্য। তথাপিও, সম্ভৱ ক্ষেত্ৰত পৰিকল্পনা বহিৰ্ভূত ব্যয়ৰ বৃদ্ধি ৰোধ কৰাটো বৰ্ত্তমান সময়ৰ সৱাতোকৈ প্ৰয়োজনীয় কথা। এই সমস্যা সন্দৰ্ভত চৰকাৰ সম্পূৰ্ণ-ৰূপে অৱগত আৰু বিত্তীয় শৃঙ্খলা প্ৰৱৰ্ত্তন কৰিবলৈ বহুতো ব্যৱস্থাও হাতত লোৱা হৈছে। সেয়েহে পোনতে, ভ্ৰমণ, ঘাইকৈ ৰাজ্যৰ বাহিৰত কৰা ভ্ৰমণ নিয়ন্ত্ৰিত কৰিবৰ বাবে কঠোৰ মিতব্যয়ী ব্যৱস্থা হাতত লোৱা হৈছে। নতুন গাড়ী কিনাটো বন্ধ কৰি দিয়া হৈছে আৰু ইন্ধন ব্যয়ো ২০ শতাংশ কৰ্ত্তন কৰা হৈছে। ৰাজ্য চৰকাৰে ব্যয় বহন কৰিব লগা প্ৰশিক্ষণ পাঠ্যক্ৰম, আলোচনা চক্ৰ আৰু কৰ্মশালাৰ বেলিকা উদগনি দিয়া নহ'ব। ৰাজহুৱা পুঁজি ব্যয় কৰিব লগীয়া হোৱা আড়ম্বৰপূৰ্ণ অনুষ্ঠানবোৰ বাদ দিয়া হ'ব। তদুপৰি, বয়-বস্তু, আচবাব-পত্ৰ আদিৰ নিচিনা কাৰ্য্যালয় ব্যয়ৰ বেলিকা মিতব্যয়িতা ৰক্ষা কৰা হ'ব। চৰকাৰৰ তৎকালীন কাম হ'ল বিত্তীয় ঘাটি যিমান পৰা যায় হ্ৰাস কৰি অনাটো।

৫৫। ৰাজ্যখনৰ কৰ বহিৰ্ভূত ৰাজহৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উৎস হ'ল খাৰুৱা তেলৰ ৰয়েল্টি। টনে প্ৰতি ৩১৪ টকা ৰয়েল্টিৰ এতিয়াৰ হাৰ ১৯৯০ চনৰ পহিলা এপ্ৰিলৰ পৰাই সংশোধন কৰিব লগীয়া আছিল। ইতিমধ্যে ৰাজ্য চৰকাৰে তেলৰ ৰয়েল্টিৰ হাৰ সংশোধন কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত

এখন স্মাৰক পত্ৰ দাখিল কৰিছেই। বৰ্দ্ধিত হাৰত ৰয়েল্টিৰ উপৰিও থাকুৱা তেলৰ মূল্যৰ ২০ শতাংশ হাৰত আপোনা-আপুনি ৰয়েল্টিৰ বাৰ্ষিক সংশোধন হোৱাটো ৰাজ্য চৰকাৰে দাবী কৰিছে। শ্ৰী ভি বি ঈশ্বৰণৰ নেতৃত্বাধীন কমিটী এখনলৈ বিষয়টো পঠিওৱা হৈছিল। কমিটীয়ে অলপতে ইয়াৰ প্ৰতিবেদনো দাখিল কৰিছে বুলি জানিব পৰা গৈছে। মই নিজেও অলপতে কেন্দ্ৰীয় বিত্ত মন্ত্ৰীৰ লৈতে ৰয়েল্টিৰ হাৰ সংশোধনৰ বিষয়টো আলোচনা কৰিছিলো। মোক জনাইছে যে সংশোধিত ৰয়েল্টিৰ হাৰ সম্পৰ্কীয় সিদ্ধান্ত সোনকালেই লোৱা হব।

৫৬। ৰাজ্যখনৰ আন এটা কৰ বহিৰ্ভূত ৰাজহৰ উৎস হ'ল বন। মই যোৱা বছৰ উল্লেখ কৰিছিলোৱেই যে ঘাইকৈ কাঠৰ কুণ্ডা কৰা কামটো (logging operations) বন্ধ কৰা বাবেই ১৯৮৫ চনৰ পৰা এই শিতানত হোৱা আয় কমি গৈছে। চৰকাৰে বৰ্ত্তমানে ৰয়েল্টিৰ হাৰ সংশোধনৰ প্ৰস্তাৱ চূড়ান্ত কৰিছে। ইয়াৰ ফলত পাৰিপাশ্বিকতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ নেপেলোৱাকৈ বন ৰাজহ বৃদ্ধি পাব। ১৯৯১-৯২ চনত বন ৰাজহ হিচাপে আশা কৰা ১৮ কোটি টকাৰ সংগ্ৰহৰ বিপৰীতে ১৯৯২-৯৩ চনৰ বাবে ২১ কোটি টকাৰ লক্ষ্য লোৱা হৈছে। কৰ বাহভূৰ্ত ৰাজহৰ বেলেগ বেলেগ শিতান সন্দৰ্ভত অন্যান্য বিভিন্ন সেৱাৰ মূল্যৰ পুংখানু পুংখ পৰীক্ষা কৰি তেনে মূল্যৰ পৰিমাণ যিমান দূৰ পাৰি উৎপাদন ব্যয়ৰ সমান কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

৫৭। ঔদ্যোগিক উন্নয়ন, নগৰীকৰণ আদিত পিছ পৰি থকাৰ লগতে ৰাজ্যখনৰ সাধাৰণ অনগ্ৰসৰতাৰ হেতু কৰ বা কৰ বহিৰ্ভূত ৰাজহৰ যোগেদি অতিৰিক্ত সম্পদ বঢ়োৱাৰ সামৰ্থ্য সীমিত হৈ আছে। এনেবোৰ বাধা থকা স্বত্তেও বিভিন্ন উৎসৰ পৰা পোৱা ৰাজহ ক্ৰমান্বয়ে বাঢ়িছে। ১৯৯০-৯১ চনত বিক্ৰী কৰৰ পৰা হোৱা প্ৰকৃত সংগ্ৰহ ১৯৮৫-৮৬ চনৰ ১২৮ কোটি টকাৰ বিপৰীতে ২৪৩ কোটি টকা। ১৯৯২-৯৩ চনৰ লক্ষ্য হল ৩১০ কোটি টকা।

সেই এেকে সময়ছোৱাত বাজ্যিক কৰৰ পৰা হোৱা সৰ্বমুঠ সংগ্ৰহ ২৩৫ কোটি টকাৰ পৰা ৪২০ কোটি টকালৈ বৃদ্ধি হৈছে। ১৯৯২-৯৩ চনৰ বাবে সংগ্ৰহৰ লক্ষ্য ধাৰ্য্য কৰা হৈছে ৪৯৯ কোটি টকা।

**অতিৰিক্ত সম্পদ আহৰণ** ৫৮। অতিৰিক্ত সম্পদ আহৰণৰ ক্ষেত্ৰত আমাৰ প্ৰাথমিক প্ৰয়াস হ'ব অধিক ফলপ্ৰসূ কৰ প্ৰশাসন তথা কৰ সংগ্ৰহ ছিদ্ৰহীন কৰাৰ পদ্ধতি প্ৰৱৰ্ত্তনৰ লগতে কৰৰ গাঁথনি বহলোৱাৰ দিশত। ৰাজ্য চৰকাৰে কৰৰ গাঁথনি সৰল আৰু সুবিন্যস্ত কৰাৰ জৰিয়তে অতিৰিক্ত ৰাজহ আহৰণৰ সম্ভাব্য উপায় পৰীক্ষা কৰি পৰামৰ্শ দিবলৈ বুলি এক বিশেষজ্ঞ গোটৰ সহায় বিচাৰিছে।

**বিক্ৰীকৰৰ হাৰ সংশোধন** ৫৯। জনসাধাৰণৰ ওপৰত যিকোনো ধৰণৰ বোজা জাপি দিয়াৰ ক্ষেত্ৰত থকা আমাৰ অনীহা আৰু সৰ্বসাধাৰণক সকাহ দিবৰ বাবে থকা আমাৰ প্ৰতিশ্ৰুতি সত্বেও অতিৰিক্ত কৰৰ কিছু ব্যৱস্থা এৰাই চলিব নোৱাৰি। মই লক্ষ্য কৰিছো যে কিছুমান সামগ্ৰীৰ ক্ষেত্ৰত বিক্ৰীকৰৰ হাৰ যিমান হব লাগে তাতকৈ সামান্য কম। এই বিসঙ্গতি দূৰ কৰিবৰ বাবে মই হোছিয়াৰী সামগ্ৰীত বৰ্ত্তমানে থকা শতকৰা ৬ ভাগৰ পৰা আৰু কিছুমান টয়লেট সামগ্ৰী, ক্ৰকাৰী আৰু কাটলেৰী, বনস্পতি তেল, চাবোন, ডিটাৰ-জেণ্ট আৰু জুইশলাত থকা বিক্ৰী কৰ শতকৰা ৭ ভাগৰ পৰা মূল্যৰ ভিত্তিত শতকৰা ৮ ভাগলৈ সামান্য ৰূপে বঢ়োৱাৰ প্ৰস্তাৱ কৰা হৈছে। বৰ্ত্তমান ধানৰ ওপৰত শতকৰা ২ ভাগ মূল্যভিত্তিক ক্ৰয় কৰ লগোৱা হৈ আছে, কিন্তু ঘেহু আৰু ঘেহুজাত সামগ্ৰীৰ ওপৰত কোনো ধৰণৰ কৰ লগোৱা হোৱা নাই। অন্যান্য ৰাজ্যত সৰিয়হ তেল আৰু ৰেপচীড তেলত কৰ আছে যদিও আমাৰ ৰাজ্যত ইয়াৰ ওপৰত কোনো বিক্ৰী কৰ নাই। এই বিসঙ্গতি-বোৰ আঁতৰাবলৈ ধানৰ ওপৰত থকা ক্ৰয় কৰ উঠাই লোৱাৰ প্ৰস্তাৱ কৰা হৈছে আৰু তাৰ সলনি চাউল, ঘেহু আৰু ঘেহুজাত

সামগ্ৰীৰ ওপৰত ২ শতাংশ পৰিমাণে মূল্যভিত্তিক সামান্য কৰ বহুৱাবলৈ বিচৰা হৈছে। এই নতুন কৰৰ বোজাৰ পৰা দুখীয়া শ্ৰেণীক সকাহ দিবলৈ বুলি প্ৰতি কিলোগ্ৰামত ২ টকা মূল্যত চাউল যোগান ধৰাৰ কাৰ্য্য-সূচী খনক এই কৰৰ পৰা মুক্ত কৰি ৰাখিবলৈ বিচৰা হৈছে। আনহাতে সৰিয়হ আৰু ৰেপচীড তেলৰ ওপৰত মূল্যৰ ভিত্তিত ২ শতাংশ কৰ বহুৱাৰ প্ৰস্তাৱ কৰা হৈছে।

৬০। এক বৃহৎ সংখ্যক ৰেষ্টোৰাঁ আৰু ভোজনালয়ে ভাল দৰেই ব্যৱসায় কৰি যথেষ্ট লাভ উপাৰ্জন কৰি আছে। ৰাজ্যিক কৰৰ কিয়দংশ বহন কৰিবলৈ তেওঁলোকৰ সামৰ্থ্য আছে যদিও এতিয়ালৈকে তেওঁলোকে ইয়াৰ পৰা ৰেহাই পাই আছে। ইয়ালৈ চাই বছৰি ১ লাখ টকাৰ অধিক আয় কৰা ৰেষ্টোৰাঁ আৰু ভোজনালয় সমূহত বিক্ৰী হোৱা আৰু এতিয়ালৈকে কৰ আৰোপ নকৰা প্ৰস্তুত খাদ্য সামগ্ৰীৰ ওপৰত মূল্যৰ ভিত্তিত ৭ শতাংশ বিক্ৰীকৰ ধাৰ্য্য কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। এই ব্যৱস্থা সমূহে প্ৰায় ১৮ কোটি টকাৰ ওপৰঞ্চি ৰাজহ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। সদনৰ চলিত অধিবেশনতে এই সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰা হ'ব।

**মটৰ গাড়ী কৰ তথা যাত্ৰী আৰু মাল-বস্তু কৰৰ পুনৰ্গঠনি**

৬১। বৰ্ত্তমানে চলি থকা মটৰ গাড়ী কৰৰ নিৰিখ ১৯৬৬ চনতেই ধাৰ্য্য কৰা হৈছিল। বিভিন্ন ৰাজ্যৰ মটৰ গাড়ীৰ কৰ গাঁথনি তুলনা মূলক ভাবে বিচাৰ কৰিলে দেখা যায় যে অসম হল আটাইতকৈ কম মটৰ গাড়ী কৰ লগোৱা ৰাজ্য সমূহৰ ভিতৰত অন্যতম। মটৰগাড়ী কৰ আৰু যাত্ৰী তথা মালবস্তুৰ কৰৰ গাঁঠনি সলাবলৈ বিচৰা ব্যৱস্থা এটা সদনৰ যোৱা অধিবেশনত উত্থাপন কৰিব খোজা হৈছিল যদিও সময়ৰ নাটনি হোৱাত কৰিব পৰা নগল। কিছু সাল-সলনি কৰি সেই বিধেয়ক চলিত অধি-বেশনত উত্থাপন কৰা হব। এই ব্যৱস্থাবোৰে বছৰি অতিৰিক্ত

১৮ কোটি টকাৰ ৰাজহ আনি দিব বুলি আশা কৰা হৈছে।

বৃত্তি কৰ — ৬২। বৰ্ত্তমানে ৰাজ্যিক বৃত্তি কৰ সকলো ক্ষেত্ৰতে আয়ৰ ভিত্তিত ধাৰ্য্য কৰা হয়। ইয়াৰ ফল স্বৰূপে বেতনভোগী কৰ্ম-চাৰী সকলৰ বাহিৰে অইন ক্ষেত্ৰত বৃত্তি কৰ নিৰূপণত বহুতো অসুবিধাৰ সৃষ্টি হয় আৰু ৰাজহ সংগ্ৰহতো সুৰুঙা বৈ যায়। এই অসুবিধা সমূহ আঁতৰাবলৈ আৰু সুৰুঙা সমূহ বন্ধ কৰিবলৈ এই হাৰ পুনৰ নিৰ্দ্ধাৰণৰ প্ৰস্তাৱ কৰা হৈছে যাতে কেৱল বেতন-ভোগী ব্যক্তিৰ ক্ষেত্ৰতহে কৰৰ নিৰিখ উপাৰ্জন ভিত্তিক হয়। অন্যান্য ক্ষেত্ৰত কৰৰ নিৰিখ আয় ভিত্তিক নহব ই বৃত্তি, জীৱিকা বা ব্যৱসায়ৰ ধৰণ অনুযায়ী বেলেগ বেলেগ হব। সদনৰ চলিত অধিবেশনতে এই উদ্দেশ্যে প্ৰয়োজনীয় বিধিগত পৰিবৰ্ত্তনৰ প্ৰস্তাৱ দাঙি ধৰা হব। মাহেকত ২৯১৬ টকাতকৈ কম উপাৰ্জনৰ বেতন-ভোগী ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য কৰৰ নিৰিখ সামান্য কম কৰা হব আনহাতে ইয়াৰ ফলত হোৱা ক্ষতি পুৰণৰ অৰ্থে অন্যান্য ক্ষেত্ৰত এই কৰৰ নিৰিখ সামান্য ভাবে বঢ়োৱা হব।

বিলাসিতা কৰ — ৬৩। বিলাসপূৰ্ণ হোটেলত থকা-মেলাৰ বাবদ বিভিন্ন হাৰত এবিধ কৰ ধাৰ্য্য কৰাৰ প্ৰস্তাৱ কৰা হৈছে। দেখা যায় যে হোটেলত থকাৰ বাবদ দিয়া ভাৰা ভিত্তিক কৰ ব্যৱস্থাই কৰ ফাঁকি বা কৰৰ পৰা আতৰি থকাত সহায় কৰে। এই সুৰুঙা বন্ধ কৰিবলৈ সেই গাথনিত পৰিবৰ্ত্তন সাধিবলৈ বিচৰা হৈছে। বৰ্ত্তমানে থকা ব্যক্তি ভিত্তিক কৰৰ সলনি এই নিৰিখ কোঠাৰ ভাৰাৰ আধাৰত কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। আশা কৰা হৈছে যে এই পৰিবৰ্ত্তনৰ ফলস্বৰূপে বছৰি ৪০ লাখ টকাৰ অতিৰিক্ত ৰাজহ পোৱা যাব। এই সম্পৰ্কীয় বিধেয়কো সদনৰ চলিত অধিবেশনতে উত্থাপন কৰা হব।

হিচাব ১৯৯০-৯১ — ৬৪। যোৱা বছৰৰ চেপ্তেম্বৰ মাহত সদনত উত্থাপন কৰা ১৯৯১-৯২ চনৰ বাজেট প্ৰাক্কলনত ১৯৯০-৯১ চন (সংশোধিত

প্ৰাক্কলন)ৰ সামৰণি হিচাবত ৭২ কোটি টকাৰ ঘাটি দেখুওৱা হৈছিল। মাননীয় সদস্য সকলক জনাবলৈ পাই মই সুখী হৈছো যে বছৰটো প্ৰকৃতাৰ্থত শেষ হয় মহাগাণনিকে দাখিল কৰা হিচাপ অনুযায়ী ৫৮ কোটি টকাৰ ৰাহিৰ সামৰণি হিচাপেৰে।

**সংশোধিত প্ৰাক্কলন ১৯৯১-৯২**

৬৫। ৭২ কোটি টকাৰ আৰম্ভনিৰ ঘাটিকে ধৰি ১৯৯১-৯২ চনৰ বাজেট প্ৰাক্কলনে ৩১৩ কোটি টকাৰ আনুমানিক ঘাটি দেখুৱাইছিল। ১৯৯১-৯২ চন বছৰটোৰ বাবে সম্প্ৰতি সংশোধিত প্ৰাক্কলনত কেবল মাত্ৰ ৫৯ কোটি টকাৰ ঘাটিহে দেখা গৈছে। আৰম্ভনিৰ হিচাপ ৭২ কোটি টকাৰ ঘাটিৰ পৰা ৫৮ কোটি টকাৰ ৰাহিলৈ উন্নীত হোৱাৰ লগতে প্ৰাপ্তিৰ ক্ষেত্ৰত হোৱা বৃদ্ধিয়েই ইয়াৰ কাৰণ।

**বাজেট ১৯৯২-৯৩**

৬৬। ১৯৯১-৯২ চনৰ সংশোধিত প্ৰাক্কলনতকৈ ১৯৯২-৯৩ চনৰ বাজেটৰ প্ৰাপ্তিৰ পৰিমাণ ৬২৬ কোটি টকা পৰ্যন্ত বাঢ়িব বুলি ধৰা হৈছে। অৱশ্যে, খৰচৰ শিতানতো ১৯৯১-৯২ চনৰ সংশোধিত প্ৰাক্কলনৰ তুলনাত ৪১৩ কোটি টকাৰ বৃদ্ধি দেখুওৱা হৈছে। প্ৰধানতঃ দৰিদ্ৰতা সীমাৰেখাৰ তলত থকা ৰাইজলৈ ৰেহাই মূল্যত চাউল যোগান ধৰিবলৈ চৰকাৰৰ প্ৰতিশ্ৰুতি, চিকিৎসা বানচৰ সংশোধন আৰু ৰাজ্য চৰকাৰৰ কৰ্মচাৰীলৈ দিয়া এককালীন ধন মঞ্জুৰীয়েই ইয়াৰ কাৰণ।

৬৭। ১৯৯২-৯৩ চন বছৰটোৰ আনুমানিক লেন-দেন সমূহৰ ফলত ৯৫ কোটি টকাৰ ৰাহি হ'বগৈ। আনুমানিক ৫৯ কোটি টকাৰ ঘাটিৰে আৰম্ভ হোৱা ১৯৯২-৯৩ চনৰ বছৰটো ৩৬ কোটি টকাৰ ৰাহিৰে ওৰ পৰিবগৈ বুলি আশা কৰা হৈছে। লেন-দেন সমূহৰ এক সংক্ষিপ্ত বিৱৰণ পৰিশিষ্টত সন্নিৱিষ্ট কৰা হৈছে।

৬৮। নতুন কৰ ব্যৱস্থা সমূহে ১৯৯২-৯৩ চনৰ বছৰটোত প্ৰায় ৪০ কোটি টকাৰ অতিৰিক্ত ৰাজহ আনি দিব বুলি হিচাপত

দেখা গৈছে। এইখিনি ধন দুৰ্বল শ্ৰেণীৰ ৰাইজৰ উপকাৰৰ বাবে লোৱা আঁচনিত আৰু অতিৰিক্ত নিয়োগ সৃষ্টি কৰাৰ কাৰ্য্যসূচীত লগোৱা হব।

৬৯। নতুন কৰ ব্যৱস্থাৰে অহা প্ৰায় ৪০ কোটি টকাৰ প্ৰাপ্তিৰে সৈতে ১৯৯২-৯৩ চনৰ বছৰটো মুঠ প্ৰায় ৭৬ কোটি টকাৰ বাহিৰে ওৰ পৰিবৰ্গে বুলি আশা কৰা হৈছে।

অধ্যক্ষ মহোদয়, ৰাজ্যখনত শান্তি আৰু সুস্থিৰতা পুনৰ নিশ্চিত কৰাৰ লগতে আৰ্থ-সামাজিক বিকাশৰ প্ৰক্ৰিয়াটো পুনৰ আৰম্ভ কৰাৰ প্ৰতিশ্ৰুতিৰে আমি চৰকাৰ গঠন কৰিছিলো। সেইমতে ৰাজ্যখনৰ হেৰোৱা শান্তি আৰু সুস্থিৰতা এতিয়ালৈ ভালেখিনি ঘুৰাই আনিব পৰা হৈছেও। ৰাইজৰ মনলৈ নিৰাপত্তা আৰু বিশ্বাসৰ ভাব উভতি আহিছে। ভয়াবহ অৱস্থাৰ সৃষ্টি কৰা সমস্যাসমূহৰ শান্তিপূৰ্ণ সমাধানৰ সম্ভাৱনাও উজ্জ্বল হৈ উঠিছে। সেইফালৰ পৰা চাৰলৈ গলে আমি আমাৰ প্ৰতিশ্ৰুতি পূৰণত কিছু পৰিমাণে হলেও সফলকাম হব পাৰিছো। আৰ্থ-সামাজিক বিকাশৰ ক্ষেত্ৰত সম্প্ৰতি এক গতিশীলতা আনিবলৈ আমি যত্ন কৰিছো। আমি নজনা নহয় যে আমাৰ ৰাজ্যখনৰ সমস্যাৰ লেখ-জোখ নাই আৰু কৰিবলগীয়া কামো সেয়ে অলেখ। তদুপৰি যোৱা কেইবছৰমানত ৰাজ্যখনৰ আৰ্থ সামাজিক জীৱনলৈ অহা স্থবিৰতাৰ বাবেও বহুখিনি কাম নতুনকৈ আৰম্ভ কৰিবলগীয়াৰ দৰে হৈছেহি। এটা বছৰত সকলোখিনি কাম কৰাটো সম্ভৱ নহয়; কিন্তু তথাপিও সঠিক বাটেৰে বাট বুলাৰ কামটো ততালিকে আৰম্ভ কৰিব লাগিব। ৰাজ্যখনৰ আৰ্থ-সামাজিক বিকাশ আৰু ৰাইজৰ কল্যানৰ বাবে সঠিক বাটেৰে দিয়া এক নতুন পদক্ষেপ হিচাপেই এই বাজেট প্ৰস্তাৱ সমূহো যুগুতোৱা হৈছে।

এইখিনি কথাৰেই অধ্যক্ষ মহোদয় ১৯৯২-৯৩ চনৰ বাজেটখন মই সন্মানিত সদনৰ বিবেচনাৰ বাবে আগবঢ়াই দিলো।

## পৰিশিষ্ট

### লেন-দেনৰ সংক্ষিপ্ত বিৱৰণ

( হেজাৰ টকাৰ হিচাপত )

| | প্ৰকৃত ১৯৯০-৯১ | বাজেট প্ৰাক্কলন ১৯৯১-৯২ | সংশোধিত প্ৰাককলন ১৯৯১-৯২ | বাজেট প্ৰাককলন ১৯৯২-৯৩ |
|---|---|---|---|---|
| (ক) প্ৰাপ্তি | | | | |
| ১। একত্ৰিত পুজি | | | | |
| ৰাজহ হিচাপ | ১৭৭৬,৬৪,৮২ | ২৪৯৯,০৬ ৩০ | ২৫৫৩,৬৪,৬১ | ৩২৩৩,৯৩,৪৩ |
| মূলধন হিচাপ | ২২০০,৫৭,৭৪ | ৯৬৪,৫২,৬১ | ৯৫৪,২৩,৪১ | ৯৫৯ ০২,৫৫ |
| মুঠ : | ৩৯৭৭,২২,৫৬ | ৩৪৬৩,৫৮,৯১ | ৩৫০৭,৯৭,০২ | ৪১৯২,৯৫,৯৮ |
| ২। আকস্মিক | | | | |
| নিধি হিচাপ | ৬,৯৫,২৫ | ৪,৪১.০০ | ১৯,৩৩,৮৯ | ২,৯৫,০০ |
| ৩। ৰাজহুৱা | | | | |
| হিচাপ | ১২৪৬,৮৪,৪০ | ১৩৭৬,৫৬,০০ | ১৪৫১,৪১,০০ | ১৪০৮,৮২,০০ |
| সৰ্বমুঠ (১+২+৩) | ৫২৩১,০২,২১ | ৪৮৪৪,৫৫,৯১ | ৪৯৭৮,৭১,৯১ | ৫৬০৪,৭২,৯৮ |
| (খ) ব্যয় | | | | |
| ১। একত্ৰিত পুজি | | | | |
| ৰাজহ হিচাপ | ১৯২০,৪০,১৫ | ২২৬৫,৬৪,৯২ | ২৩১৩,৩০,০৬ | ২৬১৫,২৮ ৫২ |
| মুলধন হিচাপ | ২০৪৩,৮৪,১৬ | ১৪৭৫,২৯,৫৫ | ১৪২২,৩২,৩৭ | ১৫২৮,১২.৬৮ |
| মুঠ : | ৩৯৬৪ ২৪,৩১ | ৩৭৪০,৯৪.৪৭ | ৩৭৩৫,৬২,৪৩ | ৪১৪৩,৪১,২০ |
| ২। আকস্মিক | | | | |
| নিধি হিচাপ | ১,৯৫,৩৬ | — | ১৫,২৫,০০ | — |
| ৩। ৰাজহুৱা | | | | |
| হিচাপ | ১২৩২,০৭,৪৬ | ১৩৪৫,০৬,০০ | ১৩৪৫,০৬,০০ | ১৩৬৫,৭৫,০০ |
| সৰ্বমুঠ (১+২+৩) | ৫১৯৮,২৭১৩ | ৫০,৮৬,০০,৪৭ | ৫০৯৫,৯৩,৪৩ | ৫৫০৯,১৬,২০ |

(হেজাৰ টকাৰ হিচাপত)

| | প্ৰকৃত ১৯৯০-৯১ | বাজেট প্ৰাককলন ১৯৯১-৯২ | সংশোধিত প্ৰাককলন ১৯৯১-৯২ | বাজেট প্ৰাককলন ১৯৯২-৯৩ |
|---|---|---|---|---|
| (গ) বছৰটোৰ ভিতৰত লেন-দেন বাহি (+) ঘাটি (-) | (+) ৩২,৭৫,০৮ | (-) ২৪১,৪৪,৫৬ | (-) ১১৭,২১,৫২ | (+) ৯৫,৫৬,৭৮ |
| (ঘ) আৰম্ভনিৰ হিচাপ বাহি (+) ঘাটি (-) | (+) ২৫,১৫,৭৭ | (-) ৭১,৬৭,৪৫ | (+) ৫৭,৯০,৮৫ | (-) ৫৯,৩০,৬৭ |
| (ঙ) সামৰণিৰ হিচাপ বাহি (+) ঘাটি (-) | (+) ৫৭,৯০,৮৫ | (-) ৩১৩,১২,০১ | (-) ৫৯,৩০,৬৭, | (+)৩৬,২৬,১১ |

Mr. Speaker : Now item No. 5 Honourable Shri Afzalur Rahman, Minister, Panchayat etc. to lay the Statement.

## STATEMENT BY MINISTER

Shri Afzalur Rahma (Minister Panchayat etc.) :

Mr. Speaker Sir, I beg to lay a Statement under Rule 69 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly explaining the circumstances which had necassitated immediate Legislation by ordinance

( As soon as opposition members re-entered the house at 1.27 p. m. almost all of them were speaking at a time at the top of their voice regarding the leakage of Budget) .

## INTRODUCTION OF GOVERNMENT BILL

voices................voices................voices

Speaker : Now Item No. 6 Shri Afzalur Rahman.

Shri Afzalur Rahman ( Minister Panchyat etc. )

Mr. Speaker Sir I beg leave to introduce "The Assam Panchayat Raj" (Amendment) Bill, 1992.

(The leave is granted)

Shri Afzalur Rahman ( Minister Panchyat etc ) : Mr. Spaker Sir, I beg to introduce "The Assam Panchyat Raj (Amendment) Bill, 1992. "

Secretary ALA read out the title of the Bill, introduced)

( voices............ voices............ vcices )

Mr. Speaker : Now item No. 7, Shri Devananda Konwar, Minister, Municipal Administration to lay a Statement.

## STATEMENT BY MINISTER

Shri Devananda Konwar (Minister, Municipal Administration) :

Mr. Speaker Sir, I beg to lay a Statement Under Rule 69 (1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly explaining the circumstances which necessitated immediate Legislation by Ordinance.

( voices............ voices............ )

Mr. Speaker : Now item No. 8, honourable Minister for Municipal Administration.

## INTRODUCTION OF GOVERNMENT BILL

Shri Devananda Konwar (Minister, Municipal Administration) :

Mr. Speaker Sir, I beg leave to introduce "The Guwahati Municipal Corporation (Amendment) Bill, 1992".

( The leave is granted )

Shri Devananda Konwar (Minister, Municipal Administration etc. ) :

Mr. Speaker Sir, I beg to introduce "The Guwahati Municipal Corporation (Amendment) Bill, 1992"

( Secretary ALA read out the title of the Bill introduced)

Mr. Speaker : The House now stands adjourned till 9 a. m. of Tuesday, the 17th March, 1992.

## ADJOURNMENT

The House rose at 1-30 p. m. and stood adjourned till 9 a. m. to-morrow the 17th March, 1992.

Dispur
The 16th March, 1992

S. N. Deka
Secretary
Assam Legislative Assembly

# ANNEXURE— 1

## STATEMENT REFERRED TO IN ANSWER TO (B)

| Sl. No. | Item | Quality | Quantity (Million tonnes) | Remarks. |
|---|---|---|---|---|
| 1. | Limestone | Cement grade | 70·00 | at Dillai Parbat Karbi Anglong |
| 2. | -do- | -do- | 0·60 | at Saini Langse, Karbi Anglong. |
| 3. | -do- | Cement grade to Chemical Grade | 350·00 | at Umrangshu N. C. Hills. |
| 4. | China Clay | Ceremic grade | 0·60 | at Deopani Karbi Anglong. |
| 5. | Coal | High moisture Ash content from 5. 2 to 11. 7% Volatile matter content from 41. 0 to 44. 4% Fixed carbon content from 36. 3 to 39. 6% Sulphur content from 1. 9 to 3. 3% | 0·50 | at Sheelveta Karbi Anglong. |
| 6. | -do- | -do- | 0·15 | an Koilajan, Karbi Anglong. |

| | | | | |
|---|---|---|---|---|
| 7. | -do- | -do- | 1·00 | at Garampani, N. C. Hills |
| 8. | Granite | Pink | 3·00 Million cubic metres- | at Mohamaya, Hills, Karbi Anglong. |

## ANNEXURE—II

### LIST OF APPROVED NEWSPAPER/PERIODICALS FOR 1991—92

| Sl. No. | Name of Newspaper | Place of publication | Language |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| | DAILIES | | |
| 1. | The Assam Tribune | Guwahati | English |
| 2. | The Sentinel | -do- | -do- |
| 3. | News Star | -do- | -do- |
| 4. | The Assam Express | -do- | -do- |
| 5. | North East Times | -do- | -do- |
| 6. | Eastern Clarion | Jorhat | -do- |
| 7. | Dainik Asom | Guwahati | Assamese |
| 8. | Natun Dainik | -do- | -do- |
| 9. | Ajir Asom | -do- | -do- |
| 10. | Sandhya Batori | -do- | -do- |
| 11. | Samoy Prabaha | -do- | Bengali |
| 12. | Sentinel | -do- | Hindi |
| 13. | Purbanchal Prahari | -do- | -do- |

| | | |
|---|---|---|
| 14. Uttarkal | -do- | -do- |
| 15. Dainik Janambhumi | Jorhat | Assamese |
| 16. Gati | Silchar | Assamese/Bengali |
| 17. Dainik Sonar Cachar | Silchar | Bengali |
| 18. Dainik Prantajyoti | -do- | -do- |
| 19. The Frontier Sun | -do- | English |
| 20. Dainik Jugasankha | -do- | Bengali |

BI- WEEKLY

| | | |
|---|---|---|
| 21. Agradoot | Guwahati | Assamese |
| 22. Consciousness | -do- | English |
| 23. The Business Relations | -do- | -do- |
| 24. Mahajati | Tezpur | Assamese |
| 25. Samayik Prasanga | Silchar | Bengali |
| 26. Ganachabuk | Dhubri | Assamese + Bengali |

WEEKLIES

| | | |
|---|---|---|
| 27. Asom Bani | Guwahati | Assamese |
| 28. Alok | -do- | -do- |
| 29. Janajiwan | -do- | -do- |
| 30. Mujahid | -do- | -do- |
| 31. Sapthik Sanchipat | Guwahati | Assam |
| 32. Purbanchal | Guwahati | Assamese |
| 33. Nagarik | -do- | -do- |
| 34. Abhijan | -do- | -do- |
| 35. Saptahik Asom | -do- | -do- |
| 36. Istahar | -do- | -do- |

## WEEKLY

| | | | |
|---|---|---|---|
| 37. | Sadin | -do- | -do- |
| 38. | Budhbar | -do- | -do- |
| 39. | Chitra Sambad | -do- | -do- |
| 40. | Nua-Dristi | -do- | Ass. = Bishnupriya |
| 41. | Krishak Baddhu | -do- | Assamese |
| 42. | Action | -do- | English |
| 43. | Purbanchal Sambad | -do- | Bengali |
| 44. | Jagrit | -do- | Hindi |
| 45. | The Staunch | -do- | English |
| 46. | Pabitra Asom | Guwahati + Morigaon | Assamese |
| 47. | Mangal Batori | Mangaldoi | -do- |
| 48. | Sadiniya Sambad | Tezpur | -do- |
| 49. | Dristikon | Golaghat | -do- |
| 50. | Dhansiri | -do- | -do- |
| 51. | Ganatantra | Nagaon | -do- |
| 52. | Na-Lakhimi | North Lakim-pur | |
| 53. | Natun Batori | -do- | -do- |
| 54. | Batabaran | Dibrugarh | -do- |
| 55. | Asom Spondon | -do- | -do- |
| 56. | Simanta Asom | -do- | -do- |
| 57. | Barpath | Barpeta | -do- |
| 58. | New East Newsline | Dibrugarh | English |
| 59. | North East Echo | Dhubri | -do- |
| 60. | Dibakar | Lala | Bengali |
| 61. | Diphu times | Diphu | English |

## WEEKLY

| | | | |
|---|---|---|---|
| 62. | Weekly Cachar | Hailakandi | Bengali |
| 63. | Purbyan | -do- | -do- |
| 64. | Dalia | -do- | -do- |
| 65. | Dhaleswari | -do- | -do- |
| 66. | Nabajug | Karimganj | Bengali |
| 67. | Kuchiyara | -do- | -do- |
| 68. | Cachar Tribune | -Hailakandi | -do- |
| 69. | Dristipat | Karimganj | -do- |
| 70. | Naba Barta Prasanga | Karimganj | -do |
| 71. | Jugasakti | -do- | -do- |
| 72. | Anadajyoti | -do- | -do- |
| 73. | Barak Darpan | Silchar | -do- |
| 74. | Sonar Desh | -do- | -do- |
| 75. | Arunodoi | -do- | -do- |
| 76. | Samayik Upahar | -do- | -do- |
| 77. | Bartalipi | -do- | -do- |
| 78. | Prantiya Samachar | -do- | -do- |
| 79. | Ishan Kon | -do- | -do- |
| 80. | Turjya | -do- | -do- |

জিলা ভিত্তিত নিয়োগৰ তালিকা এখন সদনৰ মেজত দাখিল কৰা হ'ল।

| | | | |
|---|---|---|---|
| ১। মৰিগাওঁ | — | ৩ জন। | |
| ২। উত্তৰ কাছাৰ পাহাৰ জিলা | — | ১ জন। | |
| ৩। নগাওঁ | — | ২৩ জন। | |
| ৪। গোলাঘাট | — | ৭ জন। | |
| ৫। বৰপেটা | — | ২৪ জন। | |
| ৬। হাইলাকান্দি | — | ৩ জন। | |
| ৭। কৰিমগঞ্জ | — | ২ জন। | |
| ৮। শোনিতপুৰ | — | ৫২ জন। | |
| ৯। কোকৰাঝাৰ | — | ১ জন। | |
| ১০। ধেমাজী | — | ১ জন। | |
| ১১। যোৰহাট | — | ৭ জন। | |
| ১২। তিনিচুকীয়া | — | ৪ জন। | |
| ১৩। কামৰূপ | — | ৫২ জন। | |
| ১৪। নলবাৰী | — | ৩০ জন। | |
| ১৫। কাৰবি আংলং | — | ০ জন। | |
| ১৬। ডিব্ৰুগড় | — | ৩ জন। | |
| ১৭। বঙাইগাওঁ | — | ৯ জন। | |
| ১৮। দৰং | — | ১১ জন। | |
| ১৯। ধুবুৰী | — | ১৬ জন। | |
| ২০। কাছাৰ | — | ১৫ জন। | |
| ২১। শিৱসাগৰ | — | ৭ জন। | |
| ২২। উত্তৰ লক্ষীমপুৰ | — | ৩ জন। | |
| ২৩। গোৱালপাৰা | — | ৭৪ জন। | |
| ২৪। বিহাৰ | — | ৩ জন। | অন্যান্য প্ৰদেশৰ |
| ২৫। আইজাল | — | ১ জন। | অন্যান্য প্ৰদেশৰ |
| ২৬। ইউ, পি | — | ১ জন। | অন্যান্য প্ৰদেশৰ |

১৯৮৪ চনৰ পৰা ১৯৯১-৯২ চনলৈকে এই সমবায়ক চৰকাৰৰ পৰা দিয়া উৎপাদনৰ লক্ষ তলত দিয়া হ'ল।

| | | |
|---|---|---|
| ১৯৮৪-৮৫ | — | ১,৬১ নিযুত বৰ্গ মিটাৰ। |
| ১৯৮৫-৮৬ | — | ১,০০ ,, |
| ১৯৮৬-৮৭ | — | ৩,০০ ,, |
| ১৯৮৭-৮৮ | — | ১০,০০ ,, |
| ১৯৮৮-৮৯ | — | ১১,৪৯ ,, |
| ১৯৮৯-৯০ | — | ১০,৭৪ ,, |
| ১৯৯০-৯১ | — | ১৫,৫৭ |
| ১৯৯১-৯২ | — | ১৩,০০ ,, |

<u>নিয়োজিত বোৱনীৰ সংখ্যা</u>

| | | |
|---|---|---|
| ১৯৮৪-৮৫ | — | ২২,৭২৩ |
| ১৯৮৫-৮৬ | — | ২৩,৮২১ |
| ১৯৮৬-৮৭ | — | ২৪,৭২১ |
| ১৯৮৭-৮৮ | — | ২৫,৯২৬ |
| ১৯৮৮-৮৯ | — | ৫৭,১৩৭ |
| ১৯৮৯-৯০ | — | ২,২৪,৩৩০ |
| ১৯৯০-৯১ | — | ৭,২১,০০০ |
| ১৯৯১-৯২ | — | ৭,১৫,৭৮৬ |

# ANNEXURE– V

প্ৰশ্নোত্তৰৰ লগত জৰীত আলম সমূহ তলত দিয়া হ'ল

| বছৰ | উৎপাদন (বৰ্গমিটাৰ) | বিতৰণ | বেহাই হাৰ (প্ৰতি বৰ্গমিটাৰ) | বেহাই পাওনা আদায় |
|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ |
| ১৯৮৪— | ৬৩৭৪৭৭'২৯ | ৬৩৫৯৪৮'৪৯ | নভেম্বৰ '৮৪ লৈ ১'৫০ হাৰত | ১১,৯৫,৭১১'৭৮ |
| ১৯৮৫— | ২২,৬৫,৬৮৪'০০ | ১৫,৭৪,৮৩৮'৩১ | | ৪১,১৪,৭৪৯'২৬ |
| ১৯৮৬— | ৬২,৪১,৯১৪'৫১ | ৫৭,১৪,০৩৪'৮৯ | | ৯০,৬১,৫৪৪'৪৪ |
| ১৯৮৭— | ১,১৯,৬৭,৯০৫'৯০ | ১,১৮,৪০,৮৫২'৯৭ | ডিচেম্বৰ' ৮৪ চনৰ পৰা | ৯৯,৫৩,৬০৪'০০ |
| ১৯৮৮— | ২,০৬,০৫,৫২৮'২০ | ১,৯৫,৩৭,৬২০'৬০ | ৩০-৮৮ লৈকে ২'০০ হাৰত, | ৬,২০,৯৫ ৪৩৭'০০ |
| ১৯৮৯— | ১,৭২ ৬৩,১৬৯'২৬ | ১,৫৮,১৩,৯৩৫'২৯ | ১-১০-৮৮ ৰ পৰা ৩০-৬-৯০ | ৪,২৯,৭৫,০২১'০০ |
| ১৯৯০— | ১,৯৮,৪৬,৫০৫'০০ | ১,৯৭,৪৪,১১৬'৪০ | লৈকে ২'৭৫ পইচাৰ হাৰত | ৪,৩৬,০৬,০৬৭.০০ |
| ১৯৯১— | ১২,৬২,২১২'১২ (১-৪-৯০ ৰ পৰা ৩০-৬-৯১ লৈকে) | ৩,১,৩২,৮৬১'৯২ | আৰু ১-৭-৯০ ৰ পৰা বৰ্ত্তমান- লৈকে ৩'৪০ পইচাৰ হাৰত | ১,০৬,৫১,৭৩১'০০ |
| | | | | ১৮,৩৬,৫৩,৮৬৫'৪৮ |